www.asombarta.in

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

মোৰ দুৰ্নাম গাই কোনেও নিজলৈ সুনাম আৰ্জিব নোৱাৰে, তাৰ দ্বাৰা তেওঁৰ নিজৰে অভাৱনীয় ক্ষতি হয়। — চক্রেটিছ।

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

❐ ষষ্ঠ বছৰ ❐ সংখ্যা - ২৪৭ ❐ মঙ্গলবাৰ ❐ ২ ডিচেম্বৰ, ২০২৫ চন ❐ ১৫ আঘোণ, ১৯৪৭ শক ❐ VOL - 6 ❐ NO.- 247 ❐ Tuesday ❐ 2nd December, 2025 ❐ মূল্য ঃ ১০.০০ টকা ❐ মুঠ পৃষ্ঠা ঃ ৮

### তিনিজনীয়া মন্ত্ৰী গোটৰ সৈতে আলোচনাত বহিবলৈ আমন্ত্ৰণ জনালে মুখ্যমন্ত্ৰীয়ে

# কেন্দ্ৰীয় চৰকাৰ, সংসদৰ হাতত জনজাতিকৰণৰ চূড়ান্ত সিদ্ধান্ত



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১ ডিচেম্বৰ ঃ** টাই-আহোম, চুতীয়া, মৰাণ, মটক, কোচ-ৰাজবংশী আৰু লগতে চাহ জনজাতি (আদিবাসী)— এই ছয় জনগোষ্ঠীক অনুসূচিত জনজাতিৰ (এছটি) মৰ্যাদা প্ৰদানৰ প্ৰতিবেদনক লৈ ৰাজ্যত তীব্ৰ প্ৰতিবাদ আৰু বিতৰ্ক চলি আছে। এই পৰিস্থিতিৰ মাজতে অসম চৰকাৰে বিৰোধিতাকাৰী সংগঠনসমূহৰ সৈতে খোলা মনৰে আলোচনাৰ বাবে সাজু হৈছে। দেওবাৰে কেবিনেট বৈঠকৰ পিছত সংবাদ মেলত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই স্পষ্ট কৰি কয়, "প্ৰতিবেদনখন কিছুমানে ভালদৰে পঢ়া নাই। মাধ্যমত মন্তব্য কৰিছে যদিও তথ্যৰ ভুল বুজাবুজি হৈছে। এইপ্ৰতিবেদনে বৰ্তমানৰ অনুসূচিত জনজাতি সম্প্ৰদায়ৰ সংৰক্ষণত এক শতাংশও ক্ষতি নকৰে। বৰং ছয় জনগোষ্ঠীৰ দীৰ্ঘদিনীয়া দাবী পূৰণৰ পথ মুকলি কৰি দিয়ে।" মুখ্যমন্ত্ৰীয়ে লগতে কয়, "প্ৰতিবেদনত তিনি স্তৰীয় শ্ৰেণীবিভাজনৰ পৰামৰ্শ দিয়া হৈছে। ইয়াৰ ফলত বৰ্তমানৰ এছটি সম্প্ৰদায়ৰ সংৰক্ষণ অটুট থাকিব আৰু নতুনকৈ অন্তৰ্ভুক্ত হ'লে নতুন শ্ৰেণীত সংৰক্ষণৰ সুবিধা পাব। এয়া দুয়োপক্ষৰে স্বাৰ্থ ৰক্ষা কৰাৰ এক বাস্তৱসন্মত সমাধান।" কেবিনেটে তিনিজনীয়া মন্ত্ৰী গোট গঠন কৰিছে। জনজাতি কল্যাণ মন্ত্ৰী ড° ৰণোজ পেগু, জলসম্পদ মন্ত্ৰী কেশৱ মহন্ত আৰু পৰিবহণ মন্ত্ৰী পীযূষ হাজৰীকাই এই গোটত অন্তৰ্ভুক্ত কৰা হৈছে। এই তিনিওজন মন্ত্ৰীয়ে অতি শীঘ্ৰে চিচিটিঅ' (Coordination Committee of Tribal Organisations of Assam)ৰ লগতে অন্যান্য বিৰোধিতাকাৰী জনজাতি সংগঠনৰ প্ৰতিনিধিক আলোচনাৰ বাবে আমন্ত্ৰণ জনাব। মুখ্যমন্ত্ৰীয়ে কয়, "যদি প্ৰতিবেদন পঢ়োঁতে কাৰোবাৰ অসুবিধা হৈছে বা কোনো সন্দেহ আছে, তেন্তে আমাৰ মন্ত্ৰীসকলে বহি বুজাই দিব। প্ৰতিটো পৃষ্ঠা, প্ৰতিটো বাক্য ব্যাখ্যা কৰি ভুল বুজাবুজি দূৰ কৰা হ'ব। আলোচনাৰ পিছতো যদি কোনো যুক্তিসংগত পৰিৱৰ্তনৰ প্ৰয়োজন হয়, আমি বিবেচনা কৰিম।" বিৰোধী দলসমূহৰ সমালোচনাৰ উত্তৰত মুখ্যমন্ত্ৰীয়ে কয়, "কংগ্ৰেছ দল দীৰ্ঘদিন এই ছয় জনগোষ্ঠীৰ সৈতেহে আছিল। কালিৰ পৰা হঠাৎ ইউ-টাৰ্ণ মাৰিছে। তেওঁলোকৰ যদি কোনো ইতিবাচক পৰামৰ্শ থাকে, আমি আদৰি ল'ম। কেন্দ্ৰলৈ প্ৰতিবেদন পঠোৱাৰ এতিয়াও সময় আছে। কোনো ত্বৰা নাই।" চৰকাৰৰ ফালৰ পৰা কোৱা হৈছে যে এই প্ৰতিবেদন কেৱল ৰাজ্য চৰকাৰৰ পৰামৰ্শ। চূড়ান্ত সিদ্ধান্ত কেন্দ্ৰীয় চৰকাৰ আৰু সংসদৰ হাতত। তথাপি ৰাজ্য চৰকাৰে সৰ্বোচ্চ স্বচ্ছতা আৰু সমন্বয়েৰে আগবাঢ়িব বিচাৰিছে বুলি মুখ্যমন্ত্ৰীয়ে আশ্বাস দিছে। আগন্তুক কেইদিনৰ ভিতৰতে তিনিজনীয়া মন্ত্ৰী গোটে বিৰোধী সংগঠনসমূহৰ সৈতে বহি প্ৰতিবেদনৰ প্ৰতিটো দিশ স্পষ্ট কৰিব বুলি জানিব পৰা গৈছে।

## আজিৰ কলম

### কঠোৰ পৰিশ্ৰমী অসমৰ চাহ জনগোষ্ঠীয় সেউজী সমাজখন



শৰৎ চন্দ্ৰ চিৰিংফুকন

**নানান** তৰহৰ সৰু-ডাঙৰ গছ-বিৰিখেৰে ভৰপূৰ অসমখন হৈছে প্ৰকৃতিৰ ৰম্যভূমি। কাজিৰঙা, মানাহ, পবিতৰা, ডিব্ৰু-ছৈখোৱা, নামবৰ আৰু ৰাইমনা আদি আৰু ভালেকেইখন প্ৰাকৃতিক অভয়াৰণ্যৰে পৰিবেষ্টিত এইখন আমাৰ অসম প্ৰদেশ। এনেবোৰ অভয়াৰণ্যৰ মাজতে আছে বহুবোৰ সৰু-বৰ বিল, সৰোবৰ আৰু জলাশয় আদি। এনেবোৰ জলৰাশিৰ গৰ্ভতে আছে নানান তৰহৰ মাছ, কাছ, সাপ, সৰীসৃপ, চৰাই-চিৰিকতি আৰু পৰিভ্ৰমী পক্ষী প্ৰজাতি আদি। গছ ▸▸৬ পৃষ্ঠাত

## দেশৰ ছয় স্থানত কূটনৈতিক পৰিকল্পনা বিফল, গ্ৰেপ্তাৰ তিনি উগ্ৰপন্থী




**অনলাইন ডেস্ক, অসম বাৰ্তা, ১ ডিচেম্বৰ ঃ** দেশৰ তিনি ৰাজ্যৰ ছখন ঠাইত কূটনৈতিক পৰিকল্পনা দিল্লী বিস্ফোৰণৰ পাছতে দেশজুৰি সন্ত্ৰাস বিয়পোৱাৰ ষড়যন্ত্ৰ ৰচনা কৰিছিল আই এছ আই সমৰ্থিত পাকিস্তানী হেণ্ডলাৰে। শনিবাৰে তিনিখন ৰাজ্যত দিল্লী আৰক্ষীয়ে তালাচী অভিযান চলাই সন্দেহযুক্ত তিনি উগ্ৰপন্থীক গ্ৰেপ্তাৰ কৰে। তেওঁলোকৰ জেৰাৰ সময়ত পোহৰলৈ আহে কিছু চাঞ্চল্যকৰ তথ্য। আৰক্ষী সূত্ৰই জনোৱা মতে, এই তিনিটা সন্দেহযুক্ত উগ্ৰপন্থীয়ে আই এছ আই সমৰ্থিত পাকিস্তানী হেণ্ডলাৰ শ্বাহজাদ ভাট্টীৰ নিৰ্দেশত দিল্লী, পঞ্জাৱ আৰু উত্তৰ প্ৰদেশত কূটনৈতিক অভিযান চলাবলৈ পৰিকল্পনা কৰিছিল। ইয়াৰ পৰা উদ্ধাৰ হোৱা মোবাইল ফোন আৰু ভিডিঅ' ক্লিপ পৰীক্ষা কৰাৰ ▸▸৬ পৃষ্ঠাত

### সংসদ কেৱল চৰকাৰৰ প্ৰশংসা শুনিবলৈ বহা মঞ্চ নহয়!



## সংসদ নাটকৰ মঞ্চ নহয়; বিৰোধীক কটাক্ষ প্ৰধানমন্ত্ৰীৰ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১ ডিচেম্বৰ ঃ** সংসদৰ শীতকালীন অধিৱেশন আৰম্ভ হোৱাৰ লগে লগে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কংগ্ৰেছৰ সাধাৰণ সম্পাদিকা তথা ৱায়নাদৰ সাংসদ প্ৰিয়ংকা গান্ধী বঢ়ৰ্গেৰ মাজত তীব্ৰ বাক্য ▸▸৬ পৃষ্ঠাত



## ঘূৰ্ণীবতাহ 'দিটৱাহ'ৰ ভয়াৱহতা; শ্ৰীলংকাত ৩৩৪ জনৰো অধিকৰ মৃত্যু

**ইণ্টাৰনেছনেল ডেস্ক, অসম বাৰ্তা, ১ ডিচেম্বৰ ঃ** শক্তিশালী ঘূৰ্ণীবতাহ 'দিটৱাহ'ই শ্ৰীলংকাত ভয়াৱহ ৰূপ ধাৰণ কৰিছে। অবিৰত বৰষুণ আৰু প্ৰচণ্ড বতাহৰ ফলত দেশখনৰ বিভিন্ন প্ৰান্তত ভূমিস্খলন, বানপানী আৰু ডাঙৰ দলং ধ্বংস হোৱাৰ ঘটনাইছে। সাধাৰণ মানুহৰ দৈনন্দিন জীৱন সম্পূৰ্ণৰূপে স্তব্ধ হৈ পৰিছে। শ্ৰীলংকাৰ দুৰ্যোগ ব্যৱস্থাপনা কেন্দ্ৰ (DMC)ৰ শেহতীয়া তথ্য অনুসৰি এই ঘূৰ্ণীবতাহত এতিয়ালৈকে কমেও ৩৩৪জন লোকৰ মৃত্যু হৈছে আৰু ৩৭০ জনতকৈয়ো অধিক লোক নিৰুদ্দেশ হৈ আছে। আটাইতকৈ বেছি ▸▸৬ পৃষ্ঠাত

### ভাৰতে আৰম্ভ কৰিলে 'অপাৰেচন সাগৰ বন্ধু'



## বঢ়মপুৰত উদ্যমিতা আঁচনিৰ চেক বিতৰণ মুখ্যমন্ত্ৰীৰ

**অসম বাৰ্তা, নগাঁও, ১ ডিচেম্বৰ ঃ** কঠীয়াতলি উন্নয়ন খণ্ডৰ অস্থায়ী মুকলি মঞ্চত আজি দিনৰ ১১ বজাত ৩২৬১৫ গৰাকী উদ্যমিতা আঁচনিৰ ▸▸৬ পৃষ্ঠাত

## মৰিগাঁৱত ৩ ধৰ্ষণকাৰীক ২০ বছৰৰ কাৰাদণ্ড


**ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ১ ডিচেম্বৰ ঃ** মৰিগাঁও পক'চ আদালতে এক নিৰ্মম আৰু জঘন্য ধৰ্ষণ কাণ্ডত জড়িত তিনি ধৰ্ষণকাৰীক আজি দোষী সাব্যস্ত কৰি ২০ বছৰকৈ ▸▸৬ পৃষ্ঠাত

## ৰূপহীহাটত ভয়ংকৰ পথ দুৰ্ঘটনা; নিহত ২, আহত ১

**অসম বাৰ্তা, ৰূপহীহাট, ১ ডিচেম্বৰ ঃ** ৰূপহীহাটৰ জ্ঞান বিকাশ বিদ্যাপীঠ স্কুলৰ সন্মুখত যোৱা নিশা এক ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত ▸▸৬ পৃষ্ঠাত

# কটকটীয়া নিৰাপত্তাৰ মাজেৰে আৰম্ভ হ'ল বিটিচিৰ শীতকালীন অধিৱেশন

### ছয়গৰাকী নৱ-মনোনীত সদস্যৰ শপতবাক্য পাঠ, নতুন উপাধ্যক্ষ নিৰ্বাচিত



**ষ্টাফ ৰিপ'ৰ্টাৰ, কোকৰাঝাৰ, ১ ডিচেম্বৰ ঃ** কটকটীয়া নিৰাপত্তাৰ মাজতে সোমবাৰে পৰা বড়োলেণ্ড টেৰিট'ৰিয়েল কাউন্সিলৰ (বি টি চি) শীতকালীন অধিৱেশন আৰম্ভ হৈছে। দুদিনীয়া এই অধিৱেশনৰ প্ৰথম দিনা প্ৰশ্নোত্তৰ শিতানেৰে কাৰ্যসূচী আৰম্ভ ▸▸৬ পৃষ্ঠাত



### জীৱিকা সখীয়ে পঞ্চায়ত, গ্ৰামোন্নয়ন বিভাগক বিহু দেখুৱাইছে ঃ মন্ত্ৰী দাস

## সৃজনগ্ৰামত উদ্যোমিতা আঁচনিৰ চেক বিতৰণ মন্ত্ৰী ৰণজিতকুমাৰ দাসৰ

**ষ্টাফ ৰিপোৰ্টাৰ, বঙাইগাঁও, ১ ডিচেম্বৰ ঃ** ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ যি প্ৰতিবেদন দিয়া হৈছে সেইটো হ'ল মন্ত্ৰীগোটৰ প্ৰতিবেদন। আলাপ-আলোচনা কৰাৰ যথেষ্ট সময় আছে। মন্ত্ৰীগোটৰ প্ৰতিবেদন দাখিল নৌহওঁতেই য'ত য'ত ▸▸৬ পৃষ্ঠাত

### জনগোষ্ঠীৰ জনজাতিকৰণৰ দাবীত উত্তপ্ত অসম ঃ আক্ৰাছুৰ হুংকাৰ

## '২৬ৰ আগতে এছ টি নাপালে বয়কট কৰিব বিজেপিক !


**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১ ডিচেম্বৰ ঃ** অসমৰ ছয় সম্প্ৰদায়ৰ (কোচ-ৰাজবংশী, মৰাণ, মটক, চাহ জনজাতি, তাই-আহোম আৰু বিষ্ণুপ্ৰিয়া মণিপুৰী) অনুসূচিত জনজাতি (ST) মৰ্যাদা প্ৰদানৰ দাবীক লৈ ৰাজ্যজুৰি আন্দোলন ক্ৰমাৎ ▸▸৬ পৃষ্ঠাত

# ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ প্ৰতিবেদন 'নিৰ্বাচনী ললীপপ' আৰু 'প্ৰতাৰণা'

### বিধানসভাত দাখিল কৰা মন্ত্ৰীগোটৰ প্ৰতিবেদনক তীব্ৰ সমালোচনা অজাপৰ লুৰীণজ্যোতি গগৈৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১ ডিচেম্বৰ ঃ** অসমৰ ছয় জনগোষ্ঠীক অনুসূচিত জনজাতি (ST) মৰ্যাদা প্ৰদানৰ দাবী দীৰ্ঘদিনীয়া হ'লেও যোৱা শনিবাৰে বিধানসভাত দাখিল কৰা মন্ত্ৰীগোটৰ প্ৰতিবেদনক লৈ সন্তুষ্টি প্ৰকাশ কৰা নাই অসম জাতীয় পৰিষদে (অজাপ)। সোমবাৰে ডিব্ৰুগড়ত আয়োজিত এক সংবাদমেলত অজাপৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে এই প্ৰতিবেদনক "নিৰ্বাচনী ললীপপ", "ৰাজনৈতিক ▸▸৬ পৃষ্ঠাত



## ছাত্ৰ সংগঠনৰ প্ৰতিবাদৰ পিছত বিটিচি সচিবালয়ত নিৰাপত্তা বৃদ্ধি

**ষ্টাফ ৰিপ'ৰ্টাৰ, কোকৰাঝাৰ, ১ ডিচেম্বৰ ঃ** বড়োলেণ্ড টেৰিটৰিয়েল কাউন্সিল (BTC)ৰ সচিবালয়ত ছাত্ৰ সংগঠনৰ হিংসাত্মক প্ৰতিবাদৰ পিছত প্ৰশাসনে সচিবালয় চৌহদত কঠোৰ নিৰাপত্তা ব্যৱস্থা বলৱৎ ▸▸৬ পৃষ্ঠাত

## ইউপিপিএলৰ পৰা কোঁচ ৰাজবংশী জনগোষ্ঠীৰ নেতাৰ পদত্যাগ

**অসম বাৰ্তা, ডতমা, ১ ডিচেম্বৰ ঃ** অসমৰ ছয় জনগোষ্ঠীৰ লগতে কোঁচ-ৰাজবংশী জনগোষ্ঠীয় লোকসকলক জনজাতিৰ মৰ্যাদা প্ৰদান কৰাৰ ক্ষেত্ৰত ইউপিপিএল দলৰ দলীয় স্থিতি স্পষ্ট নকৰাৰ বাবে আজি ইউপিপিএল দলৰ পৰা কোঁচ-ৰাজবংশী জনগোষ্ঠীৰ ▸▸৬ পৃষ্ঠাত

## ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ প্ৰতিবেদন দাখিলক লৈ কংগ্ৰেছৰ সমালোচনা



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১ ডিচেম্বৰ ঃ** অসম বিধানসভাৰ শীতকালীন অধিৱেশনৰ অন্তিম দিনা শনিবাৰে ▸▸৬ পৃষ্ঠাত

## বিটিচি সচিবালয়ত তাণ্ডৱ প্ৰতিবাদকাৰীৰ বিৰুদ্ধে এজাহাৰ দাখিল


**ষ্টাফ ৰিপ'ৰ্টাৰ, কোকৰাঝাৰ, ১ ডিচেম্বৰ ঃ** শনিবাৰে বড়োলেণ্ড টেৰিট'ৰিয়েল কাউন্সিল (বিটিচি)ৰ সচিবালয় চৌহদত সংঘটিত হিংসাত্মক প্ৰতিবাদৰ ঘটনাৰ ▸▸৬ পৃষ্ঠাত

### প্ৰধানমন্ত্ৰী-ৰাষ্ট্ৰপতি, ৰাহুল-খাৰ্গেৰ শুভেচ্ছা

# নাগালেণ্ডৰ ৬৩ সংখ্যক ৰাজ্যিক দিৱস উদযাপন



**নিউজ ডেস্ক, অসম বাৰ্তা, ১ ডিচেম্বৰ ঃ** আজাতি-জনগোষ্ঠীৰ বৰ্ণিল সংস্কৃতি আৰু প্ৰাকৃতিক সৌন্দৰ্য্যৰে সমৃদ্ধ নাগালেণ্ডে আজি ৬৩সংখ্যক ৰাজ্যিক দিৱস উদযাপন কৰিছে। ১৯৬৩ চনৰ ১ ডিচেম্বৰত ভাৰতৰ যোড়শ ৰাজ্য হিচাপে স্বীকৃতি লাভ কৰা নাগালেণ্ডৰ এই গৌৰৱময় দিনটোত দেশৰ শীৰ্ষ নেতৃত্বৰ পৰা আৰম্ভ কৰি বিভিন্ন ৰাজনৈতিক দলৰ নেতা সকলোৱে শুভেচ্ছাৰ বৰষুণ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এ'ত লিখিছে, "নাগালেণ্ডৰ ৰাজ্যিক দিৱসৰ হৃদয়স্পৰ্শী শুভেচ্ছা সেৱা, সাহস আৰু মমতাৰে শিপাই থকা গৌৰৱময় নগা সংস্কৃতি সদায় প্ৰশংসনীয়। নাগালেণ্ডৰ জনসাধাৰণে বহু ক্ষেত্ৰত নিজকে অনন্যভাৱে প্ৰতিষ্ঠা ▸▸৬ পৃষ্ঠাত



**নগাঁৱৰ বাণিজ্য মহাবিদ্যালয়ত জিএনআৰচিৰ সজাগতা যাত্ৰা আৰু সংবাদমেল সম্বোধন**

# ৭০ শতাংশতকৈও অধিক মৃগীৰোগক নিয়ন্ত্ৰণত ৰাখিব পৰা যায় ঃ জিএনআৰচি হাস্পতাল

## মাথোঁ অসমতেই ৩ লক্ষাধিক মৃগীৰোগত আক্ৰান্ত ব্যক্তি আছে

**অসম বাৰ্তা, নগাঁও, ৩০ নৱেম্বৰ ঃ** অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ জনসাধাৰণক মৃগীৰোগৰ লক্ষণসমূহৰ বিষয়ে অৱগত কৰাৰ লগতে প্ৰাৰম্ভিক পৰ্য্যায়ত ৰোগ চিনাক্ত কৰি উপযুক্ত চিকিৎসা আৰম্ভ কৰিলে ইয়াক যে সম্পূৰ্ণৰূপে নিয়ন্ত্ৰণত ৰাখিব পাৰি সেই বিষয়ে ৰাইজক সজাগ কৰিবলৈয়ে আজি নগাঁও জি এন ডি জি কমাৰ্চ কলেজৰ প্ৰেক্ষাগৃহত জিএনআৰচি হাস্পতালৰ দ্বাৰা এখনি সংবাদ মেলৰ আয়োজন কৰা হয়। মৃগীৰোগৰ সজাগতা সংবাদমেলৰ লগত সংগতি ৰাখি এটি কাৰ-ৰেলীৰো শুভাৰম্ভ কৰা হয়। জিএনআৰচি মেডিকেলৰ জ্যেষ্ঠ স্নায়ুৰোগ বিশেষজ্ঞ ডাঃ অমৃত ৰঞ্জন বৰুৱাই সাংবাদিকসকলক সম্বোধি জনায় যে, 'বিশ্বত ৫ কোটিতকৈ অধিক ব্যক্তি মৃগীৰোগত আক্ৰান্ত, আনহাতে ভাৰতত ১ কোটিতকৈ অধিক লোক মৃগীৰোগত আক্ৰান্ত। সমীক্ষা মতে, উত্তৰ পূৰ্বাঞ্চলত ৭ লাখ আৰু অকল অসমতে ৩ লক্ষাধিক লোক মৃগীৰোগত আক্ৰান্ত হৈছে। জিএনআৰচি হাস্পতালত বিগত ৩০ বছৰ ধৰি ৩১ হাজৰৰো অধিক মৃগীৰোগীক চিকিৎসা কৰা হৈছে। ইয়াৰে ভিতৰত কেৱল নগাঁও জিলাবেই ১২০০জন ব্যক্তিয়ে জিএনআৰচি হাস্পতালত চিকিৎসা গ্ৰহণ কৰি আছে। মৃগীৰোগৰ ৪০ টাতকৈও অধিক লক্ষণ আছে। এই লক্ষণসমূহৰ ভিতৰত হঠাতে কঁপনি উঠি অজ্ঞান হৈ পৰিব পাৰে, কোনো ধৰণৰ কঁপনি আদি নুঠাকৈ হঠাতে ঠাইতে জথৰ হৈ পৰিব পাৰে, হঠাতে চকুৰ আগত নানা ধৰণৰ পোহৰ আৰু বিভিন্ন ধৰণৰ ছবি দেখিব পাৰে, জিভাত কামোৰ খাব পাৰে, শৌচ-প্ৰস্ৰাব নিৰ্গত হ'ব পাৰে, হাত ভৰি আচাৰি কেইমিনিট মানৰ বাবে সংজ্ঞাহীন হৈ পৰে, চকু থৰ হৈ কেই চেকেণ্ডমানৰ বাবে সংজ্ঞাহীন হৈ পৰে, মুখেৰে গেঙনি বাহিৰ হয়, লেলাবতি ওলায়, স্বাস-প্ৰশ্বাস অস্বাভাবিক হয়, ৰক্তচাপৰ লগতে হৃদগতি বাঢ়ে, জিভা কামোৰ খাব পাৰে, হঠাতে গাটো জিকাৰ খাই উঠা, একেথৰে ৰ লাগি চাই থকা, কাণেৰে হঠাতে বিভিন্ন ধৰণৰ শব্দ শুনা আদি। প্ৰাপ্তবয়স্ক লোকৰ তুলনাত মৃগীৰোগত আক্ৰান্ত শিশু ৰোগীৰ সংখ্যা বেছি। অৰ্থাৎ অপৈনত অৱস্থাত মস্তিস্কত এই ৰোগৰ পাৰ্দুভাৱ বেছি। চিকিৎসকৰ লগতে সৰ্বসাধাৰণ ৰাইজে মৃগীৰোগৰ লক্ষণবোৰৰ বিষয়ে সহজতে জানিব পাৰিলে ৰোগীৰ চিকিৎসাও সোনকালে সম্ভৱ হ'ব। সাধাৰণতে ইইজি পৰীক্ষাৰ দ্বাৰা এই ৰোগ চিনাক্ত কৰিব পাৰি যদিও সকলো চিজাৰ ই ই জি পৰীক্ষাত ধৰা নপৰিবও পাৰে। যথোপযুক্ত পৰীক্ষা নিৰীক্ষা আৰু সঠিক দৰৱৰ দ্বাৰা ৭০ শতাংশ মৃগীৰোগ নিয়ন্ত্ৰণত ৰাখিব পাৰিব পৰা যায়। আনহাতে বাকী থকা ৩০ শতাংশ ৰোগীৰ ক্ষেত্ৰত আমি ভিডিঅ' ইইজি, এম আৰ আই আৰু নিউৰ চাইক'লজী মূল্যায়নৰ জৰিয়তে চিকিৎসা সংক্ৰান্তিয় পৰৱৰ্তী পদক্ষেপ সমূহ গ্ৰহণ কৰো। এই ৰোগত ৰোগীয়ে ল'বলগীয়া সাৱধানতা সমূহৰ ওপৰত ক'বলৈ গ'লে; চিকিৎসকৰ পৰামৰ্শৰ বা অনুমতিৰ অবিহনে কেতিয়াও দৰৱ বন্ধ কৰিব নালাগে। বহুলোকে ৰোগৰ লক্ষণ হ্ৰাস পালে বা বহুদিনলৈ চিজাৰ নহ'লে ৰোগৰ উপশম ঘটা বুলি দৰৱ এৰি দিয়ে, এনে কৰাটো বিপদজনক। আমাৰ সমাজত অজ্ঞানতাৰ বাবেই হওক বা ভ্ৰান্ত ধাৰণাৰ বাবেই হওক হঠাতে এই ৰোগৰ লক্ষণে দেখা দিলে পৰিয়াল, বন্ধু-বান্ধৱ তথা আন সাধাৰণ মানুহে কিংকৰ্তব্যবিমূঢ় হৈ মুখত চামুচ ভৰাই দিয়া, দাঁতে-দাঁতে লাগি ধৰিলে জোৰকৈ খুলিব বিচৰা, জোতা শুঙোৱাৰ লগতে এজাক মানুহে আঙুৰি লৈ এক হুলস্থুলিয়া পৰিবেশৰ সৃষ্টি কৰে। এনে সময়ত ৰোগীজনৰ ওচৰত অযথা ভিৰৰ সৃষ্টি নকৰি মুকলি বতাহ পোৱাকৈ সুবিধা কৰি দিব লাগে। কোনো ক্ষেত্ৰতে ৰোগীৰ মুখত চামুচ বা অন্য কোনো সামগ্ৰী মুখত ভৰাই দিব নালাগে। আটাইকেইখন জিএনআৰচি হাস্পতালতেই প্ৰতিটো সময়তে দক্ষ মৃগীৰোগীৰ বিশেষজ্ঞ, নিউৰ'চাইক 'লজিষ্ট, নিউৰ ফিজিঅ'লজিষ্ট, নিউৰ 'চাইক্ৰিয়াটিক, নিউৰ চাৰ্জন আটায়ে একগোট হৈ চিকিৎসা সেৱা আগবঢ়াই আহিছে। সংবাদমেলখনত জিএনআৰচি মেডিকেলৰ স্নায়ুৰোগ বিশেষজ্ঞ ডাঃ মৌচুমী বৰঠাকুৰে জনায় যে, পৃথিৱীৰ বিভিন্ন গুণী মানি ব্যক্তি যেনে নেপোলিয়ন বোনাপাৰ্ট, আলেকজেণ্ডাৰ, ছাৰ আইজাক নিউটন, জুলিয়াচ চিজাৰ, লেনিন, জাণ্টি ৰডছ, 'ডাংগল' ছবিৰ নায়িকা ফাটিমা ছানা শেখ, আমাৰ আটাইৰে হিয়াৰ আমঠু জুবিন গাৰ্গও মৃগীৰোগত আক্ৰান্ত হৈছিল। বেছিভাগ ক্ষেত্ৰতে দেখা যায় যে মৃগী ৰোগত আক্ৰান্ত ৰোগীৰ পাৰদৰ্শিতা আৰু প্ৰতিভা অন্য লোকতকৈ বেছি সক্ৰিয় আৰু তেওঁলোক প্ৰতিটো দায়িত্বৰ প্ৰতি অতি দায়বদ্ধ। মৃগীৰোগৰ প্ৰকৃত উৎপত্তি স্থল আৰু কাৰণ সঠিক ৰূপত চিনাক্ত হ'লে কৰিব পাৰিলেহে ৰোগী বিশেষে অস্ত্ৰোপচাৰৰ পৰামৰ্শ দিয়া হয়। অস্ত্ৰোপচাৰৰ দ্বাৰা দৰৱত নিয়ন্ত্ৰিত নোহোৱা ৫০ ৰ পৰা ৭০ শতাংশ মৃগীৰোগীক সুস্থ কৰি তুলিব পৰা যায়। বৰ্তমানেও জিএনআৰচিত অস্ত্ৰোপচাৰ হোৱা আটাইকেইগৰাকী ৰোগী সুস্থ হৈ আছে। মৃগীৰোগৰ ওপৰত থকা সমাজৰ ভ্ৰান্ত ধাৰণাসমূহ নাইকিয়া কৰি পৰিয়াল, আত্মীয় স্বজন তথা বন্ধু-বান্ধৱীয়ে ইতিবাচক চিন্তা-ধাৰাৰে ৰোগীগৰাকীৰ মনোবল বৃদ্ধি কৰাৰ লগতে চিকিৎসকে প্ৰদান কৰা ঔষধসমূহ যাতে ৰোগীয়ে নিয়মিতভাৱে সেৱন কৰে আৰু চিকিৎসকসকলৰ লগত নিয়মিত পৰীক্ষা নিৰীক্ষা কৰাত ৰোগীগৰাকীক উৎসাহিত কৰিব লাগে। লগতে ৰোগীগৰাকীয়েও যাতে আনৰ নেতিবাচক মতামতলৈ গুৰুত্ব নিদি নিজৰ লক্ষ্যত উপনীত হোৱাত মনোনিবেশ কৰে সেইটোৰ প্ৰতিও পৰিয়ালে লক্ষ্য ৰখা উচিত। চিকিৎসকৰ পৰা ৰোগীগৰাকীয়ে নিয়মিত পৰামৰ্শ লৈ থাকিলে মৃগীৰোগ নিয়ন্ত্ৰণত থকাৰ লগতে মনোবল বৃদ্ধি হোৱাত যথেষ্ট অৰিহণা যোগায়। আজিৰ এই সংবাদমেলত জিএনআৰচিৰ জ্যেষ্ঠ স্নায়ুৰোগ বিশেষজ্ঞ ডাঃ অমৃত ৰঞ্জন বৰুৱা, স্নায়ুৰোগ বিশেষজ্ঞ ডাঃ মৌচুমী বৰঠাকুৰ, নগাঁও বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ মৃগাংক শইকীয়া, জিএনআৰচি সহকাৰী মেনেজাৰ মামনি গোস্বামী সহ অনান্য ব্যক্তি সকল উপস্থিত থাকে।

**নিজৰ লগতে আনকো স্বাৱলম্বী কৰাৰ প্ৰয়াস**

# নাজিৰাৰ এগৰাকী ছাত্ৰীৰ বিশেষ প্ৰতিভাই সকলোকে কৰিছে আকৰ্ষণ

**অসম বাৰ্তা, গেলেকী, ৩০ নৱেম্বৰ ঃ** নাজিৰা সম-জিলাৰ অন্তৰ্গত এটি অঞ্চল, নাম বাউলী মৈদাম। নাজিৰা নগা আলিৰ কাষতে অৱস্থিত এই বাউলী মৈদামৰ নিবাসী পিতৃ পুতুল গগৈ আৰু মাতৃ জোনমণি গগৈৰ কন্যা জ্যোতিকা গগৈ। বৰ্তমান এগৰাকী কলেজীয়া ছাত্ৰী জ্যোতিকা গগৈ। বাউলী মৈদামৰ নিবাসী শিক্ষক পুতুল গগৈ আৰু গৃহিনী জোনমণি গগৈৰ কন্যা জ্যোতিকা গগৈৰ আছে এক বিশেষ প্ৰতিভা। পেলনীয়া বিভিন্ন সামগ্ৰীৰ পৰা বিভিন্ন বস্তু তৈয়াৰ কৰি নিজৰ লগতে আনকো স্বাৱলম্বী হোৱাৰ পথ দেখুৱাইছে ছাত্ৰী গৰাকীয়ে। বাউলী মৈদাম উচ্চ মাধ্যমিক বিদ্যালয়ত শিক্ষা জীৱন আৰম্ভ কৰি ক্ৰমে নাজিৰা উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয় উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ গড়গাঁও মহাবিদ্যালয়ৰ পৰা শিক্ষাতত্ত্ব বিভাগত অনাৰ্চ লৈ স্নাতক ডিগ্ৰী লাভ কৰে। জ্যোতিকা গগৈয়ে নৱম শ্ৰেণীত পঢ়ি থাকোঁতেই বাউলী মৈদাম উচ্চ মাধ্যমিক বিদ্যালয়ৰ বৰ্তমানৰ প্ৰধান শিক্ষক অচ্যুত কলিতা, সহঃশিক্ষয়িত্ৰী মিতালী গোস্বামী আৰু লাবণ্য দত্ত ফুকনৰ অনুপ্ৰেৰণাত ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহত অংশগ্ৰহণ কৰি "প্লাষ্টিকৰ আৱৰ্জনাৰ পৰা বিভিন্ন সামগ্ৰী প্ৰস্তুত" শীৰ্ষক প্ৰকল্প জিলা পৰ্যায়ত উপস্থাপন কৰিছিল। ইয়াৰ পাছৰেপৰা বিভিন্ন পেলনীয়া সামগ্ৰীৰ পৰা সজোৱা বস্তু, পুতলা আদি বিক্ৰী কৰি উপাৰ্জনৰ বাট মুকলি হয় জ্যোতিকাৰ। বৰ্তমান গড়গাঁও কলেজৰ অধ্যাপিকা ড° ৰিমঝিম বৰাৰ তত্ত্বাবধানত জ্যোতিকাই ৰাষ্ট্ৰীয় সেৱা নীতি চমুকৈ NSS ৰ জৰিয়তে যথেষ্টখিনি কৰ্ম অভিজ্ঞতা লাভ কৰাৰ লগতে নিজকে আগুৱাই নিবলৈ সক্ষম হৈছে আৰু এই কাম বহল ভিত্তিত কৰাৰ সুবিধা পাই আহিছে। বৰ্তমান "অক্ষৰ" ফাউণ্ডেচনৰ জৰিয়তে এই বিষয়ত বিভিন্ন বিদ্যালয়ত পেলনীয়া বস্তুৰ পৰা প্ৰয়োজনীয় সামগ্ৰী প্ৰস্তুত কৰাৰ ওপৰত প্ৰশিক্ষণ প্ৰদান কৰি আহিছিল। আনকি Unicef DISTRICT CHILDREN AND ADOLESCENT CELL, SIVSAGARৰ দ্বাৰা আয়োজন কৰা " The craft competition ত দ্বিতীয় পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হৈছিল ছাত্ৰী গৰাকীয়ে। ইয়াৰ উপৰিও পুতলা নাচৰ পুতলা নিৰ্মাণ কৰাতো পাৰ্গত আছিল জ্যোতিকা। অনাগত দিনত পঢ়াৰ লগতে আৰ্ট আৰু ক্ৰাফটত লগতে বাঁহৰ কাম শিকি, আন দহজনকো প্ৰশিক্ষণ দি স্বাৱলম্বী কৰোৱাৰ মন আছে বুলি মত প্ৰকাশ কৰে জ্যোতিকা গগৈয়ে।

# সপ্তম বাৰ্ষিক সদৌ অসম শিশু ভাওনা সমাৰোহ

**অসম বাৰ্তা, নিমাতীঘাট, ৩০ নৱেম্বৰ ঃ** ৰংদৈ দ-গাঁৱৰ যুৱক বৃন্দৰ উদ্যোগত আৰু দ-গাঁওবাসী ৰাইজৰ সহযোগত অহা ৪মাঘ, ১৮ জানুৱাৰীৰ পৰা ১০ মাঘ, ২৪ জানুৱাৰীলৈ সপ্তম বাৰ্ষিক সদৌ অসম শিশু ভাওনা সমাৰোহৰ আয়োজন কৰিছে। উদ্যোক্তামণ্ডলীৰ পৰা জানিব পৰা মতে ৰংদৈ দ-গাঁও বৰনামঘৰ ক্ষেত্ৰ (লবোৰাম শইকীয়া ৰাজহুৱা খেলপথাৰ)ত অনুষ্ঠিতব্য সমাৰোহত অসমৰ বিভিন্ন প্ৰান্তৰ ১১টা নাট্য দলে অংশ গ্ৰহণ কৰিব। ১৮ জানুৱাৰীত যদুমনি সাংস্কৃতিক গোষ্ঠী, চেনিজান, যোৰহাটে প্ৰদৰ্শন কৰিব ৰুক্মিনী হৰণ নাটক। ১৯ জানুৱাৰীৰ প্ৰথম নাট- অম্বাৰ দেহত্যাগ প্ৰদৰ্শন কৰিব বৰুৱা পুখুৰী, যোৰহাটৰ নাট্যদলে। দ্বিতীয় নাট - বিপ্ৰ দামোদৰ আখ্যান দন্ত বক্ৰৰ মুক্তি লাভ পৰিবেশন কৰিব জ্ঞানতৰু সন্মিলিত শিল্পী সমাজ, গোলাঘাটে। ২০ জানুৱাৰীত প্ৰথম নাট ধ্ৰুৱ চৰিত্ৰ পৰিবেশন কৰিব প্ৰয়াস সাংস্কৃতিক গোষ্ঠী, ফিলবাৰী, তিনিচুকীয়াই আৰু দ্বিতীয় নাট দুস্মন্ত শকুন্তলাৰ পুনৰ মিলন-পৰিবেশন কৰিব মুৰাৰী গড়েহগা আঞ্চলিক শিশু ভাওনা দল, উত্তৰ লক্ষ্মীমপুৰে। ২১ জানুৱাৰীত প্ৰথম নাটক- গৰুড়ৰ অমৃত হৰণ বিনতা দাসত্ব মোচন - পৰিবেশন কৰিব শংকৰ-মাধৱ শিল্পী সমাজ, বৰহোলাই আৰু দ্বিতীয় নাটক - দক্ষ যজ্ঞ পৰিবেশন কৰিব শ্ৰী বৎস শিল্পী সমাজ, নকছাৰীয়ে। ২২ জানুৱাৰীত প্ৰথম নাটক - শকুনিৰ প্ৰতিশোধ পৰিবেশন কৰিব - আলোক সমন্বয় সাংস্কৃতিক গোষ্ঠী, ভাদৈ পাচআলি, দুলীয়াজানে আৰু দ্বিতীয় নাটক - লক্ষ্মন বৰ্জন পৰিবেশন কৰিব- মধুসূদন শিল্পী সমাজ, শিমলুগুৰি, শিৱসাগৰে। ২৩ জানুৱাৰীত প্ৰথম নাট- শ্ৰীশ্ৰী ৰাম পৰাজয়, সীতা পাতাল গমন পৰিবেশন কৰিব নাটঘৰ, ডিমৌ সাংস্কৃতিক গোষ্ঠীয়ে আৰু দ্বিতীয় নাটক -ধ্ৰুৱ চৰিত্ৰ- পৰিবেশন কৰিব অভিনন্দন সাংস্কৃতিক গোষ্ঠী, ন সত্ৰ যোৰহাটে। ২৪ জানুৱাৰীত ৰংদৈ দ-গাঁও শিশু ভাওনা দলে পৰিবেশন কৰিব ভগৱত দৰ্শন নাট। উক্ত দিনাই ৰাতি ১০-০০ বজাত ভাওনাৰ ফলাফল ঘোষণাৰ লগতে বঁটা বিতৰণী সভা অনুষ্ঠিত হ'ব বুলি জানিব পৰা গৈছে। সভাপতি প্ৰফুল্ল বৰা আৰু যুটীয়া সম্পাদক ডিম্পল কলিতা আৰু প্ৰাঞ্জল কলিতাই উক্ত কেউটা দিনত ৰাইজৰ সহায়-সহযোগিতা কামণা কৰিছে।

**অভিযানত মুঠ ৮টা এলপিজি চিলিণ্ডাৰ জব্দ আৰু এখন ধাবা চীল**

# গোৱালপাৰাত খাদ্য, যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ আকস্মিক অভিযান ধাবাত

**অসম বাৰ্তা, গোৱালপাৰা, ৩০ নৱেম্বৰ ঃ** আজি গোৱালপাৰাৰ খাদ্য, ৰাজহুৱা যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগ আৰু পশ্চিম সমজিলা আয়ুক্তৰ কাৰ্যালয়ে আকস্মিক ভাৱে অভিযান চলাই এখন ধাবা চীল কৰি দিয়াৰ লগতে আন তিনিখন ধাবাত তালাচী চলায়। আজি গোৱালপাৰা পশ্চিম সমজিলা আয়ুক্তৰ কাৰ্যালয়ৰ সহকাৰী আয়ুক্ত ৰিষিৰাজ দাস আৰু খাদ্য, যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ পৰিদৰ্শক প্ৰীতম গোস্বামী আৰু ভৱেশ ৰায়ে আজি এই অভিযান চলায়। মূলতঃ এই ধাবাসমূহত ঘৰুৱা ৰন্ধন গেছৰ চিলিণ্ডাৰ ব্যৱহাৰ কৰি থকা আৰু প্ৰয়োজনীয় অনুজ্ঞা পত্ৰ থকা / নথকা বিষয়ত এই অভিযান চলোৱা হৈছে। অভিযান কালত "প্ৰিন্স ধাবা" নামৰ টুকুৰাৰ ধাবাখনৰ লগতে আন তিনিখন ধাবাৰ পৰা মুঠ ৮টা ঘৰুৱা ৰন্ধন গেছৰ চিলিণ্ডাৰ জব্দ কৰা হয়। প্ৰিন্স



নামৰ ধাবা খনৰ প্ৰয়োজনীয় ট্ৰেড লাইচেন্স নথকা, ঘৰুৱা ৰন্ধন গেছৰ চিলিণ্ডাৰ ব্যৱহাৰ, অস্বাস্থ্যকৰ পৰিৱেশ, অপৰিষ্কাৰ ৰন্ধন শালা আদিৰ বাবে উক্ত ধাবাখন আজি চীল কৰি দিয়া হৈছে। এল'পি'জি (যোগান আৰু বিতৰণ নিয়ন্ত্ৰণ) আদেশ, ২০০০ ৰ দফা নং ৩(১)(গ), ৪ (১)(ঙ) উলংঘা কৰাৰ লগতে অত্যাৱশ্যকীয় সামগ্ৰী আইন, ১৯৫৫ ৰ ৭ নং ধাৰা উলংঘা কৰাৰ বাবে বিভাগটোৰ ফালৰ পৰা এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

# বুৰুঙ্গা বাজাৰ হাইস্কুল পৰিদৰ্শন হোজাই জিলাৰ বিদ্যালয় পৰিদৰ্শকৰ



**অসম বাৰ্ত, ডবকা, ৩০ নৱেম্বৰ ঃ** আজি হোজাই জিলাৰ লংকা শিক্ষা খণ্ডৰ অন্তৰ্গত বুৰুঙ্গা বাজাৰ হাই স্কুল পৰিদৰ্শন কৰে বিদ্যালয় পৰিদৰ্শকে। হোজাই জিলাৰ বিদ্যালয় পৰিদৰ্শক ৰঞ্জন কুমাৰ ডেকা আহি উপস্থিত হয় বুৰুঙ্গা বাজাৰ হাই স্কুলত। বুৰুঙ্গা বাজাৰ হাইস্কুলত হোজাই জিলাৰ বিদ্যালয় পৰিদৰ্শক ৰঞ্জন কুমাৰ ডেকা উপস্থিত হৈ বিদ্যালয়ৰ শিক্ষকৰ উপস্থিতি, মধ্যাহ্ন ভোজন, পাঠদানকে ধৰি প্ৰতিটো বিষয়ত তন্ন তন্নকৈ জৰিপ কৰা দেখা পোৱা যায়। বুৰুঙ্গা বাজাৰ হাই স্কুলৰ শিক্ষকৰ উপস্থিতি, মধ্যাহ্ন ভোজন, পাঠদান নিয়াৰিকৈ চলাৰ উপৰিওঁ চৰকাৰী ধন সঠিক ৰূপত ব্যৱহাৰ হোৱা দেখি বিদ্যালয় পৰিদৰ্শক ৰঞ্জন কুমাৰ ডেকাই প্ৰধান শিক্ষক আফজল হুছেইনসহ বিদ্যালয়ৰ সহ শিক্ষকৰ লগতে বিদ্যালয় পৰিচালনা কমিটিক প্ৰেৰণা সূচক মন্তব্যৰে উৎসাহিত কৰে। ইয়াৰোপৰি বিদ্যালয় পৰিদৰ্শক ৰঞ্জন কুমাৰ ডেকাই বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ লগত বিদ্যালয় সম্পৰ্কে বাৰ্তালাভ কৰি ইতিবাচক খবৰ লাভ কৰিছে বুলি কয়। উল্লেখ্য যে, এন ই পি ২০২০ অনুসৰি প্ৰতিখন হাইস্কুল ছিনিয়ৰ ছেকেণ্ডাৰী স্কুললৈ ৰূপান্তৰিত হ'ব লাগে। সেই হিচাপে হোজাই জিলাৰ বিদ্যালয় পৰিদৰ্শকে বুৰুঙ্গা বাজাৰ হাই স্কুল কম সময়ৰ ভিতৰতে ছিনিয়ৰ ছেকেণ্ডাৰী স্কুললৈ ৰূপান্তৰিত হ'ব বুলি আশ্বাস দিয়ে। লগতে বুৰুঙ্গা বাজাৰ হাই স্কুলৰ নিৰ্মীয়মান Integrated Maths & Science Laboratoryৰ বুজ লয় বিদ্যালয় পৰিদৰ্শকে। ইপিনে বুৰুঙ্গা বাজাৰ কমিটিৰ বিষয়ববীয়াৰ সৈতে বিদ্যালয় পৰিদৰ্শক ৰঞ্জন কুমাৰ ডেকাৰ কথোপকথনৰ মুহূৰ্তত বুৰুঙ্গা বাজাৰ কমিটিয়ে ফুলাম গামোচাৰে আদৰণি জনায় ৰঞ্জন কুমাৰ ডেকাক। লগতে বিদ্যালয় পৰিদৰ্শক ৰঞ্জন কুমাৰ ডেকাই বুৰুঙ্গা বাজাৰ কমিটিক কয়- বিদ্যালয়ৰ আশে-পাশে ধঁপাত জাতীয় সামগ্ৰী যাতে বিক্ৰী কৰা নহয় তাৰ বাবে চুকা নজৰ ৰাখিব। বিদ্যালয়ৰ পাঠদানত উচ্চ স্তৰৰ শব্দই যাতে ব্যাঘাত নজন্মাই তাৰ প্ৰতি লক্ষ্য ৰাখিবলৈ বুৰুঙ্গা বাজাৰ কমিটিক আহ্বান জনায়।

# তিনিচুকীয়া জিলা আয়ুক্তৰ গাঁও উন্নয়ন আঁচনিৰ কামৰ পৰ্যালোচনা

**ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ৩০ নৱেম্বৰ ঃ** তিনিচুকীয়া জিলাৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনত চলি থকা বিভিন্ন আঁচনিৰ লগতে সাংসদ আৰু বিধায়কৰ স্থানীয় উন্নয়ন পুঁজি, আছুতীয়া পুঁজি, অসম আদৰ্শ গ্ৰাম যোজনা, অসম দৰ্শন আদি আঁচনিৰ কামৰ অগ্ৰগতিৰ শুকুৰবাৰে জিলা আয়ুক্ত স্বপ্নীল পালে পৰ্যালোচনা কৰে। এই উপলক্ষে জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এখন সভাত জিলা উন্নয়ন আয়ুক্ত জাভেদ আৰমানৰ উপৰি সকলো সম-জিলা আয়ুক্ত, খণ্ড উন্নয়ন বিষয়াসকল, জ্যেষ্ঠ পৰিকল্পনা বিষয়া আদি উপস্থিত থাকে। সভাত প্ৰতিখন আঁচনিৰ বিষয়ে পাৱাৰ পইণ্ট প্ৰেজেণ্টেচনৰ জৰিয়তে পৰ্যালোচনা চলোৱা হয়। জিলা আয়ুক্তই সকলো চলিত আঁচনিৰ কাম অতি শীঘ্ৰে আৰু সঠিকভাৱে সম্পূৰ্ণ কৰাৰ নিৰ্দেশ দিয়ে।

# চামগুৰিৰ গৰুমৰাত পথ দুৰ্ঘটনাত এগৰাকী মহিলাৰ মৃত্যু

**অসম বাৰ্তা, পুৰণিগুদাম, ৩০ নৱেম্বৰ ঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অধীনৰ শিৰস্থান আৰক্ষী চকীৰ অন্তৰ্গত গৰুমৰা অঞ্চলত আজি বিয়লি সংঘটিত হোৱা এক পথ দুৰ্ঘটনাত এগৰাকী বৃদ্ধা থিতাতে নিহত হয়। জানিব পৰা মতে, শিৰস্থান আৰক্ষী চকীৰ অন্তৰ্গত গৰুমৰা অঞ্চলৰ এটা পথত আজি বিয়লি লুনি দাস নামৰ বৃদ্ধা মহিলাগৰাকীয়ে খোজকাঢ়ি গৈ থকা অৱস্থাত এখন তীব্ৰবেগী বাইকে মহতিয়াই নিয়ে। ফলত মহিলাগৰাকী থিতাতে নিহত হয়। পৰৱৰ্তী সময়ত ঘটনাস্থলীত শিৰস্থান আৰক্ষী চকীৰ আৰক্ষী আৰক্ষী উপস্থিত হৈ পথ দুৰ্ঘটনাত নিহত হোৱা মহিলাগৰাকীৰ মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও মেডিকেল কলেজ আৰু হাস্পতাললৈ প্ৰেৰণ কৰে বুলি জানিব পৰা গৈছে। আনহাতে, পথ দুৰ্ঘটনাত নিহত হোৱা মহিলা গৰাকীৰ ঘৰ গৰুমৰা অঞ্চলত বুলি জানিব পৰা গৈছে।

# ৰূপহীহাটৰ ঔঅনাত বুজন পৰিমাণৰ গাঞ্জাসহ গ্ৰেপ্তাৰ ২

**অসম বাৰ্তা, ৰূপহীহাট, ৩০ নৱেম্বৰ ঃ** ৰূপহীহাটত নিচা জাতীয় সামগ্ৰীৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান অব্যাহত আছে। আজি পুৱাৰ ভাগত ৰূপহীহাট আৰক্ষী থানাৰ বিষয়া সঞ্জিত কুমাৰ ৰয়ে এক গোপন সূত্ৰৰ পম খেদি ৰূপহীহাটৰ ঔঅনাত গাঞ্জাৰ বিৰুদ্ধে চলাই অভিযান। আৰক্ষীৰ অভিযানত বুজন পৰিমাণৰ গাঞ্জাসহ গ্ৰেপ্তাৰ কৰে দুই গাঞ্জা সৰবৰাহকাৰীক। ধৃত সৰবৰাহকাৰী দুটা হ'ল গগণ চৰণ আৰু কৰ্ন দাস। আৰক্ষীয়ে জব্দ কৰা গাঞ্জা খিনিৰ ওজন প্ৰায় ১৮ কেজি ৪৫০ গ্ৰাম। গাঞ্জা সৰবৰাহকাৰী দুটাই কোচবিহাৰ পৰা গাঞ্জাখিনি আনিছিল। আজি পুৱাৰ ভাগত এএছ-০২-ইচি-১৯৩৯ নম্বৰৰ এখন ই-ৰিস্কাৰে ৰূপহী লৈ বিক্ৰীৰ বাবে আহি থকাৰ সময়তে ঔঅনাত ৰূপহীহাট আৰক্ষীৰ জালত পৰে। ৰূপহীহাট আৰক্ষীয়ে ধৃত সৰবৰাহকাৰী দুটাক অধিক তথ্যৰ বাবে জেৰা অব্যাহত ৰাখিছে।

**বঙাইগাঁৱত থাকি চক্ৰ বিষয়াই তদাৰক কৰে সকলো কাম**

# সৃজনগ্ৰাম ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত দিনৰ এঘাৰ বজা পৰ্যন্ত উপস্থিত নহয় কোনো বিষয়া কৰ্মচাৰী

**অসম বাৰ্তা, অভয়াপুৰী, ৩০ নৱেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই চৰকাৰী কাৰ্যালয় সমূহত বিষয়া কৰ্মচাৰী উপস্থিতি নিয়মীয়া কৰাৰ কাৰণে যিমানেই প্ৰচেষ্টা নচলাওক কিয় বাস্তৱত যে সেই প্ৰচেষ্টাই একো কাম দিয়া নাই সেই কথা প্ৰতীয়মান কৰিছে অভয়াপুৰীস্থিত সৃজনগ্ৰাম ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়টোৰ বিষয়া কৰ্মচাৰীয়ে। সৃজনগ্ৰাম ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত দিনৰ এঘাৰ বজা পৰ্যন্ত এজনো মণ্ডল, এজনো কৰ্মচাৰী নথকাৰ লগতে খোদ বিষয়া ৰাজহ চক্ৰ বিষয়া গৰাকীৰো উপস্থিতি অনিয়মীয়া বুলি অভিযোগ তুলিছে সদৌ অসম কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ কাৰ্যকৰী সভাপতি কমল সৰকাৰে। উল্লেখ্য যে কালি দিনৰ ১০ঃ৫০ মান বজাত আক্ৰাছু নেতা গৰাকী গৈছিল সৃজনগ্ৰাম ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়লৈ। কিন্তু সেই সময়ত কাৰ্যালয়টোত ৰাজহ চক্ৰ বিষয়া জয়ন্ত চক্ৰৱৰ্তী সহ এজনো লাট মণ্ডল বা কাৰ্যালয়টোত কৰ্মৰত এজনো কৰ্মচাৰী উপস্থিত নাছিল। সেই বিষয়টোত তেওঁ উদ্বেগ প্ৰকাশ কৰি সামাজিক মাধ্যম যোগেদি ক্ষোভ ব্যক্ত কৰে। তেওঁ আপলোড কৰা এক ভিডিঅ চৌদিশে ভাইৰেল হৈ পৰে আৰু অধিকাংশ ৰাইজে কাৰ্যালয়টোৰ বিষয়া কৰ্মচাৰীৰ অনুপস্থিতিৰ বিষয়টো লৈ ইতিকিং কৰে। ইপিনে সংবাদ মাধ্যমৰে হোৱা কথোপকথন আক্ৰাছু নেতা কমল সৰকাৰে অভিযোগ কৰি কয় যে দালালৰাজৰ বিৰুদ্ধে মাত মাতি থকা ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বতাধীন বিজেপি চৰকাৰখনে চেষ্টা কৰাৰ বিপৰীতে কাৰ্যত কিছুমান কাৰ্য ওলোটা হে হোৱা দেখা গৈছে। অভিযোগ মৰ্মে সৃজনগ্ৰাম ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত কৰ্মৰত লাট মণ্ডল সকলৰ ভিতৰত অধিকাংশই ব্যক্তিগতভাৱে ৰাখিছে একো একোজন সহকাৰী লোক। সেই ব্যক্তি সকলে হে কম্পিউটাৰত কাম কৰাৰ পৰা আৰম্ভ কৰি সকলোবোৰ কাম কৰে বা আগভাগ লয় বুলি অভিযোগ আছে। ইপিনে ৰাইজে যদি লাট মণ্ডল সকলক বিচাৰি কাৰ্যালয়লৈ যায় তেতিয়া প্ৰায়ে মণ্ডল সকলে ফিল্ডত থকা বুলি কয়। আচলতে তেওঁলোক ফিল্ডতে থাকে নে ঘৰত বহি জিৰণি লৈ থাকে সেইটোও এক প্ৰশ্নৰ বিষয়। অনবৰত ৰাইজক যিকোনো কামৰ বাবে তাঁতবাটি কৰাই ভাল পোৱা কাৰ্যালয়টোত ক্ৰমান্বয়ে অৰাজকতাৰ সৃষ্টি হ'বলৈ আৰম্ভ কৰিছে। স্মৰ্তব্য যে আক্ৰাছু নেতা গৰাকীয়ে যোৱা ১১ নৱেম্বৰত ঘৰুৱা মাটিৰ বাটোৱাৰা কৰিবৰ কাৰণে আবেদন দিছিল। তাৰ পাছত তেওঁ ১০ দিন মান পাছত বাটোৱাৰাৰ খবৰ লবলৈ যায় কিন্তু সেই দিনা সংশ্লিষ্ট মহলে তেওঁৰ আবেদনপত্ৰখন হেৰাই যোৱা বুলি কোৱাত তেওঁ পুনৰ এখন আবেদনপত্ৰ জমা দিয়ে আৰু আজি সেই কামটোৰ বাবে (ব্যক্তিগত কাম) কাৰ্যালয়টোত যোৱাত কাৰ্যালয়টোত কাকো দেখা নাপাই সামাজিক মাধ্যম যোগে প্ৰচাৰ কৰি ক্ষোভ উজাৰে। তেওঁ সংবাদ মাধ্যমৰ আগত দাবী কৰি কয় যে প্ৰত্যেকজন মণ্ডলে দিনৰ ১ বা ২ দুই বজালৈ কাৰ্যালয়ত কাম কৰি পৰৱৰ্তী সময়খিনিত ফিল্ডত কাম কৰিব পাৰে। ইয়াৰ উপৰি কোন কামৰ বাবে কিমান মান সময় লাগে সেইটোকো ৰাজহুৱা ভাৱে সদৰী কৰিবৰ বাবে কাৰ্যালয়টোত এখন তালিকা দিব লাগে। তেতিয়াহে ৰাইজে আবেদন কৰাৰ পাছত নিৰ্দিষ্ট দিনাখন বা তাৰপাছত আহিব পাৰিব। এই কাম কৰিলে লাট মণ্ডল, বিষয়া কৰ্মচাৰীৰো ভাল হ'ব আৰু ৰাইজয়েও তাঁতবাটি কঢ়াৰ দৰে সঘনাই কাৰ্যালয়টোত আহযাহ কৰাৰ বিপৰীতে নিৰ্দিষ্ট দিনত কাৰ্যালয়ত আহি কাম কৰিব পাৰিব। আনহাতে সৃজনগ্ৰাম ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত এজনো বিষয়া, কৰ্মচাৰী চৰকাৰী সময় সূচী মতে উপস্থিত নথকাৰ বিষয়টোৰ বাবে অভয়াপুৰী সম জিলা প্ৰশাসনে এক তদন্তৰ নিৰ্দেশ আৰু অভয়াপুৰী সম জিলা কাৰ্যায়লৰো দুজন কৰ্মচাৰীক কাৰণ দৰ্শোৱাৰ জাননী প্ৰেৰণ কৰিছে বুলি জানিব পৰা গৈছে। অভিযোগ উঠা মতে ৰাজহ চক্ৰটোৰ চক্ৰ বিষয়া গৰাকী বঙাইগাঁৱত থাকি কাৰ্যালয়ৰ কাম কাজ চলায়। বহুক্ষেত্ৰত মাটিৰ লীজ, এন অ চিৰ বৈধ কাম কাজো নিৰ্ধাৰিত সময়ৰ ভিতৰত নকৰে আৰু একে ধৰণৰ কামৰ বাবে ভিন্ন ভিন্ন নীতি প্ৰয়োগ কৰি বিভিন্ন কাগজ পাতি বিচৰাৰো অভিযোগ আছে। অন্যপিনে সম্প্ৰতি একাংশ মণ্ডলে পি এম কিষাণৰ বাবে ফিল্ডত ব্যস্ত থকাৰ কাৰণে সময়মতে কাৰ্যালয়ত উপস্থিত নথকা বুলি আত্ম পক্ষ সমৰ্থন কৰে।

# হাজো- ৰামদিয়া আৰক্ষীৰ তৎপৰতাত বিদ্যালয়ৰ চুৰি সামগ্ৰী উদ্ধাৰ

**অসম বাৰ্তা, হাজো, ৩০ নৱেম্বৰ ঃ** হাজো আৰক্ষী থানাৰ পৰিদৰ্শক ৰূপম হাজৰিকা আৰু ৰামদিয়া আৰক্ষী চকীৰ আৰক্ষী বিষয়া অনুপম শইকীয়াৰ তৎপৰতাত ৪৮ঘণ্টা নৌহওতেই এক বিশাল পৰিমাণৰ চুৰি সামগ্ৰী সহ আটক কৰিবলৈ সক্ষম হয় দুই গভাইত চোৰ। ঘটনাৰ বিৱৰণ অনুসৰি হাজোৰ ৰামদিয়া আৰক্ষী চকীৰ অন্তৰ্গত ক্ষেত্ৰীহাৰদিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা যোৱা ২৬ নৱেম্বৰৰ নিশা দুটা কম্পিউটাৰ, এটা লেপটপ, পানীৰ মটৰ এটা, পিতলৰ টো সহ প্ৰায় ন বিধ মূল্যবান সামগ্ৰী চুৰি হৈছিল। এই সংক্ৰান্তত বিদ্যালয় খনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ গৰাকীয়ে ৰামদিয়া আৰক্ষী চকীত এখন এজাহাৰ দাখিল কৰে। বিদ্যালয়ৰ অধ্যক্ষ গৰাকীৰ এজাহাৰৰ ভিত্তিত হাজো আৰু ৰামদিয়া আৰক্ষীয়ে তাংক্ষণিকভাৱে এক অভিযান আৰম্ভ কৰে। এক গোপন সূত্ৰৰ পম খেদি এই ঘটনাৰ লগত জড়িত দামপুৰৰ ছামচুল হক(৩২)ক আৰক্ষীয়ে সোধপোছ আৰম্ভ কৰে আৰু তেওঁৰ পৰা লাভ কৰা তথ্যৰ ভিত্তিত চাংসাৰীৰ ১নং জালাহৰ বামুণীগাৱৰ পৰা চুৰি সামগ্ৰী ক্ৰয় কৰা ৰিজুল আলী(৩৫)নামৰ আন এজন যুৱকক বিদ্যালয়খনৰ পৰা চুৰি হোৱা সামগ্ৰী সহ আটক কৰিবলৈ সক্ষম হয়। এখন অট'ভেনত বিদ্যালয়খনৰ পৰা চুৰি কৰা সামগ্ৰীখিনি লৈ যোৱা হৈছিল চাংসাৰীৰ ৰিজুল আলী নামৰ লোকজনৰ ঘৰত। সম্প্ৰতি দুয়োজন যুৱকক আৰক্ষীয়ে নিজৰ জিম্মাত ৰাখি অনুসন্ধান অব্যাহত ৰাখিছে। উল্লেখ্য যে হাজো আৰু ৰামদিয়া আৰক্ষীৰ এই তৎপৰতাক বিদ্যালয় কৰ্তৃপক্ষ তথা স্থানীয় ৰাইজে ভূয়সী প্ৰশংসা কৰিছে।

# তিনিচুকীয়াত "আপোনাৰ পুজি আপোনাৰ অধিকাৰ" বিষয়ক সজাগতা শিবিৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ৩০ নৱেম্বৰ ঃ** বেংক, বীমা, মিউছুৱেল ফাণ্ড আদিত জমা থকা অনাদায় পুঁজি গ্ৰাহকে ঘূৰাই পোৱাটো নিশ্চিত কৰাৰ বাবে শুকুৰবাৰে তিনিচুকীয়া জিলা পৰিষদৰ সভাকক্ষত এটি এদিনীয়া শিবিৰ অনুষ্ঠিত হয়। জিলা বেংক সমিতিৰ উদ্যোগত আয়োজিত এই শিবিৰ জিলা উন্নয়ন আয়ুক্ত জাভেদ আৰমানে আনুষ্ঠানিকভাৱে মুকলি কৰে। অনুষ্ঠানত জিলাখনৰ প্ৰায়বোৰ ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডৰ বেংক আৰু বীমা প্ৰতিষ্ঠানৰ প্ৰতিনিধিৰ উপৰিও ইয়াৰ গ্ৰাহক ৰাইজেও অংশগ্ৰহণ কৰে। এই শিবিৰ উপলক্ষে মুকলি কৰা কাউণ্টাৰৰ জৰিয়তে বৃহৎ সংখ্যক অনাদায় হৈ থকা একাউণ্ট আৰু বীমা সংক্ৰান্তিয় দাবী নিষ্পত্তি কৰি প্ৰমাণ পত্ৰ প্ৰদান কৰা হয় বুলি জিলাৰ অগ্ৰণী বেংক প্ৰবন্ধকে ৰাজেশ পালে জানিবলৈ দিছে। উল্লেখযোগ্য যে, কেন্দ্ৰীয় চৰকাৰৰ বিত্ত মন্ত্ৰণালয়ৰ নিৰ্দেশ ক্ৰমে ৰাইজৰ সুবিধাৰ্থে "আপোনাৰ পুজি আপোনাৰ অধিকাৰ" শীৰ্ষক এই চতুৰ্থ লানি শিবিৰ ৰাজ্যৰ সকলো জিলাতে অনুষ্ঠিত হৈ আছে আৰু ৩০ নৱেম্বৰত ইয়াৰ সামৰণি পৰিব।

# চানা বিক্ৰীৰে পেট প্ৰৱৰ্তাইছে এসময়ৰ সুদক্ষ ৰাজ্যিক বাস্কেটবল খেলুৱৈ নগাঁৱৰ কাঞ্চন সাহাই

## চৰকাৰলৈ সহায় বিচাৰি কাতৰ আহ্বান কাঞ্চনৰ



**নগাঁৱৰ পৰা দ্বীপেন শইকীয়াৰ প্ৰতিবেদন, অসম বাৰ্তা, ১ ডিচেম্বৰ ঃ** আজিৰ পৰা প্ৰায় ৩২-৩৩ বছৰৰ আগতে যুৱক জনৰ বাবে একমাত্ৰ বাস্কেট বলটোৱে আছিল সকলো সুখ-দুখৰ সংগী। এসময়ত এই বাস্কেট বলটো হাতত লৈয়ে বিশ্বজয়ৰ সপোন পুহি ৰাখিছিল যুৱকজনে। মনত তেওঁ ভিতৰি ভিতৰি আন এটা সপোন পুহি আছিল, সেইটো আছিল অলিম্পিকৰ মেজিক জনছন হোৱাৰ। কেৱল বাস্কেট বলটোতেই লুকাই আছিল যুৱক জনৰ বহু আশা-আকাংক্ষা। আৰু ক'ত যে দুৰাকাংক্ষা! এইদৰেই এদিন বাস্কেট বলটোৱেই তেওঁক লৈ যাব এছিয়ান গেমছ অথবা অলিম্পিকৰ মজিয়ালৈ। যেন বাস্কেট বলটোৱেই এদিন হাঁহি বিৰিঙাই তুলিব অভাৱ-আকালত নিমজ্জিত নিঃকিন পৰিয়ালটোৰ প্ৰতিজন সদস্যৰ মুখত। পিতৃ-মাতৃয়ে আজীৱন কৰি অহা কষ্টবোৰ যেন নতুন প্ৰজন্মৰ কোনেও কৰিব নালাগে। কিন্তু যুৱকজনৰ সেই সকলো আশা-আকাংক্ষা আজি এক মৰিচীকাত পৰিণত হ'ল যুৱকজনৰ বাবে। বহু আশা-আকাংক্ষাৰ সপোন দেখা সেই সুদক্ষ বাস্কেটবল খেলুৱৈ জনেই হ'ল নগাঁও চহৰত আজি চানা বিক্ৰী কৰি পেট প্ৰৱৰ্তোৱা কাঞ্চন সাহা। নগাঁও চহৰৰ নতুন বজাৰৰ সমীপত অৱস্থিত এটি ঘৰত বৃদ্ধ পিতৃ-মাতৃ-ভাতৃ-তিনি গৰাকী ভগ্নীৰে দীৰ্ঘদিনৰ পৰা বাস কৰিছ আহিছিল কাঞ্চন সাহাই। তেতিয়াই তেওঁৰ দেউতাকে নতুন বজাৰত লৈছিল এটা সৰু দোকান গৃহ ভাড়ালৈ বুলি। সেই সময়ত দৈনিক পুৱা ৫ঃ৩০ বজাত শোৱাপাতিৰ পৰা উঠিয়েই প্ৰায় এক কিলোমিটাৰ জগিং কৰি নগাঁৱৰ নুৰুল আমিন ষ্টেডিয়াম পাইগৈ। তাতে তেওঁ দুঘণ্টা-আঢ়ৈ ঘণ্টা অনুশীলন কৰে বাস্কেট বলৰ। পিছত ৮-৮ঃ৩০ মান বজাত ষ্টেডিয়ামৰ পৰা উভতি আহি নতুন বজাৰৰ এখন নিৰ্দিষ্ট গেলামালৰ দোকানৰ পৰা মটৰ, বাদাম, চিৰা, মগু, পিয়াজ, নিমখ, মিঠাতেল আদি সামগ্ৰী সমূহ কিনি আনে। সেই সামগ্ৰী সমূহ চালি জাৰি পৰিষ্কাৰ কৰাৰ লগতে আগৰাতি তিয়াই থোৱা বুট মগু মটৰ সমূহ ঠিকঠাক কৰাত ব্যস্ত হৈ পৰে। পূৰ্বতে এই কাৰ্য্যত কাঞ্চনৰ মাতৃয়ে সহায় কৰিছিল যদিও ১৯৯১ চনত মাতৃৰ মৃত্যুৰ পিছত এইসমূহ কাম কাঞ্চনে নিজেই কৰিবলৈ বাধ্য হয়। সেইদৰে, প্ৰতিদিনে কাঞ্চনে গা-পা ধুই ইকানে সিকানে মুখত কিবা এমুঠি লৈয়ে মূৰত চানাৰ গ-াছেৰে আৰু বাকছটো লৈ ওলায় যায় নগাঁৱৰ সেই সময়ৰ জনপ্ৰিয় টকিজ "কৃষ্ণা চিনেমা হল"লৈ বুলি। তেতিয়া কৃষ্ণা চিনেমা হলত এক বজাত আৰম্ভ হয় মেটিনী শ্ব'। চিনেমা আৰম্ভ হোৱাৰ পিছতে সুবিধা বুজি ঘৰলৈ গৈ ৰান্ধি বাহি কাঞ্চনে খাই আহে এসাজ ভাত। আকৌ ঠিক চাৰি বজাৰ প্ৰথম শ্ব' আৰম্ভণিৰ পিছতে পুনৰ কাঞ্চন ধাপলি মেলে নুৰুল আমিন ষ্টেডিয়ামত বাস্কেট বল খেলিবলৈ বুলি। সন্ধিয়া ৬ বজাৰ লগে লগে কাঞ্চন পুনৰ ঘূৰে আহে কৃষ্ণা চিনেমা হললৈ। কাৰণ ৭ বজাত আৰম্ভ হয় দ্বিতীয় শ্ব'। নিশা ৯ঃ৩০ বজালৈকে কাঞ্চনে তেতিয়া কৃষ্ণা চিনেমা হলত চানা বিক্ৰী কৰে। এনদৰে দীৰ্ঘদিনৰ পৰা কৃষ্ণা চিনেমা হলৰ কাষত চানা বিক্ৰী কৰি অহা কাঞ্চন সাহাক বহুতেই চিনিপাই যদিও বহুতেই আকৌ নাজানে যে তেওঁ এজন ৰাজ্যিক পৰ্যায়ৰ সুদক্ষ বাস্কেট বল খেলুৱৈ। ১৯৭২ চনত নগাঁৱৰ চহৰৰ নতুন বজাৰত জন্ম গ্ৰহণ কৰা কাঞ্চনে ১৯৭৭ চনত নগাঁৱৰ মাৰোৱাৰী হিন্দী হাইস্কুলত নাম ভৰ্ত্তি কৰাৰ পিছত ১৯৮১-৮২ চনত উক্ত বিদ্যালয়ত পঞ্চম শ্ৰেণীত পঢ়ি থকা সময়তে বাস্কেটবল খেলাৰ প্ৰতি অধিক আকৰ্ষিত হৈ পৰে কাঞ্চন সাহা। তাৰ পিছতে জিলা ভিত্তিত অনুষ্ঠিত গ্ৰাম্য বাস্কেটবল প্ৰতিযোগিতাত গ্ৰাম্য দলৰ খেলুৱৈৰূপে অংশগ্ৰহণ কৰে কাঞ্চনে। ১৯৮৬-৮৭ চনত প্ৰথমবাৰলৈ জিলা দলত খেলিবলৈ সুবিধা পোৱা কাঞ্চনে ১৯৮৮ চনত প্ৰথমবাৰলৈ ৰাজ্যিক দলৰ জাৰ্ছী প্ৰথমবাৰলৈ পিন্ধে নতুন দিল্লী অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় জুনিয়ৰ বাস্কেটবল প্ৰতিযোগিতাত। তাৰ পিছতে ১৯৮৯ চনত কাঞ্চনে ৰাজ্যিক দলৰ হৈ একেৰাহে বাস্কেটবলৰ ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি আহিছে। ইয়াৰ উপৰি ১৯৯০ চনত বাংগালোৰত অনুষ্ঠিত ৰাষ্ট্ৰীয় যুৱ ক্ৰীড়াত অসমৰ পৰা প্ৰতিনিধিত্ব কৰে কাঞ্চনে। ইয়াৰ পৰৱৰ্তি সময়ত কাঞ্চনে জিলা আৰু ৰাজ্যিক দলৰ হৈ দেশৰ বিভিন্ন প্ৰান্তত অনুষ্ঠিত হোৱা বাস্কেটবল প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি আহিছে। নগাঁও মাৰোৱাৰী হিন্দী হাইস্কুলৰ পৰা মেট্ৰিক পাছ কৰিয়েই ১৯৯১ চনত নগাঁও মহাবিদ্যালয়ত উচ্চতৰ মাধ্যমিকৰ দ্বিতীয় বৰ্ষত অধ্যয়নৰত অৱস্থাতে পৰিয়ালৰ আৰ্থিক দুৰৱস্থাৰ বাবে আধাতে পঢ়া সামৰিব লগা হোৱা কাঞ্চনে চানা বিক্ৰী কৰি তেতিয়া তেওঁৰ পিতৃ সহীতে তিনি জনি ভগ্নী, এজন ভাতৃ সহ ছজনিয়া পৰিয়ালটোৰ লগতে অবিৰত সংগ্ৰাম চলোৱাৰ মাজতে কি ধৈৰ্য্য, দৃঢ়তা আৰু একাগ্ৰতাৰে তেওঁ খেলা ধূলাও চলাই নিব পাৰে তাক প্ৰমাণ কৰি দেখোৱাইছিল। পূৰ্বৰ অসমৰ কেইবাজনো মুখ্যমন্ত্ৰীক বহুবাৰ আবেদন নিবেদন কৰিছিল এটা সৰু সৰা হলেও চৰকাৰী চাকৰিৰ বাবে। কিন্তু তাৰ কোনো সুফল লাভ নকৰিলে কাঞ্চনে। অসম বাস্কেটবল সন্থাই ও বহুবাৰ তেওঁক গুৱাহাটীলৈ মাতি নিছিল। কিন্তু তাৰ পৰাও কোনো ফলপ্ৰসূ সহাৰী লাভ নকৰিলে সুদক্ষ বাস্কেটবল খেলুৱৈ কাঞ্চন সাহাই। এনেদৰে গুৱাহাটীলৈ বুলি তাতবাতি কৰি তেওঁৰ খৰচো দুগুণে যায় ইফালে আকৌ গুৱাহাটীলৈ বুলি যাওঁতেই দিনত চানাৰ দোকান বন্ধ কৰিলেও নিশা আকৌ ভাতৰ চৰুলৈ বুলি জুই নিৰায়েই চিন্তা হয় কাঞ্চন কাৰণে। সুদক্ষ বাস্কেটবল খেলুৱৈ কাঞ্চন সাহাই এই প্ৰতিবেদকৰ আগত জনোৱা মতে, অসমত বাস্কেটবল খেলি কেৰিয়াৰ গঢ় দিব নোৱাৰি। তদুপৰি ৰাজ্য চৰকাৰে অসমৰ বাস্কটবল খেলুৱৈক যথোপযুক্ত গুৰুত্ব প্ৰদান কৰা দেখা নাই। বাস্কেটবলক অসমৰ ক্ৰীড়া প্ৰাধীকৰণেও কোনো গুৰুত্ব দিয়া আজি দেখিবলৈ পোৱা। এইক্ষেত্ৰত বৰ্তমানৰ ৰাজ্য চৰকাৰে নতুন পদক্ষেপ গ্ৰহণ কৰিলে উঠি অহা প্ৰজন্মই বাস্কেটবলক আদৰি লব। আমি ৰাজ্যিক জিলা পৰ্যায়ত খেলিও আজিকোপতি চৰকাৰৰ পৰা কোনো সুবিধা লাভ নকৰিলো। সেই য়ে ২০১৬ চনত মৃত্যু হোৱা পিতৃৰ দৰেই এতিয়া কাঞ্চনে চানা বিক্ৰী কৰি পেট প্ৰৱৰ্তন কৰিব লগা হৈছে। তিনি গৰাকী কনিষ্ঠ ভগ্নী তথা এজন ভাতৃৰ ভৱিষ্যতৰ কথা চিন্তা কৰি নিজে আজিও এজন অবিবাহিত যুৱক ৰূপে থাকি কাঞ্চনে চানা বিক্ৰী কৰি পেটৰ ভাতমুঠি মোকলোৱাটো আজিৰ দিনত বহুত কষ্টকৰ বুলি কয়। খেলৰ লগত জড়িত হৈ এতিয়া সময় নষ্ট কৰিলে পেট নভৰে বুলি আক্ষেপ প্ৰকাশ কৰি কয় এতিয়াও তেওঁ যদি এটা দলৰ হৈ খেলপথাৰত নামে তেতিয়া হলে নিজকে এজন পেছাদাৰী খেলুৱৈ ৰূপে অৱতীৰ্ণ হব বুলিও কয় কাঞ্চন সাহাই। বাস্কেটবল খেলুৱৈ হিছাপে নতুন প্ৰজন্মৰ খেলুৱৈ সকললৈ তেওঁৰ এটাই বাৰ্তা দিব বিছাৰে যে আজিৰ প্ৰজন্মৰ খেলুৱৈ সকলে প্ৰথমে বৰ্তমানৰ স্থিতি চাই লোৱাতো অতিকৈ প্ৰয়োজন। তাৰ পিছত খেলত মনোনিৱেশ কৰা উচিত। অযথা সময় নষ্ট কৰি কোনো লাভ নাই বুলি কয় কাঞ্চন সাহাই। নগাঁও মহাবিদ্যালয়ত পঢ়ি থকা সময়তেই বহুকেইজন মন্ত্ৰী, বিধায়ক তথা ক্ৰীড়া বিভাগৰ চৰকাৰী উচ্চ প্ৰদস্থ বিষয়াৰ কাষ চাপিছিল যদিও কোনেও কাঞ্চন সাহাক সহায়ৰ হাত আগবঢ়াব নোবাৰিলে। অৱশ্যে সুদক্ষ বাস্কেটবল খেলুৱৈ কাঞ্চনে ২০০৫ চনত অসম চৰকাৰৰ আৱকাৰী বিভাগৰ আৱকাৰী কনিষ্ঠবল পদত সাক্ষাৎকাৰত অৱতীৰ্ণ হৈ সুক্ষাতিৰে উত্তীৰ্ণ হৈ পুলিছ ভেৰিফিকেচনৰ তালিকাতো মুঠ উত্তীৰ্ণ প্ৰাৰ্থী ১২ জনৰ ভিতৰত কাঞ্চনৰ নাম দ্বিতীয় স্থানত আছিল যদিও অৱশেষত আৱকাৰী বিভাগৰ নিযুক্তিৰ তালিকাত কাঞ্চনৰ নাম নাহিল। এইক্ষেত্ৰত সুদক্ষ খেলুৱৈ কাঞ্চনে তথ্য জনাৰ আইনৰ অধীনত আৰ টি আই যোগে তেওঁ নিযুক্তি নোপোৱাৰ সন্দৰ্ভত তথ্য জানিব বিচাৰিছিল যদিও আজি কোপতি তাৰ সুদুত্তৰ লাভ নকৰিলে। তেওঁৰ শিক্ষাগত অৰ্হতা, বাস্কেটবল শিতানত ৰাজ্যিক জিলা পৰ্যায়ৰ প্ৰমাণপত্ৰৰ উপৰি এজন অনান্য পিছপৰা শ্ৰেণীৰ জাতিগত প্ৰমাণপত্ৰ দিয়াৰ পিছতো এনেদৰে উত্তীৰ্ণ কি ৰহস্য জনক কাৰণত কাঞ্চনৰ নামতো অনান্য পিছপৰা শ্ৰেণীৰ পৰিবৰ্তে পেনেল লিষ্টত সাধাৰণ শ্ৰেণীৰ ১১ নম্বৰত আহিল সেইকথাৰ আজিও সদুত্তৰ লাভ নকৰিলে কাঞ্চন সাহাই। এইক্ষেত্ৰত বহুবাৰ আৱকাৰী বিভাগৰ একাংশ উচ্চ প্ৰদস্থ বিষয়ালৈ পত্ৰ লিখা ভাগৰি পৰিল এসময়া সুদক্ষ এইজন বাস্কেটবল খেলুৱৈ। অৱশেষত, উপায়ন্তৰ হৈ কাঞ্চনে ২০১৬ চনৰ ৩০ ডিচেম্বৰত ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ কাৰ্যালয়লৈও এই সকলো বিষয় সামৰি এখন পত্ৰ প্ৰেৰণ কৰিলে যদিও তাৰ বিশেষ কোনো ফল নধৰিলে। এসময়ত সুদক্ষ বাস্কেটবলৰ খেলুৱৈ হিছাপে সকলো ফালৰে পৰা পুৰস্কৃত তথা প্ৰশংসাই উপচি পৰিছিল যদিও আজি সকলো প্ৰকাৰে লাঞ্ছিত-বঞ্চিত হৈ কাঞ্চনে নগাঁৱৰ নতুন বজাৰ চাৰিআলিৰ সেই চুকটোতে বিয়লি ৫ বজাৰ পৰা নিশা ৯ঃ৩০ বজা পৰ্যন্ত চানা বিক্ৰী কৰি অহাৰ লগতে নিজে অবিবাহিত হৈয়ো ভাই-ভাই বোৱাৰী-ভতিজা হতঁৰ সহিতে এখন সুখৰ গৃহস্থিৰ দায়িত্ববহন কৰি আহিছে। বৰ্তমান ৰাজ্যৰ মানৱদৰদী মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ সহায় বিচাৰি কাতৰ আহ্বান জনাইছে কাঞ্চনে।

# বকোৰ তাৰাবাৰী আঞ্চলিক উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সোণালী জয়ন্তী বৰ্ষৰ আজি দ্বিতীয়টো দিন




**অসম বাৰ্তা, বকো, ১ ডিচেম্বৰ ঃ** কামৰূপ জিলাৰ বকো ছয়গাঁও বিধানসভা সমষ্টিৰ বকোৰ তাৰাবাৰী আঞ্চলিক উচ্চতৰ মাধ্যমিক বিদ্যালয়খনে গৰকিলে গৌৰৱোজ্জ্বলৰ ৫০ টাকৈ বৰ্ষৰ সোণালী জয়ন্তী বৰ্ষ। তিনিদিনীয়াকৈ অনুষ্ঠিত হোৱা সোণালী জয়ন্তী বৰ্ষ উদ্‌যাপনৰ কাৰ্যসূচীৰ আজি দ্বিতীয়টো দিন। পুৱাৰে পৰা এখন বিদ্যালয়ত দেখা গ'ল উদুলি মুদুলি পৰিৱেশ। বকোৰ তাৰাবাৰী আঞ্চলিক উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ দৃশ্য। ১৯৭৫ চনতে স্থাপিত হোৱা বৃহত্তৰ তাৰাবাৰী অঞ্চলত উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ তাৰাবাৰী আঞ্চলিক হায়াৰ ছেকেণ্ডাৰী বিদ্যালয় খনে গৰকিলে গৌৰৱোজ্জ্বলৰ ৫০ টাকৈ বৰ্ষ। সোণালী জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতি হিৰেণ কলিতা, কাৰ্যকৰী সভাপতি নগৰমল স্বৰ্গীয়াৰী আৰু সম্পাদক ৰূপম নাথে জনোৱা অনুসৰি আজি দ্বিতীয় দিনত ৰাতিপুৱা বিদ্যালয় খনৰ চৌহদ পৰিস্কৰণ কৰা হয়। ইয়াৰ পিছতে বিশিষ্ট সংগীতশিল্পী, ছয়গাঁও মহাবিদ্যালয়ৰ অৱসৰী অধ্যাপিকা ড° অনিমা চৌধুৰীয়ে স্মৃতিগ্ৰন্থ উন্মোচন কৰে। তাৰ পিছতে অনুষ্ঠিত ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ ঃ লক্ষ্য আৰু সম্ভাৱনা শীৰ্ষক আলোচনা চক্ৰ সঞ্চালনা কৰে বকো ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক সুৰেন চন্দ্ৰ কলিতা আৰু নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে মিৰ্জা ডায়েটৰ প্ৰবক্তা ড° শিৰমণি ভূঞাই ছাত্ৰ-ছাত্ৰী তথা ৰাইজক উদ্দেশ্যি মূল্যৱান ভাষণ আগবঢ়ায়। উল্লেখ্য যে, দ্বিতীয় দিনা বিদ্যালয়খনৰ ন পুৰণি অন্তৰংগ আলাপৰ লগতে বিদ্যালয়খনত অধ্যয়ন কৰা আৰম্ভণিৰ পৰা বৰ্তমানলৈকে প্ৰথম বিভাগত উত্তীৰ্ণ ছাত্ৰ ছাত্ৰীৰ সম্বৰ্ধনা জ্ঞাপন কৰে। অন্যহাতে কাইলৈ সামৰি দিনা মুখ্য অতিথি ৰূপে উপস্থিত থাকিব শিক্ষামন্ত্ৰী ৰণোজ পেগু, জিলাৰ অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীকে প্ৰমুখ্যে কৰি বহুসংখ্যক আমন্ত্ৰিত অতিথি বৃন্দ। সকলো কাৰ্যসূচীত অঞ্চলটোৰ ৰাইজৰ উপস্থিতি কামনা কৰিব কয় উদ্যোক্তাই।

**২০২৬ চনৰ নিৰ্বাচনত ইয়াৰ প্ৰত্যুত্তৰ দিয়াৰ হুংকাৰ ভুক্তভোগী ৰাইজে**

# লখিমপুৰৰ পূব তেলাহী গাঁও পঞ্চায়তৰ ২২খন গাঁও মাজুলী জিলাত অন্তৰ্ভূক্ত কৰাৰ চৰকাৰী জাননী স্থগিত কৰাত অঞ্চলটো ৰাইজৰ ক্ষোভ



**অসম বাৰ্তা, মাজুলী, ১ ডিচেম্বৰ ঃ** সমস্যাৰে ভাৰাক্ৰান্ত লখিমপুৰৰ এটা অঞ্চলৰ ৰাইজে দীৰ্ঘ দিন ধৰি মাজুলী জিলাত চাউকৰণ দাবী জনাই আহিছে। যাতায়াত, শিক্ষা, স্বাস্থ্যৰ দিশত অনগ্ৰসৰ অঞ্চলটোৰ কুৰিখনৰো অধিক গাঁৱৰ বিশ সহস্ৰাধিক ৰাইজে বিচাৰিছে মাজুলীকৰণৰ দাবী। চৰকাৰী কাম-কাজৰ লগতে জৰুৰীকালীন সেৱাৰ ক্ষেত্ৰত অসূচল বাট পথ আৰু সোৱণশিৰি নৈ হৈ পৰিছে প্ৰধান অন্তৰায় হৈ পৰা ৰাইজে হেৰুৱাইছে জনপ্ৰতিনিধিৰ প্ৰতি আস্থা। বিগত পাঁচ বছৰৰ পূৰ্বে সমষ্টিৰ বিধায়ক মানৱ ডেকাই ৰাইজৰ সমস্যা সমাধানৰ আশ্বাস প্ৰদান কৰিছিল যদিও নিৰ্বাচনী বৈতৰণী পাৰ হোৱাৰ পাছত এদিনো অঞ্চলবাসীৰ দুৰ্দশাৰ খবৰ নোলোৱাৰ অভিযোগ উত্থাপিত কৰিছে। ১৯১৬ চনৰ পৰা দাবী কৰি অহা বিষয়টোৰ ওপৰত তিনিবাৰকৈ গাঁওসভা অনুষ্ঠিত কৰি নীতি গত ভাৱে চৰকাৰলৈ তথ্য পাতি প্ৰেৰণ কৰিছিল। চৰকাৰে ১৯/২/২০২৫ তাৰিখে চৰকাৰে মাজুলী জিলাত অন্তৰ্ভুক্ত কৰাৰ জাননী জাৰী কৰিছিল। কিন্তু অঞ্চলটোৰ কেইজন মান মধ্য ভোগীৰ হেঁচাত গত ১/৩/২০২৫ তাৰিখে বিষয়টো স্থগিতকৰণৰ জাননী প্ৰেৰণ কৰাত ৰাইজ হতবাক হোৱাৰ উপৰিও ক্ষোভত ফাটি পৰিছে অঞ্চলৰ ৰাইজৰ। বিষয়টো আলোচনাৰ বাবে শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু আৰু মিচিং স্বায়ত্ত্ব শাসিত পৰিষদৰ সদস্য পৰমানন্দ চায়েঙীয়া অংশ গ্ৰহণ কৰে যদিও ৰাইজৰ লগত মতানৈক্য হোৱাত পূব তেলাহী গাওপঞ্চায়তৰ জনসাধাৰণৰ সমস্যা সমাধান পথ নোলাল। আজি সংবাদ মেল আয়োজন কৰি অঞ্চলটোৰ ৰাইজে ক্ষোভ প্ৰকাশ কৰে। পূব তেলাহী গাঁও পঞ্চায়তৰ সমূহ ৰাইজে চৰকাৰৰ এনে হঠকাৰী সিদ্ধান্তৰ বিৰোধিতা কৰাৰ লগতে বৃহত্তৰ অঞ্চলটো মাজুলীকৰণ নকৰা পৰ্যন্ত সংগ্ৰাম চলাই যোৱাৰ হুংকাৰ প্ৰদান কৰা হয়। চৰকাৰে জাৰি কৰা জাননীখন ন্যস্ত স্বাৰ্থ জড়িত লোকৰ হেঁচাত স্থগিত কৰাটো ৰাইজে কেতিয়াও মানি নলয়। অসমৰ মুখ্যমন্ত্ৰীৰ বিষয়টো দৃষ্টি গোচৰ কৰি ডাঃ ৰণোজ পেগু আৰু মিচিং স্বায়ত্ত্ব শাসিত পৰিষদৰ সদস্য পৰমানন্দ চায়েঙীয়াক ৰাইজৰ পক্ষত থাকিবলৈ আহ্বান জনায়। বিষয়টো নিষ্পত্তি নকৰিলে অহা ২০২৬ চনৰ নিৰ্বাচনত ৰাইজে ইয়াৰ যোগ্য প্ৰত্যুত্তৰ দিব। তদুপৰি আগন্তুক বিধানসভা নিৰ্বাচনত শাসকীয় অথবা বিৰোধী ৰাজনৈতিক দলৰ কোনো নেতা কৰ্মীকে অঞ্চলটোত ভোট ভীক্ষাৰ বাবে জনসাধাৰণে প্ৰৱেশ কৰিবলৈ নিদিয়াৰ হুংকাৰ দিছে।

# পুৰণিগুদামত আৰক্ষীৰ ঘৰত দিন-দুপৰতে চোৰে চলালে চাফাই অভিযান

**অসম বাৰ্তা, পুৰণিগুদাম, ১ ডিচেম্বৰ ঃ** নগাঁও জিলাৰ পুৰণিগুদাম আৰক্ষী চকীৰ অধীনৰ পুৰণিগুদাম বৰাচুকত আজি দিন-দুপৰতে চোৰে চলালে চাফাই অভিযান। ঘৰত কোনো নথকাৰ সুযোগ লৈ চোৰে নগাঁও আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ৰ কৰ্মচাৰী সোমেশ্বৰ বৰাৰ ঘৰত দৰ্জা ভাঙি প্ৰৱেশ কৰি চলালে চাফাই অভিযান। চোৰৰ দলে সোণৰ আ-অলংকাৰ আৰু নগদ ধন চুৰি কৰি নিয়ে। পাছত সোমেশ্বৰ বৰাৰ পত্নী নগাঁও চহৰৰ পৰা ঘৰলৈ আহি ঘৰৰ তলা ভাঙি ঘৰ তহিলং কৰি থোৱা অৱস্থাত দেখা পাই পুৰণিগুদাম আৰক্ষীক খবৰ দিয়ে। পৰৱৰ্তী সময়ত আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ তদন্ত অব্যাহত ৰখাৰ উপৰিও নগাঁও আৰক্ষীয়ে প্ৰশিক্ষণপ্ৰাপ্ত কুকুৰৰ জৰিয়তে তদন্ত চলাইছে যদিও বাতৰি লিখা সময়লৈকে চোৰৰ দলক আটক কৰিবলৈ সক্ষম হোৱা নাই আৰক্ষী। আৰক্ষীৰ দুৰ্বলতাৰ সুযোগ গ্ৰহণ কৰি আৰক্ষী বিভাগত কৰ্মৰত সোমেশ্বৰ বৰাৰ ঘৰত দিন-দুপৰতে চোৰে লুটপাত চলোৱা ঘটনাই বৃহত্তৰ পুৰণিগুদাম অঞ্চলত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

# প্ৰমাণপত্ৰৰ অভাৱত একাংশ মেধাবী ছাত্ৰ-ছাত্ৰীয়ে নাপাব ঈষাণ উদয় আঁচনিৰ ধন

**অসম বাৰ্তা, অভয়াপুৰী, ১ ডিচেম্বৰ ঃ** কেন্দ্ৰীয় চৰকাৰে উত্তৰ পূৰ্বাঞ্চলৰ ১০ হাজাৰ গৰাকী মেধাবী শিক্ষাৰ্থী সকলক প্ৰদান কৰা অহা ঈষান উদয় আঁচনি জলপানি বা সেই আচঁনিৰ ধনৰ পৰা একাংশ ছাত্ৰ-ছাত্ৰীয়ে ডমিচিয়েল চাৰ্টিফিকেট নথকাৰ বাৱে আঁচনিখনৰ লাভালাভৰ পৰা বঞ্চিত হ'বলগীয়া পৰিস্থিতিৰ সৃষ্টি হোৱাৰ বাতৰি পোৱা গৈছে। প্ৰাপ্ত বাতৰি মতে কেন্দ্ৰীয় চৰকাৰে ঈষাণ উদয় নামৰ এক আঁচনিৰ যোগেদি উত্তৰ পূৰ্বাঞ্চলৰ ভিতৰতে হায়াৰচেকেণ্ডেৰী পৰীক্ষাত সৰ্বোচ্চ নম্বৰ লাভ কৰা শীৰ্ষৰ ১০ হাজাৰ গৰাকী শিক্ষাৰ্থীক বছৰি ৮০ হাজাৰ কৈ জলপানীৰ ধন দি আহিছে। তিনি বছৰ মুঠ ২ লাখ ৪০ হাজাৰ টকা দিয়া সেই আচঁনিৰ কাট অফ মাৰ্ক প্ৰতি বছৰে সলনি হৈ থাকে যদিও অভয়াপুৰী মহাবিদ্যালয় প্ৰায় ২৫/৩০ গৰাকী ছাত্ৰছাত্ৰীয়ে সেই আঁচনিৰ ধন বা জলপানি লাভ কৰে। এইবাৰো সেই আঁচনিৰ বাৱে উপযুক্ত শিক্ষাৰ্থীৰ পৰা প-পত্ৰ লৈ আছে। কিন্তু পূৰ্বতে শিক্ষাৰ্থী সকলে শৈক্ষিক প্ৰমাণপত্ৰৰ লগতে ডমিচিয়েল চাৰ্টিফিকেট বা স্থায়ী বাসস্থানৰ প্ৰমাণপত্ৰৰ সলনি আদালতত এখন এফিডেফিট কৰি সেইখন গাঁঠি দিয়াৰ নিয়ম আছিল। কিন্তু এই বাৰ আদালতৰ শপতনামাৰ সলনি ডমিচিয়েল চাৰ্টিফিকেটখন গাঁথি দিয়াৰ বাৱে নিয়ম কৰি দিছে। ইপিনে ডমিচিয়েল চাৰ্টিফিকেটখন উলিয়াবলৈ হ'লে শিক্ষাৰ্থী সকলে এক দীঘলীয়া চৰকাৰী নীতি নিয়মৰ মাজেৰে যাব লাগে। যাৰ বাৱে সেই প্ৰমাণপত্ৰখন উলিয়াওঁতে বহু দিন লাগে। কিছুমান শিক্ষাৰ্থীয়ে বা তেওঁলোকৰ অভিভাৱকে সেই প্ৰমাণপত্ৰখন আগতীয়াকৈ উলিয়াই লোৱাৰ বিপৰীতে একাংশ শিক্ষাৰ্থীয়ে সেইখন উলিয়াই লব পৰা নাই। যাৰ বাৱে ৮০ শতাংশ বা ততোধিক নম্বৰ লৈ উত্তীৰ্ণ হোৱা স্বতেও সিহঁতে ঈষাণ উদয় আচঁনি বা জলপানিৰ বাৱে আবেদন কৰিব পৰা নাই। এই সমস্যাত পৰিছে অভয়াপুৰী মহাবিদ্যালয় কেই গৰাকী মান মেধাবী শিক্ষাৰ্থী। সমস্যাটো যে অকল অভয়াপুৰী মহাবিদ্যালয়ৰ তেনে নহয়। বহু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে এই সমস্যাত পৰিছে। যাৰ বাৱে তেওঁলোকে চৰকাৰৰ ওছৰত ঈষান উদয় আঁচনিৰ প-পত্ৰ পুৰণৰ তাৰিখ আৰু কিছু দিনলৈ বৃদ্ধি কৰিবৰ বাৱে অসম চৰকাৰৰ যোগেদি কেন্দ্ৰীয় চৰকাৰৰ ওছৰত আহ্বান জনাইছে। আনহাতে সচেতন মহলে শিক্ষাৰ ক্ষেত্ৰত প্ৰয়োজন হোৱা ডমিচিয়েল চাৰ্টিফিকেটখন যাতে শিক্ষাৰ্থী সকলে খৰতকীয়া লাভ কৰিব পাৰে তাৰে বাৱে সংশ্লিষ্ট মহলক যাবতীয় ব্যৱস্থা ল'বৰ বাবে দাবী কৰিছে।

# ত্ৰিপুৰাত যোৰহাটৰ বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানৰ তিনিদিনীয়া প্ৰশিক্ষণৰ সফল সামৰণি

**অসম বাৰ্তা, যোৰহাট, ১ ডিচেম্বৰ ঃ** যোৰহাটৰ বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানে যোৱা ২৬ পৰা ২৮ নৱেম্বৰ, ২০২৫ লৈ এই প্ৰতিষ্ঠানৰ অন্তৰ্গত ত্ৰিপুৰাৰ আগৰতলাত অৱস্থিত 'জীৱিকা সম্প্ৰসাৰণ কেন্দ্ৰ'ত ভাৰত চৰকাৰৰ পৰিবেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ৰ অৰ্থ সহায্যত তিনিদিনীয়াকৈ এখন প্ৰশিক্ষণ কাৰ্যসূচী সম্পন্ন কৰে। ত্ৰিপুৰাৰ কমলাসাগৰ বিধানসভা সমষ্টিৰ মাননিয়া বিধায়িকা শ্ৰীমতী অন্তৰা চৰকাৰ দেৱ ডাঙৰীয়ানিয়ে উদ্বোধন কৰা এই প্ৰশিখনত ত্ৰিপুৰাৰ বিভিন্ন ঠাই আৰু ক্ষেত্ৰৰ মুঠ ৩০জন প্ৰশিক্ষাৰ্থী যেনে যৌথ বন পৰিচালনা সমিতিৰ সদস্য, শিক্ষাৰ্থী, বেচৰকাৰী সংগঠন, নেচাৰ ক্লাব, মিডিয়া ব্যক্তি, সামাজিক কৰ্মী, বিত্তীয় প্ৰতিষ্ঠা, জন প্ৰতিনিধি আদিয়ে অংশগ্ৰহণ কৰে। প্ৰশিক্ষণ কাৰ্যসূচীৰ আৰম্ভণিতে বৰ্ষাৰণ্য প্ৰতিষ্ঠানৰ সঞ্চালক ড° নিটিন কুলকাৰণীয়ে উপস্থিত সকলোকে আদৰণি জনায়। উদ্বোধনী ভাষণত শ্ৰীমতী দেৱে বনাঞ্চলৰ জৰিয়তে জীৱিকাৰ বিকল্পৰ ওপৰত গুৰুত্ব আৰোপ কৰে আৰু স্ব-নিযুক্তিৰ বাবে ত্ৰিপুৰা চৰকাৰৰ বিভিন্ন আঁচনিৰ কথা উল্লেখ কৰে। তেওঁ চমুকৈ বাঁহৰ দৰে গুৰুত্বপূৰ্ণ বনজাত সামগ্ৰীৰ জৰিয়তে উপাৰ্জন সৃষ্টিৰ বিষয়ে কয়। এই প্ৰশিখনত বাঁহ, সাঁচি, বন্য ৰেচম, ঔষধি গছ-বন, বাঁহ কয়লা, কেঁচুসাৰ, উদ্যান শস্য আদি কৰি বিভিন্ন বিষয়ৰ ওপৰত প্ৰশিক্ষণ আগবঢ়োৱা হয়। সমল ব্যক্তি সমূহৰ ভিতৰত বৰ্ষাৰণ্যৰ ড° নিটিন কুলকাৰণীয়ে বনজ সম্পদৰ সামগ্ৰিক আলোকণ, ড° ৰাজীৱ কুমাৰ বৰাই সাঁচিৰ ওপৰত, ৰাজীৱ কুমাৰ কলিতাই বাঁহ কয়লা ওপৰত প্ৰশিক্ষণ আগবঢ়াব। ত্ৰিপুৰাৰ কৃষি মহাবিদ্যালয়ৰ ড° থিংৰিংগম ইৰেনিয়াছ কে.এছ. য়ে 'জীৱিকাৰ উন্নতি আৰু উদ্যোগ বিকাশৰ বাবে উদ্যানশস্য শস্য সম্পদৰ ব্যৱহাৰ সন্দৰ্ভত প্ৰশিক্ষণ প্ৰদান কৰে। ত্ৰিপুৰাৰ ড° অভিনৱ কান্তে 'বাঁহ ঃ ভৱিষ্যতৰ সামগ্ৰী' শীৰ্ষক এক কাৰিকৰী প্ৰশিক্ষণ প্ৰদান কৰে। ত্ৰিপুৰাৰ জীৱিকা সম্প্ৰসাৰণ কেন্দ্ৰৰ বিজ্ঞানী অজয় দেববৰ্মাই 'ত্ৰিপুৰাৰ স্থানীয়ভাৱে উপলব্ধ আৰু বহুলভাৱে ব্যৱহৃত ঔষধি উদ্ভিদৰ খেতি আৰু বাণিজ্যৰ জৰিয়তে জীৱিকাৰ বিকল্প' ব্যৱৰী কয়। বন বিষয়া অতনু সাহাই 'জীৱিকা সৃষ্টিৰ বাবে কম খৰচী কেচুঁসাৰ' শীৰ্ষক এক প্ৰশিক্ষণ প্ৰদান কৰে। ভাৰতীয় বন সেৱাৰ বিষয়া শ্ৰী আৰ: অৰুণ কুমাৰে ত্ৰিপুৰাত 'হস্ততাঁত আৰু ইয়াৰ সম্ভাৱনা' সন্দৰ্ভত প্ৰশিক্ষাৰ্থী সকলক অৱগত কৰে। প্ৰশিক্ষণৰ মাজৰ দিনটোত প্ৰশিক্ষৰ্থীসকলক আগতলাৰ উপকণ্ঠ অঞ্চলত অৱস্থিত মুঠা উদ্যোগ, G-Cube উদ্যোগ, বাঁহ আৰু বেত উন্নয়ন প্ৰতিষ্ঠান, পঞ্চ কৰমা কেন্দ্ৰ, বাঁহপুলি বাৰী ইত্যাদি পৰিদৰ্শন কৰোৱা হয়। তিনিদিনীয়া প্ৰশিক্ষণ কাৰ্যসূচীটোৰ সমৰণিত অংশ গ্ৰহণকাৰী সকলক মান পত্ৰ প্ৰদান কৰা হয়।

# হৰিৰহাট বজাৰ এম ই স্কুলত সম্প্ৰদায় উৎসৱ ক্লাষ্টাৰ লেভেল কমিউনিটি ফেষ্টিভেল

**অসম বাৰ্তা, আগমনি, ১ ডিচেম্বৰ ঃ** সমগ্ৰ শিক্ষা অসম ধুবুৰীৰ উদ্যোগত আগমনি শিক্ষাখণ্ড তথা হৰিৰহাট মণ্ডল সমল কেন্দ্ৰৰ বিদ্যালয় সমূহৰ সহযোগত সম্প্ৰদায় উৎসৱ। বৈচিত্ৰ্যৰ মাজত সাংস্কৃতিক ঐক্য আৰু ছাত্ৰ প্ৰতিভা প্ৰদৰ্শন। প্ৰায় তেৰখন স্কুলৰ ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে আৰু সমাজৰ সদস্যসকলৰ বাবে এক বৃহৎ সন্মান আৰু প্ৰেৰণা হ'ব। ৰাতি পুৱা ৯.০০ বজাত সামূহিক উৎসৱ সমিতিৰ সভাপতি, ৰামু মহন্ত, পতাকা উত্তোলন কৰে। ৰাতি পুৱা ৯.৩০ বজাত সাংস্কৃতিক শোভাযাত্ৰা, উদ্বোধক বিজয় চন্দ্ৰ ৰায়, এইচ.টি. হৰিৰিহাট বজাৰ এম ই স্কুল, ৰাতিপুৱা ১১.০০ বজাত কলা প্ৰতিযোগিতা। নৃত্য প্ৰতিযোগিতা, গায়ক প্ৰতিযোগিতা, ফেন্সি ড্ৰেছ প্ৰতিযোগিতা, মুকলি সভা আৰু পুৰস্কাৰ বিতৰণ কৰে আতিয়ুৰ ৰহমান আৰু পাৰ্থ সাৰথি সৰকাৰ। উল্লেখ্য যে সময়সূচী অনুসৰি দিনজোৰা অনুষ্ঠানখন সূচাৰুৰূপে পৰিচালনা হোৱাত সকলোকে ধন্যবাদ জনায় ৰামু মহন্ত সভাপতি সামূহিক উৎসৱ সমিতি উষ্ম শুভেচ্ছা জনাইছ। কুলাদীপ ৰায় চি আৰ চি চি হৰিৰহাট সামূহিক উৎসৱ সমিতি, নুৰজামাল আলী মণ্ডাল সম্পাদক সামূহিক উৎসৱ সমিতিয়ে।

# ধিং বিধানসভা সমষ্টিৰ পতিয়াচাপৰিৰ ৰাইজৰ লগত মত-বিনিময় অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সাধাৰণ সম্পাদক আনোৱাৰ হুছেইনৰ

**অসম বাৰ্তা, বটদ্ৰৱা, ১ ডিচেম্বৰ ঃ** অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সাধাৰণ সম্পাদক আনোৱাৰ হুছেইনে ধিং সমষ্টিত দিনে-নিশাই চলাই আছে নিৰ্বাচনী কুচকাৱাজ। আনোৱাৰ হুছেইনে এক সপ্তাহ ধৰি সমষ্টিটোৰ বিভিন্ন প্ৰান্তত ভোটাৰ ৰাইজৰ লগত মত-বিনিময় কৰি কংগ্ৰেছৰ ৰাজনীতি বতাহ গৰম কৰি তুলিছে। সমষ্টিটোৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থীত্ব প্ৰত্যাশী তথা অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সাধাৰণ সম্পাদক আনোৱাৰ হুছেইনে আজি ৫৫নং ধিং বিধানসভা সমষ্টিৰ অন্তৰ্গত পতিয়াচাপৰি-ৰৌমাৰি গাঁওপঞ্চায়তৰ অন্তৰ্গত গাঁৱসমূহৰ ৰাইজৰ লগত মত-বিনিময় কৰে। পঞ্চায়তটোৰ পতিয়াচাপৰি, পতিয়াপথাৰ, ৰৌমাৰি গাঁও, ৰৌমাৰিপাম কে আদি কৰি কেইবাটাও গাঁৱৰ ভোটাৰৰ ঘৰে ঘৰে গৈ সাক্ষাৎ কৰাৰ লগতে তিনিআলি চাৰিআলিত ৰাইজৰ লগত মত বিনিময় কৰা দেখা যায়। হুছেইনৰ আজিৰ এই মত-বিনিময় অনুষ্ঠানটোত টুকটুকি জিলা পৰিষদৰ প্ৰাক্তন সদস্য তথা নগাঁও জিলা কংগ্ৰেছ কমিটিৰ সাধাৰণ সম্পাদক ফাইজুদ্দিন আহামেদৰ লগতে সমষ্টিটোৰ কেইবাজনো কংগ্ৰেছৰ সক্ৰিয় কৰ্মী উপস্থিত আছিল।

# নগাঁও মেডিকেল কলেজ হাস্পতালত বিশ্ব এইডছ্ দিৱস উদ্‌যাপন

**অসম বাৰ্তা, নগাঁও, ১ ডিচেম্বৰ ঃ** সমগ্ৰ বিশ্বৰ লগতে অসমৰ প্ৰতিখন জিলাৰ উপৰি নগাঁও জিলাটো জিলা স্বাস্থ্য সমিতি নগাঁৱৰ উদ্যোগত আৰু এআৰটিচি নগাঁও মেডিকেল কলেজ হাস্পতালৰ সহযোগত আজি বিশ্ব এইডছ্ দিৱসটি উদ্‌যাপন কৰা হয়। নগাঁও মেডিকেল কলেজ হাস্পতালৰ প্ৰেক্ষাগৃহত পুৱা ১১ বজাত জাতীয় সংগীত পৰিৱেশনৰে আৰম্ভ হোৱা এই দিৱসটিত আৰম্ভণিতে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলী অৰ্পণ কাৰ্যসূচীৰে শ্ৰদ্ধা জনোৱা হয়। অনুষ্ঠানত আদৰনি ভাষণ আগবঢ়াই এআৰটিচিৰ স্বাস্থ্য বিষয়া ডাঃ এল. চি. নাথে। আদৰনি ভাষণত তেওঁ কয় সমগ্ৰ বিশ্বৰ লগতে আজি ৰাজ্যখনৰ লগতে নগাঁও জিলাত এইডছ্ দিৱস উদ্‌যাপনৰ বিষয়ে আলোকপাত কৰি নগাঁও জিলাত এইডছ্ আক্ৰান্ত সকলক কিছু পৰামৰ্শ প্ৰদান কৰে। অনুষ্ঠানটিত দিৱসটিৰ লগত সংগতি ৰাখি উদ্দেশ্য ব্যাখ্যা কৰে জিলা টি.বি বিষয়া ও ডি এচিও ডাঃ গুলজাৰ হুছেইনে। তেওঁ উপস্থিত সকলক উদ্দেশ্যি কয়- আমি এইডছ্ আক্ৰান্ত সকলৰ লগত সদায় সহযোগিতাৰে কাম কৰি যাব পাৰো। আমি এইছড্ আক্ৰান্ত সকল ঘিনাৰ চকুৰে চাব নালাগে। তেওঁলোকৰো জীয়াই থকাৰ স্বাধীনতা আছে। তেওঁলোক এইডছ্ আক্ৰান্ত হ'ল বুলিয়েই আমি তেওঁলোকক এৰি দিব নোবাৰো। বৰ্তমান চৰকাৰেও এইক্ষেত্ৰত বহুখিনি কাম কৰি আহিছে। গতিকে ৰাইজৰ সহযোগত আমি এইডছ্ ৰোগ নিৰ্মুল কৰিবলৈ চেষ্টা কৰি আহিছো। বৰ্তমান নগাঁও জিলাটো এইডছ্ আক্ৰান্তৰ সংখ্যা দিনক দিনে বৃদ্ধি পাব ধৰিছে। সমান্তৰালভাৱে অসমটো এইডছ্ ৰোগীৰ সংখ্যা বৃদ্ধি পাইছে। এজন এইডছ্ আক্ৰান্ত ৰোগীৰ পৰিয়ালৰ তেওঁলোকক ঘিনা দৃষ্টিৰে চাব নালাগে। মৰমৰ মাজেৰে তেওঁলোকৰ লগত হাতে-হাতে ধৰি আগুৱাই গলে তেওঁলোকক শুদ্ধ পথলৈ আনিবলৈ বিশেষ কষ্টৰ প্ৰয়োজন নজয়। অনুষ্ঠানটিত নগাঁও মেডিকেল কলেজৰ অধ্যক্ষ ডাঃ বিষুঃৰাম দাসে নিজৰ ভাষণ প্ৰসংগত কয়- আজি দীৰ্ঘদিনৰ পৰা এইডছ্ ৰ লগত জড়িত থাকি অনুভৱ হয় যি সকল ব্যক্তি বৰ্তমান এইডছ্ ৰোগত আক্ৰান্ত হৈ আছে আমি তেওঁলোকক সদায় সহায় কৰিবলৈ সংকল্পবদ্ধ হব লাগিব। আমি তেওঁলোকক সদায় মৰমৰ দৃষ্টিৰে চাব লাগিব। ঘিনাৰে কোনো কাম সমাধান নহয়। বৰ্তমান সময়ত বিভিন্ন ইণ্টাৰনেছনেল ডনাৰ এজেঞ্চি বোৰে এইডছ্ ক'নটল ব'ডক আৰ্থিক সাহায্য দিয়া বন্ধ কৰি দিছে। কিছু বছৰৰ পৰা এইডছ্ ৰোগী সকলৰ মাজত সুমুৱাই জানিব পাৰিছিলো যে বৰ্তমান এইডছ্ ৰোগ সমূহ কৰপৰা কেনেকৈ এইডছ্ ৰোগ বৃদ্ধি পাইছে। এই কথা বিলাক কিমান হৃদয়বিদাৰক কথা, আমি এবাৰ ভাবি চাব লাগে। ড্ৰাগছ এডিগ্ৰটেত সকল আজি বহু পৰিমাণে হতাশগস্ততাত ভুগে। এই হতাশগস্ততাৰ পৰা তেওঁলোক আতঁৰি আহিব পৰাটোবেই কিন্তু এইডছ্ আক্ৰান্ত ৰোগী সকলৰ বাবে এটা ডাঙৰ সফলতা হব পাৰে। তেওঁ লগতে আৰু কয় যে, মহাত্মা গান্ধীয়ে আমাক কৈছিল পাপক ঘিনা কৰিবা কিন্তু পাপীক ঘিনা নকৰিবা। ঠিক সেইদৰে আমি এইডছ্ আক্ৰান্ত জনক ঘিনাৰ চকুৰে চাব নালাগে। আমি বহু সময়ত কিছুমান মেটেৰিয়েলৰ প্ৰতি আকৰ্ষণ হও। কিন্তু মানুহক মেটেৰিয়েলে মানুহক সুখি কৰিব নোবাৰে। আৰোবাৰ বাবে যদি আমি অকণমানো সহায় কৰিব পাৰো সেইখিনেয়েই আমি আনন্দ লাভ কৰিব পাৰো। এইডছ্ আক্ৰান্ত সকলৰ মাজত থাকি একেলগে খোবা-বোৱা কৰা তেওঁলোকক বিভিন্ন পৰামৰ্শ প্ৰদান কৰি অহা তথা সজাগতাৰ সৃষ্টি কৰি অহা এআৰটিচিৰ কাউন্সিলৰ বিজুমনি বৰা লিগিৰা আৰু ডিএছআৰচি নগাঁৱৰ কনচালণ্টেন জিতুমনি গগৈয়ে সামগ্ৰীকভাৱে আতঁধৰা অনুষ্ঠানটিত নগাঁও মেডিকেল হাস্পতালৰ অধীক্ষক ডাঃৰজত দত্ত ৰয়, নগাঁও অসামৰিক চিভিল হাস্পতালৰ অধীক্ষক ডাঃ বিদ্যাৱতী হাজৰিকাকে প্ৰমুখ্যে কৰি নগাঁও মৰিগাঁও জিলাৰ কেইবাটাও ৰিহাৰ চেণ্টাৰৰ পৰিচালক সকল আৰু বিভিন্ন প্ৰান্তৰ পৰা কেইবাটাও স্বেচ্ছাসেৱী অনুষ্ঠানৰ সদস্য সকল উপস্থিত থাকে। শেষত স্বেচ্ছাসেৱী অনুষ্ঠানৰ সদস্য সকলৰ মাজত মানপত্ৰ সমূহ বিতৰণ কৰা হয়।

# তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ নৱনিৰ্মিত কাৰ্যালয় ভৱন উদ্বোধন পৱিত্ৰ মাৰ্ঘেৰিটাৰ

## সন্থাৰ ৫১ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১ ডিচেম্বৰ ঃ** ১৯৭৫ চনৰ ৩০ নবেম্বৰত প্ৰতিষ্ঠিত তিনিচুকীয়া জিলা সাংবাদিক সন্থা হৈছে ৰাজ্যখনৰ অন্যতম সক্ৰিয় আৰু শক্তিশালী সাংবাদিক সংগঠন। 'অসম বাৰ্তাজীৱী সংঘ'ৰ অন্তৰ্গত এই সংগঠনটোৱে চলিত বৰ্ষত ইয়াৰ গৌৰৱোজ্জ্বল 'সোণালী জয়ন্তী' বৰ্ষ অতিক্ৰম কৰিছে। আজি সংগঠনটোৰ ৫১ সংখ্যক প্ৰতিষ্ঠা দিৱস। এই প্ৰতিষ্ঠা দিৱসৰ দিনটোতেই সন্থাৰ কাৰ্যালয় ভৱনটিৰ শুভ উদ্বোধন কৰা হয়। প্ৰতিষ্ঠাৰ ৫০ বছৰৰ পাছত তিনিচুকীয়া নগৰৰ বৰগুৰিত অৱস্থিত মৰাণ স্বায়ত্বশাসিত পৰিষদৰ কাৰ্যালয়ৰ সন্মুখত জিলা প্ৰশাসনে আৱণ্টন দিয়া ভূমিত ৰাজ্যসভাৰ সাংসদ তথা বৈদেশিক পৰিক্ৰমা আৰু বস্ত্ৰ বিভাগৰ কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাৰ সাংসদৰ স্থানীয় এলেকা উন্নয়ন পুঁজিৰ পৰা আগবঢ়োৱা ২৫ লাখ টকাৰ অনুদানেৰে নিৰ্মাণ কৰি উলিওৱা




তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ কাৰ্যালয় ভৱনটি কেন্দ্ৰীয় মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাই আজি আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। উদ্বোধনী ভাষণত মন্ত্ৰী মাৰ্ঘেৰিটাই এই নতুন কাৰ্যালয় ভৱনটিয়ে জিলাখনৰ সাংবাদিকসকলৰ বহুদিনীয়া অভাৱ পূৰণ কৰিব পাৰিব বুলি আশা প্ৰকাশ কৰে। ৰাজনীতিলৈ অহাৰ পূৰ্বে তেওঁ নিজেও এগৰাকী সাংবাদিক তথা সাংস্কৃতিক কৰ্মী আছিল বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে সেয়ে সাংবাদিকৰ সংগঠনলৈ তেওঁ এইদৰে তেওঁৰ সাংসদ পুঁজিৰ অনুদান আগবঢ়াবলৈ পাই সুখী অনুভৱ কৰিছে। তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ সভাপতি ড° ঋষি দাসে পৌৰোহিত্য কৰা আৰু সাধাৰণ সম্পাদক ৰাণাজ্যোতি নেওগে আঁত ধৰা উদ্বোধনী অনুষ্ঠানটোৰ আদৰণি ভাষণ আগবঢ়ায় ৰাণাজ্যোতি নেওগে। ইয়াৰ পূৰ্বে জিলা সাংবাদিক সন্থাৰ পতাকা উত্তোলন কৰে সভাপতি ড° ঋষি দাসে আৰু স্মৃতি তৰ্পণ কৰে সন্থাৰ প্ৰাক্তন সভাপতি হিমেন ভট্টাচাৰ্যই। আনহাতে, সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাই আৰু 'জনতাৰ শিল্পী' জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ প্ৰাক্তন সভাপতি অমূল্য খাটনিয়াৰে। নৱনিৰ্মিত কাৰ্যালয়টিৰ চৌহদত এটি নাহৰ পুলি ৰোপণ কৰে হিমেন ভট্টাচাৰ্যই। উদ্বোধনী অনুষ্ঠানত অৱসৰপ্ৰাপ্ত প্ৰশাসনিক বিষয়া যোগেশ বৰুৱা, তিনিচুকীয়া জিলা পৰিষদৰ সভাপতি ভাদেশ্বৰ মৰাণ, তিনিচুকীয়া পৌৰসভাৰ পৌৰপতি পুলক গগৈ, মৰাণ স্বায়ত্বশাসিত পৰিষদ মুখ্য কাৰ্যবাহী অৰুণজ্যোতি মৰাণ, মটক স্বায়ত্বশাসিত পৰিষদৰ সভাপতি সৰোজ গোঁহাই, তিনিচুকীয়া উন্নয়ন প্ৰাধিকৰণৰ প্ৰাক্তন সভাপতি প্ৰণৱ বৰুৱা, সাহিত্যিক অতুল চন্দ্ৰ শৰ্মা, সদৌ অসম ছাত্ৰ সন্থাৰ সহকাৰী সম্পাদক সমৰজ্যোতি গোঁহাই, সদৌ তাই আহোম ছাত্ৰ সন্থাৰ সভাপতি মিলন বুঢ়াগোহাঁই, সমাজকৰ্মী শিউজী ডুবে, ভবেন শৰ্মা, লেখক ফটিক চন্দ্ৰ নেওগ, প্ৰমুখ্যে বহু সংখ্যক বিশিষ্ট ব্যক্তি, সাংবাদিক আৰু তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ বিষয়ববীয়া আৰু সদস্যসকলে অংশগ্ৰহণ কৰে। উদ্বোধনী অনুষ্ঠানৰ পাছতেই সন্থাৰ ৫১ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে সন্থাৰ বৰ্তমান আৰু পুৰণি সদস্য সকলৰ মাজত এক অন্তৰংগ আলাপ অনুষ্ঠিত হয়। সন্থাৰ সভাপতি ডঃ ঋষি দাসে পৌৰোহিত্য কৰা এই অনুষ্ঠানটিৰ আৰম্ভণি বক্তব্য আগবঢ়ায় সন্থাৰ সাধাৰণ সম্পাদক ৰাণাজ্যোতি নেওগে। সন্থাৰ প্ৰাক্তন সম্পাদক মনোজ দত্তই পৰিচালনা কৰা এই অনুষ্ঠানটিত সন্থাৰ প্ৰাক্তন সভাপতি ক্ৰমে অমূল্য খাটনিয়াৰ, হিমেন ভট্টাচাৰ্য, অৰ্জুন বৰুৱা, প্ৰাক্তন উপসভাপতি ধীৰেন ডেকা, প্ৰাক্তন সদস্য পুলক গগৈ, মহম্মদ হুছেইন খান, বৰ্তমানৰ সদস্য শান্তনু গোস্বামী, সমীৰণ বৰঠাকুৰ, অভিজিৎ খাটনিয়াৰ, বিজয় দত্ত, দেবেন ডেকা, ঋষিকেশ দত্ত, বিকাশ বৰুৱা, আদিয়ে অংশগ্ৰহণ কৰি তেওঁলোকৰ সাংবাদিক জীৱনৰ বিভিন্ন অভিজ্ঞতাৰ কথা বৰ্ণনা কৰে। সন্ধিয়া নৱনিৰ্মিত কাৰ্যালয় ভৱনত একাৱন্নগছি বন্তি প্ৰজ্বলন কৰা হয়।

# অসম সন্মিলিত মহাসংঘৰ প্ৰচাৰ সচিব নিৰঞ্জন লাহনৰ দেহাৱসান

**অসম বাৰ্তা, আমগুৰি, ১ ডিচেম্বৰ ঃ** অসম সন্মিলিত মহাসংঘৰ প্ৰচাৰ সচিব তথা বিশিষ্ট সমাজকৰ্মী নিৰঞ্জন লাহনৰ যোৱা শনিবাৰৰ পুৱা ৭৫ বছৰ বয়সত দেহাৱসান ঘটে। অসম টেটাইল ইন্সটিটিউটৰ অৱসৰপ্ৰাপ্ত প্ৰবক্তা লাহনে মহাসংঘৰ প্ৰচাৰ সচিবৰ দায়িত্বত থাকোঁতে ৰাজ্যৰ বিভিন্ন স্থানত অনুষ্ঠানত অংশগ্ৰহণ কৰিছিল। তেখেতে ছুপ্ৰিম কোৰ্টত চলি থকা খিলঞ্জীয়া সুৰক্ষা সম্পৰ্কীয় গোচৰৰ কামত মহাসংঘৰ কাৰ্যকৰী সভাপতি মতিউৰ ৰহমানৰ সৈতে নিয়মিতভাৱে নতুন দিল্লীলৈ গৈছিল। গত ২০২৩ চনত তেওঁ শাৰীৰিকভাৱে অসুস্থ হৈ পৰে। চিকিৎসাৰ ফলত চলিত বৰ্ষৰ আগষ্ট মাহত তেখেত কিছু সুস্থ হৈ আহিছিল। কিন্তু যোৱা ২৭ নৱেম্বৰত গুৱাহাটীৰ বৰবাৰীস্থিত বাসভৱনত আকৌ অসুস্থ হৈ পৰাত তেখেতক হেল্‌থ চিটি হাস্পতালত ভৰ্তি কৰোৱা হয়। শনিবাৰে পুৱা ৮: ১৬ বজাত তেখেতে শেষ নিশ্বাস ত্যাগ কৰে। নিৰঞ্জন লাহনক অমায়িক, স্বল্পভাষী আৰু দয়ালু ব্যক্তি ৰূপে সোঁৱৰণ কৰি অসম সন্মিলিত মহাসংঘৰ হৈ কাৰ্যকৰী সভাপতি মতিউৰ ৰহমানে তেখেতৰ আত্মাৰ শান্তি কামনা কৰি শোকসন্তপ্ত পৰিয়ালৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে। তেখেতে লাহনৰ মৃত্যুক সংগঠনৰ বাবে এক "অপূৰণীয় ক্ষতি" বুলি মন্তব্য প্ৰকাশ কৰে।

## নলবাৰী জিলাৰ বৰক্ষেত্ৰীৰ জাগাৰাত 'জনগোষ্ঠীয় সাংস্কৃতিক ঐক্যযাত্ৰা' উপলক্ষে ৰাজপথত অসমীয়া গীত-মাতৰ অনুষ্ঠান

# শদিয়াৰ পৰা ধুবুৰীলৈ অসমীয়া জাতি-জনগোষ্ঠীক একত্ৰিত কৰি ধৰি ৰখাৰ মহৎ প্ৰয়াস



**অসম বাৰ্তা, বৰক্ষেত্ৰী, ১ ডিচেম্বৰ ঃ** জনগোষ্ঠীয় সংস্কৃতিক ঐক্যমঞ্চ, অসমৰ উদ্যোগত ৩৪ দিনীয়াকৈ অনুষ্ঠিত হোৱা সাংস্কৃতিক ঐক্যযাত্ৰা উপলক্ষে আজি নলবাৰী জিলাৰ জাগাৰাৰ ৰাজপথত অসমীয়া গীত-মাত আৰু নৃত্যৰ অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানটিত অসমীয়া জাতি-জনগোষ্ঠীক একত্ৰিত কৰি ধৰি ৰাখিবলৈ যোৱা ১০ নৱেম্বৰৰ পৰা এনেদৰে অসমৰ বিভিন্ন প্ৰান্তত গীত-মাত পৰিৱেশন কৰি আহিছে। যোৱা ১০ নৱেম্বৰৰ পৰা ১৩ ডিচেম্বৰলৈকে 'জনগোষ্ঠীয় সাংস্কৃতিক ঐক্যমঞ্চ", অসমৰ কেন্দ্ৰীয় সমিতিৰ আহ্বানমৰ্মে নলবাৰী জিলা সমিতিৰ উদ্যোগত ইয়াৰ অন্তৰ্গত বিভিন্ন জিলা, মহকুমা আৰু আঞ্চলিক সমিতিৰ লগতে ৰাজ্যিক মহিলা মঞ্চ, ৰাজ্যিক যুৱমঞ্চ, সতীৰ্থবৃন্দ আৰু জাতীয় জনগোষ্ঠীয় মঞ্চ সংগঠনৰ শুভাকাংক্ষীৰ সহযোগত অসমৰ বিভিন্ন প্ৰান্তৰ জাতি-জনগোষ্ঠীসকলক একত্ৰিত কৰি সম্প্ৰীতিৰ এনাজৰীৰে সমন্বয়ৰ বাৰ্তা বিয়পাই দিয়াৰ প্ৰচেষ্টাৰে অসম আৰু অসমীয়াৰ স্বাভিমানক বিশ্বৰ দৰবাৰত জিলিকাই তোলাৰ মানসেৰে যোৱা ১৮ মে'ত মাজুলীস্থিত শ্ৰী শ্ৰী গড়মূৰ সত্ৰৰ সত্ৰাধিকাৰে এই সাংস্কৃতিক যাত্ৰাৰ শুভাৰম্ভ কৰে যদিও দেশৰ প্ৰতিকূল পৰিৱেশৰ বাবে উক্ত কাৰ্যসূচী স্থগিত ৰাখিবলগীয়া হৈছিল। বৰ্তমান পুনৰ ১০ নৱেম্বৰৰ পৰা ১৩ ডিচেম্বৰলৈকে ৩৪ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ৰাজীৱ শদিয়াৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাঞ্জলি জনাই জাতি জনগোষ্ঠীসকলৰ পদূলি পথেৰে আগুৱাই বিশ্ব ঐতিহ্যক্ষেত্ৰ মাজুলীৰ সত্ৰৰ প্ৰতি থকা আবেগ আৰু ধাৰণাৰ বিপৰীতে বৰ্তমান শ্ৰীশ্ৰী গড়মূৰ সত্ৰৰ তত্ত্বাৱধানত মাজুলী জিলা সমিতি, আঞ্চলিক সমিতিসমূহ আৰু ইয়াৰ দাঁতিকাষৰীয়া গাঁওবাসী ৰাইজৰ সহযোগত ১১ ডিচেম্বৰৰ পৰা ১৩ ডিচেম্বৰলৈকে তিনিদিনীয়া কাৰ্যসূচীৰে বৰ্ণাঢ্য জনগোষ্ঠীয় সাংস্কৃতিক সমাৰোহৰ জৰিয়তে জাতি-জনগোষ্ঠীসমূহক একেখন মঞ্চত একত্ৰিত কৰাৰ ঐতিহাসিক প্ৰয়াস কৰিছে। নলবাৰী জিলা জনগোষ্ঠীয় সাংস্কৃতিক ঐক্যমঞ্চৰ সভাপতি অনিল তালুকদাৰে জনোৱা অনুসৰি প্ৰায় ৩২ জনীয়া দল এটি উক্ত কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ মাজুলীলৈ ৰাওনা হ'ব বুলি জনাইছে।

# কচুৱাৰ সাংবাদিক অনুপজ্যোতি লাহনলৈ "সত্যনিষ্ঠ সাংবাদিকতা বঁটা-২০২৫"

**অসম বাৰ্তা, কচুৱা, ১ ডিচেম্বৰ ঃ** কচুৱাৰ জ্যেষ্ঠ সাংবাদিক অনুপজ্যোতি লাহনলৈ মহাশয় প্ৰকাশন পৰিষদ, অসমে ২০২৫ বৰ্ষৰ 'সত্যনিষ্ঠ সাংবাদিকতা বঁটা' প্ৰদান কৰাত কচুৱা প্ৰেছ ক্লাব, কামপুৰ আঞ্চলিক কৰ্মচাৰী পৰিষদ আৰু কচুৱা তিনিআলি পৰিবহণ শ্ৰমিক সন্থাই আন্তৰিক অভিনন্দন জনাইছে। নবৈ দশকৰ পৰা বৰ্তমানলৈকে বিভিন্ন কাকতত সাংবাদিকতা কৰা অনুপজ্যোতি লাহনক শিক্ষক প্ৰকাশন সংস্থা, অসমৰ অনুমোদিত মহাশয় প্ৰকাশন পৰিষদে যোৱা ২৭ অক্টোবৰত গুৱাহাটীৰ মাছখোৱাৰ সাংস্কৃতিক ন্যাস ভৱনত আয়োজিক এক বৰ্ণাঢ্য অনুষ্ঠানত এইবঁটা প্ৰদান কৰে। শ্ৰী লাহন বৰ্তমান মৰিগাওঁ জিলাৰ বাৰপুজিয়াত বসবাস কৰে।

## খেল আনুষ্ঠানিকভাৱে উদ্বোধন বিশিষ্ট সমাজ কৰ্মী যতীন পাঠকৰ

# বকোত জননেতা সাব্যসাচী ৰাভা ফুটবলৰ চূড়ান্ত খেলত বকো চেম্পিয়ন





**অসম বাৰ্তা, বকো, ১ ডিচেম্বৰ ঃ** নিখিল ৰাভা ছাত্ৰ সন্থাৰ প্ৰতিষ্ঠাপক সাধাৰণ সম্পাদক কামৰূপ জিলাৰ বকোৰ প্ৰয়াত সাব্যসাচী ৰাভাৰ সোঁৱৰণত আয়োজন কৰা হয় বাৰ্ষিক ফুটবল প্ৰতিযোগিতা। ৰাভা হাছং স্বায়ত্ত্ব শাসিত পৰিষদৰ অৰ্থ সাহায্যত কামৰূপ জিলা ৰাভা ছাত্ৰ সন্থাৰ উদ্যোগত বিগত বছৰবোৰৰ দৰে এই বৰ্ষও আয়োজন কৰা হৈছে প্ৰতিযোগিতা খন। ৰাভা ছাত্ৰ সন্থাৰ কামৰূপ জিলা সমিতিৰ সভাপতি আনন্দ ৰাভা আৰু সম্পাদক অশোক নংবাগে জনোৱা মতে জাতীয় সংগঠনটোৰ উদ্যোগত বকো হাইস্কুল খেলপথাৰত এই বেলি ত্ৰয়োদশ সংখ্যক বৰ্ষৰ বাবে আয়োজন কৰা হৈছে ফুটবল প্ৰতিযোগিতা খন। ইফালে জননেতা সব্যসাচী ৰাভা সোঁৱৰণী প্ৰাইজমানি ফুটবল প্ৰতিযোগিতা পৰিচালনা সমিতিৰ সভাপতি তথা ৰাভা হাছং স্বায়ত্ত্ব শাসিত পৰিষদৰ কাৰ্য্যবাহী সদস্য সুমিত ৰাভা আৰু সম্পাদক জগন্নাথ ৰাভাই জনোৱা মতে; আজি প্ৰতিযোগিতাৰ চূড়ান্ত খেলখন আনুষ্ঠানিক ভাৱে উদ্বোধন কৰে বিশিষ্ট সমাজ কৰ্মী যতীন পাঠকে। ইফালে প্ৰতিযোগিতাৰ ফাইনেল তথা চূড়ান্ত খেলত প্ৰতিদ্বন্দ্বিতা কৰে বকো ফুটবল দ'ল বনাম ছয়গাঁও ফুটবল দলে। খেলখনত বকো ফুটবল দলে ১-০ গলত ছয়গাঁও দলক পৰাস্ত কৰি চেম্পিয়ন হয়। খেলত বৃহত্তৰ অঞ্চলটোৰ বহু সংখ্যক বিশিষ্ট ক্ৰীড়া সংগঠক; সমাজ সংগঠনৰ কৰ্মী আৰু ছাত্ৰ কৰ্মীয়ে সহযোগ আগবঢ়াই। খেলৰ শেষত বঁটা বিতৰণী অনুষ্ঠান অনুষ্ঠিত হয়। খেলখনত শ্ৰেষ্ঠ খেলুৱৈ বকো দলৰ লোহিত ৰাভা, শ্ৰেষ্ঠ গ'ল দাতা বকো দলৰ আব্দুল হাকিম, শ্ৰেষ্ঠ গ'ল ৰক্ষক বকো দলৰ মাপাছা বড়ো, প্ৰতিযোগিতাৰ সৰ্ব শ্ৰেষ্ঠ খেলুৱৈ বকো দলৰ সুৰজ ৰাভাক বিবেচিত কৰা হয়।

# কোচৰাজবংশী জনগোষ্ঠীৰ সকলো ব্যক্তিক ইউ.পি.পি.এল. দল ত্যাগ কৰিবলৈ আহ্বান কে.এল.অ'ৰ

**অসম বাৰ্তা, দোতমা, ১ ডিচেম্বৰ ঃ** ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ বিৰুদ্ধে মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীসকলৰ দ্বাৰা হোৱা হিংসাত্মক কাৰ্যসূচীৰ পিছত ডি, এল, কোচৰ নেতৃত্বাধীন কে, এল, অ (কে, এন)য়ে UPPL এটা কোচ-ৰাজবংশী বিৰোধী ৰাজনৈতিক দ'ল বুলি অভিহিত কৰি আজি এক প্ৰেছ বিবৃতিত কয় যে আমাৰ দৃষ্টিগোচৰ হৈছে যে কোচ-ৰাজবংশী জনগোষ্ঠীৰ ন্যায্য প্ৰাপ্য সাংবিধানিক অধিকাৰ জনজাতিকৰণৰ বিৰুদ্ধে নিখিল বড়ো ছাত্ৰ সথা (ABSU)ই সৰ্বতোভাৱে বিৰোধিতা কৰি আহিছে। কোচ-ৰাজবংশী জনগোষ্ঠীৰ জনজাতিকৰণৰ প্ৰক্ৰিয়াটোক ৰখাবৰ কাৰণে তেওঁলোকে আন আন জনজাতীয় ছাত্ৰ ছাত্ৰীসকলক কোচ-ৰাজবংশী জনগোষ্ঠীৰ বিৰুদ্ধে উচটনি দি হিংসাত্মক ঘটনা সংঘটিত কৰাও দেখা গৈছে। তেনে ক্ষেত্ৰত নিখিল বড়ো ছাত্ৰ সন্থা (ABSU)ৰ লগত ঘনিষ্ঠ সম্পৰ্ক থকা বা মূলতঃ নিখিল বড়ো ছাত্ৰ সন্থা (ABSU)ৰ দ্বাৰা পৰিচালিত ৰাজনৈতিক দল UPPLত কোনো কোচ-ৰাজবংশী ব্যক্তি থকা আমি কে, এল, অ (কে, এন)এ উচিত বুলি বিবেচনা নকৰোঁ। ইচ্ছা কৰিলে UPPL-নেতৃত্বই নিখিল বড়ো ছাত্ৰ সন্থা (ABSU)ৰ এই ভূমিপুত্ৰ কোচ-ৰাজবংশী জনগোষ্ঠীৰ ন্যায্য প্ৰাপ্য সাংবিধানিক অধিকাৰৰ বিৰুদ্ধে প্ৰতিবাদ আন্দোলন কৰা কাৰ্য নিয়ন্ত্ৰণ কৰিব পাৰিলে হয়। কিন্তু, কৰা নাই। ইয়াৰ পৰা বুজা যায় যে এই কোচ-ৰাজবংশী বিৰোধী কাৰ্যকলাপৰ বিষয়ে UPPL নেতৃত্বও সম্পূৰ্ণ ৰূপে অৱগত আৰু নিখিল বড়ো ছাত্ৰ সন্থা (ABSU)ৰ এই কোচ-ৰাজবংশী বিৰোধী কাৰ্যত UPPLও জড়িত আছে; অৰ্থাৎ UPPL এটা কোচ-ৰাজবংশী বিৰোধী ৰাজনৈতিক দ'ল। গতিকে, জাতি মাটিৰ বৃহত্তৰ

# ৰাষ্ট্ৰীয় স্কুল গেমছত জাঁজী ফুলপানীছিগাৰ মানসৰ স্বৰ্ণ পদক লাভ

**অসম বাৰ্তা, জাঁজী, ১ ডিচেম্বৰ ঃ** অৰুণাচল প্ৰদেশৰ ইটানগৰত যোৱা ২৫ নবেম্বৰৰ পৰা অনুষ্ঠিত হোৱা ৬৯ সংখ্যক নেচনেল স্কুল গেমছত শিৱসাগৰ জিলাৰ জাঁজী ফুলপানীছিগা চাংমাই গাওঁ নিবাসী প্ৰশান্ত দুৱৰাৰ পুত্ৰ তথা শিৱসাগৰ জিলা ভাৰোত্তোলন সন্থাৰ খেলুৱৈ মানস প্ৰতীম দুৱৰাই ভাৰোত্তোলনৰ ল'ৰাৰ ১৭ বছৰ অনুৰ্ধৰ ৫৬ কেজি শাখাত স্বৰ্ণ পদক লাভ কৰি জিলাখনৰ লগতে ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। আনহাতে ১ ডিচেম্বৰলৈকে অনুষ্ঠিত হব লগা ৰাষ্ট্ৰীয় প্ৰতিযোগিতা খনত মানসে স্নেচত ৯০ কেজি, ক্লীন এণ্ড জাৰ্কত ১০৯ কেজি ধৰি সৰ্বমুঠ ১৯৯ কেজি উত্তোলন কৰিছিল। জাঁজী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ দশম শ্ৰেণীৰ ছাত্ৰ তথা ফুলপানীছিগা অমৰজ্যোতি হেল্‌থ ক্লাবত নিয়মীয়া




প্ৰশিক্ষণ গ্ৰহণ কৰি থকা মানসে যোৱা ১ জুলাইত খেলো' ইণ্ডিয়া প্ৰকল্পৰ অধীনত মহাৰাষ্ট্ৰৰ ঔৰংগবাদৰ ছাই একাডেমিত যোগদান কৰিছে। মানসৰ এই সফলতা বৃহত্তৰ ফুলপানীছিগাবাসী ৰাইজ, জাঁজী উঃমাঃ বিদ্যালয় কৃৰ্তপক্ষ আৰু শিৱসাগৰ জিলা ভাৰোত্তোলন সন্থাই অভিনন্দন জনাইছে।

# গৰৈমাৰী দঞ্জিপলঃ উচ্চ মাধ্যমিক বিদ্যালয়ত শিক্ষকৰ অভাৱয কাণসাৰ নাই শিক্ষা বিভাগৰ

**অসম বাৰ্তা, লখিমপুৰ বিশেষ, ১ ডিচেম্বৰ ঃ** ৰাজ্যৰ শিক্ষা বিভাগত যে উন্নয়নৰ নামত মাত্ৰ ঢাক-ঢোল হেবজোৱা হৈছে, এইকথা লখিমপুৰ জিলাৰ গৰৈমাৰী দঞ্জিপলঃ উচ্চ মাধ্যমিক বিদ্যালয়ত অব্যাহত থকা শিক্ষকৰ অভাৱে প্ৰতিফলিত কৰিছে। ভীমপৰা গাঁও পঞ্চায়তৰ শিক্ষাৰ্থীৰ ভৰসাৰ থলী তথা একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান গৰৈমাৰী দঞ্জিপলঃ উচ্চ মাধ্যমিক বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ অনুপাতে যথেষ্ট শিক্ষকৰ অভাৱ ঘটিছে। বিদ্যালয়খনত প্ৰায় ৬০০ ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে মাত্ৰ ছয়জন স্থায়ী শিক্ষকে পাঠদান কৰি আহিছে। বিদ্যালয়খনত এজনো ৰয়েল বি এ চিৰ শিক্ষক নথকাৰ বিপৰীতে হিন্দী শিক্ষক আছে মাত্ৰ এজন। শিক্ষকৰ অভাৱত ছাত্ৰ-ছাত্ৰীয়ে ভালদৰে অধ্যয়ন কৰিবলৈ নোপোৱাত অভিভাৱক সকলো ক্ষোভিত হৈ পৰিছে। আন্তঃগাঁথনি থকা গৰৈমাৰী দঞ্জিপলঃ উচ্চ মাধ্যমিক বিদ্যালয়ত শিক্ষকৰ অভাৱ হোৱাটো ভয়ংকৰ সমস্যাৰ কাৰণ হৈ পৰিছে। এই সমস্যাৰ সমাধানৰ বাবে আছু, পৰিচালনা সমিতিকে আদি কৰি বিভিন্ন সময়ত জিলা আয়ুক্ত, বিধায়ক, শিক্ষা বিষয়াক আবেদন নিবেদন কৰি অহাৰ পিছতো সকলো আহ্বান ফুটুকাৰ ফেনত পৰিণত হৈছে। ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক ভৱিষ্যতৰ প্ৰতি লক্ষ্য ৰাখি বিদ্যালয়খনত ছাত্ৰ-ছাত্ৰীৰ অনুপাতে শিক্ষক নিয়োগ কৰিবলৈ বিদ্যালয় পৰিচালনা সমিতিকে আদি কৰি দল সংগঠন, স্থানীয় ৰাইজে শিক্ষা মন্ত্ৰী ৰনোজ পেগুক দাবী জনাইছে।

# তামোলপুৰ জিলা গোৰ্খা ছাত্ৰ সন্থাৰ প্ৰতিনিধি সভা; নতুন সমিতি গঠন

**অসম বাৰ্তা, গোৰেশ্বৰ, ১ ডিচেম্বৰ ঃ** তামোলপুৰ জিলাৰ অন্তৰ্গত টেকীয়াবস্তিস্থিত এনচি আণ্ডাৰাকাটা প্ৰাথমিক বিদ্যালয় প্ৰাংগণত আজি সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাৰ তামোলপুৰ জিলা সমিতিৰ দ্বিতীয় দ্বি-বাৰ্ষিক অধিৱেশনৰ প্ৰতিনিধি সভা অনুষ্ঠিত হয়। কাৰ্যসূচী অনুসৰি, পুৱা ৮ বজাত সংগঠনটোৰ পতাকা উত্তোলন, শ্বহীদ তৰ্পণ আৰু প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ পিছতেই দিনৰ ২ বজাত জিলা সমিতিৰ অন্তিমখন কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। আবেলি ৬ বজাত তামোলপুৰ জিলা গোৰ্খা ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি ৰাজু তামাঙৰ সভাপতিত্বত প্ৰতিনিধি সভা অনুষ্ঠিত হয়। সাধাৰণ সম্পাদক টংক ভট্টৰাইয়ে আঁত ধৰা সভাখন শুভ উদ্বোধন কৰে সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সম্পাদকজন কুমাৰ চৌহানে। জানিবলৈ দিয়া মতে, প্ৰতিনিধি সভাত জিলাখনৰ বিভিন্ন আঞ্চলিক সমিতিৰ পৰা অহা প্ৰতিনিধিসকলে আগন্তুক দুবছৰ কাৰ্যকালৰ বাবে বিনা প্ৰতিদ্বন্দ্বিতাৰে সভাপতি পদত টংক ভট্টৰাই, উপ-সভাপতি পদত বুদ্ধি কৃষ্ণ উপ্ৰেতি, ৰাজেন অধিকাৰী আৰু ৰশ্মি পৌডেল, সাধাৰণ সম্পাদক পদত বিপ্লৱ চিমৰীয়া আৰু সম্পাদক পদত ৰাজু চিটোলাক মনোনীত কৰি এখন শক্তিশালী তামোলপুৰ জিলা সমিতি গঠন কৰে। উক্ত সভাত পৰ্যবেক্ষক হিচাপে সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় উপ-সভাপতি ৰোহিত লমছাল, কেন্দ্ৰীয় সাংগঠনিক সম্পাদক দুৰ্গা বস্নেত, কেন্দ্ৰীয় কাৰ্যালয় সম্পাদক বিকাশ শৰ্মা, কেন্দ্ৰীয় আইটি সম্পাদক কিৰণ খডকা আৰু বিটিআৰ ক্ষেত্ৰীয় সমিতিৰ সম্পাদক দিপেন্দ্ৰ কাৰ্কী উপস্থিত থাকে। আনহাতে, সভাখনত কেন্দ্ৰীয় উপ-সভাপতি সঞ্জীৱ চৌহান, কেন্দ্ৰীয় উপ-সভাপতি ৰাজু বজগাঁই, বিটিআৰ ক্ষেত্ৰীয় সমিতিৰ উপ-সভাপতি প্ৰতাপ মগৰ, সাধাৰণ সম্পাদক ৰাজু সুবেদী, কাৰ্যালয় সম্পাদক ৰাজু লমছালকে আদি কৰি বহু বিশিষ্ট ব্যক্তি অতিথি হিচাপে উপস্থিত থাকে।

# চাওঁতাল ছাত্ৰ সন্থা (এছু) চৰাইদেউ জিলা সমিতিৰ উদ্যোগত ধান দোৱাৰ সাউৰি অনুষ্ঠান

**অসম বাৰ্তা, গেলেকী, ১ ডিচেম্বৰ ঃ** চৰাইদেউ, জিলাৰ টীয়ক বালিজানত সদৌ চাওঁতাল ছাত্ৰ সন্থা (এছু) চৰাইদেউ জিলা সমিতিৰ উদ্যোগত আৰু জিলা সমিতিৰ অন্তৰ্গত সমূহ আঞ্চলিক সমিতিৰ সক্ৰিয় সহযোগত অত্যন্ত সফলতাৰে সম্পন্ন হ'ল "ধান দোৱাৰ সাওঁৰি" অনুষ্ঠান। অনুষ্ঠানটো চাওঁতাল ছাত্ৰ সন্থাৰ কৃষি বিপ্লৱ উদ্যোগৰ অংশ হিচাপে প্ৰায় ২০ বিঘা কৃষিজমিত জিলাৰ সমূহ চাওঁতাল ৰাইজৰ সহযোগত অনুষ্ঠিত কৰা হয়। চাওঁতাল সমাজৰ কৃষি পৰম্পৰা পুনৰুজ্জীৱিত কৰি নতুন প্ৰজন্মক কৃষিৰ লগত জড়িত কৰি তোলা, আৰু একতাবদ্ধ সামূহিক কৰ্মৰ সংস্কৃতি গঢ়ি তোলাৰ লগতে জিলা স্তৰত "কৃষি বিপ্লৱ"ৰ বাৰ্তা প্ৰসাৰণ কৰাৰ উদ্দেশ্যে অনুষ্ঠিত কৰা এই সাওঁৰি অনুষ্ঠানটোত স্থানীয় কৃষক, যুৱক-যুৱতীৰ লগতে বহু লোকৰ উপস্থিতিত অনুষ্ঠানটো এক সামাজিক সম্প্ৰীতি আৰু পৰম্পৰাগত কৃষি সংস্কৃতিৰো এক মহান উৎসৱত পৰিণত হয়। উল্লেখযোগ্য যে চাওঁতাল ছাত্ৰ সন্থাই কৃষিক্ষেত্ৰত আত্মনিৰ্ভৰশীলতাৰ ধাৰণাক আগবঢ়াবলৈ নানা উদ্যোগ লৈ আহিছে। সেই ধাৰাৰেই প্ৰায় দুই শতাধিক দাৱনীয়ে অংশগ্ৰহণ কৰা সাঁওৰি অনুষ্ঠানটোৰেও এক নতুন দৃষ্টান্ত দাঙি ধৰিলে।

### টংলাত জনগোষ্ঠীয় লেখক-লেখিকা সন্মিলন আৰু অসম সাহিত্য সভাৰ নৃগোষ্ঠীয় নৃত্যৰ ছন্দে ছন্দে অনুষ্ঠান সম্পন্ন

# সমাজ-সংস্কৃতি ৰক্ষাৰ ক্ষেত্ৰত অসম সাহিত্য সভা দায়বদ্ধ ঃ দেৱজিৎ বৰা

**ষ্টাফ ৰিপৰ্টাৰ, টংলা, ১ ডিচেম্বৰ ঃ** সমাজ সংস্কৃতি ৰক্ষাৰ ক্ষেত্ৰত অসম সাহিত্য সভা দায়বদ্ধ। অসম সাহিত্য সভাৰ নেতৃত্বৰ প্ৰতি সততে সজাগ দৃষ্টি ৰাখি পৰামৰ্শ আগবঢ়াবলৈ আহ্বান। ওদালগুৰি জিলা সাহিত্য সভাৰ উদ্যোগত টংলা সাহিত্য সভা আৰু টংলাবাসী ৰাইজৰ সহযোগত শ্বহীদ সুজিত নাৰ্জাৰী প্ৰেক্ষাগৃহত আজি অনুষ্ঠিত জনগোষ্ঠীয় লেখক - লেখিকা সন্মিলনত অংশগ্ৰহণ কৰি অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই এইদৰে কয়। ওদালগুৰি জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তাৰানাথ কলিতাৰ সঞ্চালনাত অনুষ্ঠিত অনুষ্ঠানত আদৰণী সমিতিৰ দ্বাৰা প্ৰকাশিত শংকৰ জ্যোতি দত্ত সম্পাদিত স্মৰণিকা, পূৰ্ণিমা ভূঞাৰ কাব্যগ্ৰন্থ সুহুৰি, অনুপমা দেৱীৰ গ্ৰন্থ সংস্কৃতি প্ৰবাহ, ড° চিন্তামনি শৰ্মাৰ নেপালী ভাষাত ৰচিত বিজ্ঞান প্ৰবন্ধৱলী অসমীয়া অনুবাদ বুদ্ধি সুবেদী আৰু ভূপেন ৰাভা ৰচিত গ্ৰন্থ ৰাভা ভাষা সাহিত্যে আৰু উপ গোষ্ঠীয় টৌটলা ৰাভাসকল উন্মোচন কৰে। অনুষ্ঠানত দীপক তালুকদাৰে লোক গীত পৰিৱেশন আৰু শিশু স্পন্দন ৰাজ বংশীয়ে কবিতা পাঠ কৰে। ওদালগুৰি জিলা সাহিত্য সভাৰ সভাপতি তজৰ আলী আহমেদে আদৰণী ভাষণ দিয়া



উক্ত অনুষ্ঠানত বিশিষ্ট সাহিত্যিক জয়ন্ত কুমাৰ চক্ৰৱৰ্ত্তী, সমাজ সেৱক বিকন চন্দ্ৰ ডেকা, ওদালগুৰি জিলাৰ বিশিষ্ট লেখক মুনিন্দ্ৰ বৈশ্য, ঘন কান্ত ডেকা, ওদালগুৰি জিলা লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী চন্দ্ৰ প্ৰভা দত্ত, বিশিষ্ট লেখক জীৱন চহৰীয়া, সুৰেন্দ্ৰ মোহন ৰাভা, ওদালগুৰি জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি দেৱৰাজ সাপকোটা, গুৱাহাটী আই আই টিৰ শৈক্ষিক পাঠ্যক্ৰম বিভাগৰ অধীক্ষক ড° বন্দনা খাটনিয়াৰ, কৃষ্ণ বড়া, ভেৰগাঁও জিলা বড়ো সাহিত্য সভাৰ সভাপতি বাবুল অখাফৌৰ বড়ো, বুদ্ধি সুবেদী আদিয়ে ভাষণ দিয়ে। অসম সাহিত্য সভাৰ মঙ্গল চণ্ডী ব্ৰহ্ম ভাষা সাহিত্য সংস্কৃতি গৱেষণা প্ৰতিষ্ঠানৰ আহ্বায়ক অখিল কলিতাই আঁত ধৰা বিয়লি ভাগত অনুষ্ঠিত অসম সাহিত্য সভাৰ নৃগোষ্ঠীয় নৃত্যৰ ছন্দে ছন্দে অনুষ্ঠানত অসমৰ অন্যতম জনগোষ্ঠী ৰাভা জনজাতিৰ চাৰিটা প্ৰধান হামজাৰ, ছাথাৰ, ধাৰা আৰু ৰাংটকায় লোক নৃত্য পৰিৱেশন কৰি ওদালগুৰি জিলা ৰাভা কৃষ্টি সন্মিলনৰ শিল্পীসকলে ৰাইজক পুলকিত কৰে। চিন্ময় ডেকাৰ সত্ৰীয়া নৃত্য, জুৰি বড়োই প্ৰাণৰ শিল্পীৰ জুবিন গাৰ্গৰ গীত পৰিৱেশন কৰে। নৃত্য সমূহৰ তাৎপৰ্য ওদালগুৰি জিলা ৰাভা কৃষ্টি সন্মিলনৰ উপদেষ্টা ঋতুপৰ্ণ ৰাভাই ব্যাখ্যা কৰে। পুৱাৰ ভাগত বন্তি প্ৰজ্বলন আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত ওদালগুৰি জিলা সাহিত্য সভাৰ উপ সভাপতি সণ্টো ৰাম কছাৰী আৰু টংলা সাহিত্য সভাৰ উপ সভাপতি তপেশ্বৰ ৰাভাই ৰূপায়ণ কৰে। ২৯ নৱেম্বৰৰ পুৱা ৯ বজাত অসম সাহিত্য সভাৰ পতাকা উত্তোলন কাৰ্যসূচীৰে শুভাৰম্ভ কৰে টংলা সাহিত্য সভাৰ সভাপতি ঘটেশ্বৰ বৰুৱাই। অভ্যৰ্থনা সমিতিৰ কাৰ্যকৰী সভাপতি আদিত চন্দ্ৰ কলিতা আৰু অসম সাহিত্য সভাৰ আমন্ত্ৰিত সদস্য গৌৰী শংকৰ দাসে শ্বহীদ তৰ্পণ আৰু প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি কাৰ্যসূচী ৰূপায়ণ কৰে। টংলা সাহিত্য সভাৰ অন্তৰ্গত অসম সাহিত্য সভাৰ আজীৱন সভ্য সন্মিলন অনুষ্ঠানটি ওদালগুৰি ৰত্ন ধৰণীধৰ মেধিয়ে উদ্বোধন কৰা অনুষ্ঠানত দুশগৰাকী আজীৱন সভ্য উপস্থিত থাকে। মহিল সকলৰ আকাশ অনুষ্ঠান উদ্বোধন কৰে ড° প্ৰভা বৰুৱাই আৰু ন পুৰণি কবি সকলে পাঠ কৰা কবি সন্মিলন ঘটেশ্বৰ বৰুৱাই সঞ্চলনা কৰে। ২৯ আৰু ৩০ নৱেম্বৰৰ দুয়োদিনৰ বৰ্ণাঢ্য কাৰ্যসূচী সফল ৰূপায়ণ কৰি তোলা বাবে ওদালগুৰি জিলা আৰু টংলাবাসী ৰাইজক আয়োজক সমিতিৰ হৈ সভাপতি অৰ্জুন দৈমাৰী, টংলা সাহিত্য সভাৰ হৈ সম্পাদক শ্যামল কুমাৰ দাস আৰু ওদালগুৰি জিলা সাহিত্য সভাৰ হৈ সম্পাদক দিবাকৰ বড়াই আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।

### চামগুৰিত অগপৰ বিশেষ কাৰ্যনিৰ্বাহ সভাত দলৰ পৰা প্ৰাৰ্থী প্ৰক্ষেপৰ দাবী

# অগপৰ শীৰ্ষ নেতৃত্বই পূৰ্বৰ প্ৰতিশ্ৰুতি ৰক্ষা কৰক

**অসম বাৰ্তা, ৰূপহীহাট, ১ ডিচেম্বৰ ঃ** চামগুৰি সমষ্টিৰ ৰূপহী মজলীয়া বিদ্যালয়ত আজি অগপ দলৰ এক কাৰ্যনিৰ্বাহ সভা অনুষ্ঠিত হয়। আগন্তুক ২০২৬ ৰ বিধান সভা নিৰ্বাচন সম্পৰ্কে সভাখনত আলোচনা কৰা হয়। উক্ত সভাত অগপ নেতা নাৰায়ণ বৰা, নুৰুল আমিন চৌধুৰী, আঞ্জোমা বেগম আৰু আবু বক্কৰ ছিদ্দিক উপস্থিত থাকে। সভাৰ অন্তত চামগুৰি অগপ দলৰ বিধান পৰিষদৰ সভাপতি আবু বক্কৰ ছিদ্দিকে সংবাদ মাধ্যমৰ আগত কেবাটাও মন্তব্য কৰে। অগপ নেতা আবু বক্কৰ ছিদ্দিকে সংবাদ মাধ্যম ৰ আগত কয় যে আগন্তুক বিধানসভা নিৰ্বাচনত চামগুৰি সমষ্টিৰ পৰা অগপ দলৰ পৰা প্ৰাৰ্থী দিবলৈ অগপ দলৰ হাইকমাণ্ডৰ ওচৰত এক স্মাৰক পত্ৰ প্ৰেৰণ কৰে। বিগত ২০২৪ চনৰ চামগুৰি সমষ্টিৰ উপ নিৰ্বাচনত বিজেপি প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাক চামগুৰিৰ ৰাইজে বিপুল ভোটত জয়ী কৰাইছিল। চামগুৰিত উপ নিৰ্বাচনৰ



সময়ত অগপ দলৰ শীৰ্ষ নেতা তথা মন্ত্ৰী অতুল বৰা আৰু কেশৱ মহন্তই উপ নিৰ্বাচনৰ সময়ত প্ৰতিশ্ৰুতি দিছিল যে অহা ২০২৬ চনত চামগুৰি সমষ্টিত অগপ দলৰ প্ৰাৰ্থী প্ৰক্ষেপ কৰিব। চামগুৰিৰ পৰা এবাৰ অগপ দলৰ প্ৰাৰ্থী অতুল কুমাৰ শৰ্মা জয়ী হৈছে। বৰ্তমান চামগুৰি সমষ্টিত পূৰ্বৰ ৰূপহীহাট সমষ্টিৰ কেবাটাও পঞ্চায়ত আৰু নগাঁও সদৰ সমষ্টিৰ কেবাটাও পঞ্চায়ত চামগুৰি সমষ্টিৰ অন্তৰ্ভুক্ত হৈছে। ৰূপহীহাটৰ পৰা এবাৰ অগপ প্ৰাৰ্থী আব্দুল আজিজ জয়ী হৈছে। নগাঁও সদৰ সমষ্টিৰ পৰা বৰ্তমানৰ বিধায়ক ৰূপক শৰ্মা আৰু গিৰিন্দ্ৰ কুমাৰ বৰুৱা বিপুল ভোটত জয়ী হৈছিল। সেই সকলো ফালৰ পৰা বৰ্তমানৰ চামগুৰি সমষ্টিত অগপ দলৰ এক শক্তিশালী স্থিতি আছে। সেইবাবে আজিৰ এই বিশেষ সভাৰ জৰিয়তে চামগুৰিত অগপ দলৰ পৰা প্ৰাৰ্থী প্ৰক্ষেপ কৰিলে কৰ্মীসকলে সমষ্টিখন আঞ্চলিক দলটোৰ দখললৈ অহাৰ সম্ভাৱনা দেখা পাইছে। দলৰ সভাপতি অতুল বৰা আৰু কাৰ্যকৰী সভাপতি কেশৱ মহন্তই পূৰ্বৰ প্ৰতিশ্ৰুতি পালন কৰি সমষ্টিখনত অগপ দলৰ প্ৰাৰ্থী দিবলৈ স্মাৰক পত্ৰত উল্লেখ কৰে।

# টংলাত নিখিল ৰাভা জাতীয় পৰিষদৰ শতবৰ্ষ উৎসৱৰ অস্থায়ী কাৰ্যালয় উদ্বোধন

**অসম বাৰ্তা, টংলা, ১ ডিচেম্বৰ ঃ** আগন্তুক বছৰৰ জানুৱাৰীত ওদালগুৰি জিলাৰ টংলাত অনুষ্ঠিত হ'বলগীয়া নিখিল ৰাভা জাতীয় পৰিষদৰ শতবৰ্ষ উৎসৱ উদযাপনৰ অস্থায়ী কাৰ্যালয় ৰাভা সাংস্কৃতিক প্ৰকল্পৰ বাকৰিত আজি ভেৰগাঁও মহকুমাৰ মহকুমাধিপতি ৰিংখাং মুছাহাৰীয়ে শুভ উদ্বোধন কৰি অনুষ্ঠানটোৰ সফলতা কামনা কৰাৰ লগতে ৰাভা জনজাতিৰ সৰ্বাংগীণ বিকাশৰ বাবে পোষকতা কৰে। তেখেতে মহকুমা প্ৰশাসনৰ তৰফৰ পৰা অনুষ্ঠানটোৰ সফল ৰূপায়ণ হোৱাৰ বাবে যাৱতীয় সকলো কাম কৰিবলৈ প্ৰস্তুত চলাব বুলিব জনিব দিয়ে। ওদালগুৰি জিলা ৰাভা জাতীয় পৰিষদৰ সভাপতি প্ৰসন্ন ৰাভাই আঁত ধৰা অনুষ্ঠানত নিখিল ৰাভা জাতীয় পৰিষদৰ সভাপতি বাবুল চন্দ্ৰ ৰাভা, শতবৰ্ষ উৎসৱ উদ্‌যাপন সমিতিৰ সভাপতি কাৰ্যকৰী সভাপতি বিনোদ ৰাভা, ৰাভা গণ মঞ্চৰ সভাপতি হৰকান্ত ৰাভা, নিখিল ৰাভা ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি নৃপেন খান্দা, ওদালগুৰি জিলা ৰাভা ছাত্ৰ সন্থা, নিখিল ৰাভা মহিলা পৰিষদ, ৰাভা সাহিত্য সভা, ৰাভা জাতীয় পৰিষদ, ওদালগুৰি জিলা ৰাভা কৃষ্টি সন্মিলন আদি অনুষ্ঠানৰ বিষয়ববীয়া উপস্থিত থাকে। উল্লেখ্য অহা ১৯, ২০, ২১, ২২আৰু ২৩ জানুৱাৰী, ২০২৬ত শ্ৰীৰাম চন্দ্ৰ ৰাভা সোঁৱৰণী সমন্বয় ক্ষেত্ৰ, পুৰণি টংলা, হাবিগাঁৱত অনুষ্ঠিতব্য ৰাভা জাতীয় পৰিষদৰ শতবৰ্ষ উৎসৱৰ বাবে অসম বিধান সভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী ক সভাপতি, বিনোদ ৰাভাক কাৰ্যকৰী সভাপতি, প্ৰভাত চন্দ্ৰ ৰাভাক সাধাৰণ সম্পাদক, বিটিচিৰ মুখ্য কাৰ্যবাহী হাগ্ৰামা মহিলাৰীক মুখ্য পৃষ্ঠপোষক, টংকেশ্বৰ ৰাভাক পৃষ্ঠপোষক, সাংসদ দিলীপ শইকীয়াক মুখ্য উপদেষ্টা প্ৰমুখ্যে বহু বিশিষ্ট ব্যক্তিক লৈ শক্তিশালী অভ্যৰ্থনা সমিতি গঠন কৰা হৈছে বুলি জানিবলৈ দিছে। আয়োজক সমিতিয়ে জানিবলৈ দিয়া অনুসৰি উক্ত অনুষ্ঠানত ভুটান, বাংলাদেশ, নেপাল আদি ৰাষ্ট্ৰৰ লগতে পশ্চিম বংগ, উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যৰ পৰা প্ৰতিনিধিসকল উপস্থিত থাকিব।

# মৰিয়নিত আৰক্ষী একাদশ আৰু প্ৰেছক্লাব একাদশৰ মাজত বন্ধুত্ব মূলক ক্ৰিকেট; প্ৰেছক্লাবৰ জয়



**অসম বাৰ্তা, নকছাৰি, ১ ডিচেম্বৰ ঃ** মৰিয়নি আৰক্ষী একাদশ আৰু মৰিয়নি প্ৰেছক্লাব একাদশৰ মাজত আজি টি 20 টেনিছ ক্ৰিকেট খেল অনুষ্ঠিত হয়। দকলঙিয়া চাহ বাগিচাৰ খেলপথাৰত অনুষ্ঠিত হোৱা বন্ধুত্ব মূলক টেনিছ বল ক্ৰিকেট খেলৰ আৰম্ভণিত মৰিয়নি প্ৰেছ ক্লাবৰ অধিনায়ক কল্লোল দেৱে টচত জিকি প্ৰথম ফিল্ডিং কৰাৰ সিদ্ধান্ত লয় আৰু অধিনায়ক বকুল গগৈয়ে মৰিয়নি আৰক্ষী দলে বেটিং কৰি ১৮৮ৰান সংগ্ৰহ কৰে। তাৰ প্ৰত্যুত্তৰত মৰিয়নি প্ৰেছক্লাবে ৫উকেট হেৰুৱাই ১৮৯ ৰান সংগ্ৰহ কৰি জয় হয়। মৰিয়নি আৰক্ষী দলৰ নিৰেন পাটনায়কে ৮৮ৰান সংগ্ৰহ কৰিছিল আৰু প্ৰেছ ক্লাব দলৰ আশিস আগৰৱালে শতক অৰ্জন কৰি নিজৰ দলক জয়যুক্ত কৰে।

# আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ ৰাজ্যিক সমাৰোহত শীৰ্ষত তিনিচুকীয়া জিলা




**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ১ ডিচেম্বৰ ঃ** অসম চৰকাৰৰ বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু জলবায়ু পৰিৱৰ্তন দপ্তৰৰ অধীনস্থ আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ ২৮, ২৯ আৰু ৩০ নৱেম্বৰ তাৰিখে অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদৰ উদ্যোগত গুৱাহাটীস্থিত মণিৰাম দেৱান ট্ৰেড চেণ্টাৰত অনুষ্ঠিত হোৱা ৰাজ্যিক সমাৰোহত অংশগ্ৰহণ কৰি তিনিচুকীয়া জিলাই ৰাজ্যৰ ভিতৰতে শীৰ্ষ স্থান অৰ্জন কৰিবলৈ সক্ষম হৈছে। ৰাজ্যিক পৰ্য্যায়ত অনুষ্ঠিত হোৱা বিজ্ঞান ভিত্তিক মডেল প্ৰস্তুত প্ৰতিযোগিতাত আৱাৰ এ বি চি জুনিয়ৰ হাইস্কুল, বৰগুৰিৰ ছাত্ৰীদ্বয় গীতিকা সোণোৱাল আৰু আকাংক্ষা বৰাই প্ৰথম স্থান(আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ, গুইজান উন্নয়ন খণ্ড), বিজ্ঞান ভিত্তিক উদ্ভাৱনীমূলক ধাৰণা প্ৰতিযোগিতাত মডাৰ্ণ একাডেমী, ৰূপাইৰ ছাত্ৰ ৰাজবীৰ দেউৰীয়ে প্ৰথম স্থান, (আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ, হাপজান উন্নয়ন খণ্ড), বিজ্ঞান ভিত্তিক আকস্মিক বক্তৃতা প্ৰতিযোগিতাত বিবেকানন্দ কেন্দ্ৰ বিদ্যালয়, লাইপুলিৰ ছাত্ৰ আদিত্য প্ৰসাদে দ্বিতীয় স্থান (আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ, গুইজান উন্নয়ন খণ্ড), আৰু বিজ্ঞান ভিত্তিক পোষ্টাৰ অংকন প্ৰতিযোগিতাত ৰাধাকৃষ্ণ একাডেমী কাকপথাৰৰ ছাত্ৰী বেবিকা গগৈয়ে তৃতীয় স্থান (আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ, কাকপথাৰ উন্নয়ন খণ্ড), অৰ্জন কৰিবলৈ সক্ষম হয়। আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ, তিনিচুকীয়া জিলাৰ জিলা সমন্বয়ক দিগন্ত কুমাৰ ভাজনীৰ তত্ত্বাৱধানত তিনিচুকীয়া জিলাৰ পৰা বাছনি কৰা আঠগৰাকী ছাত্ৰ-ছাত্ৰী আৰু জিলাখনৰ সাতটা আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ খণ্ড সমন্বয়ক বৃন্দৰ লগতে দুগৰাকী শিক্ষক-শিক্ষয়িত্ৰীয়ে ৰাজ্যিক সমাৰোহত অংশগ্ৰহণ কৰে। ৰাজ্যৰ ভিতৰতে শীৰ্ষ স্থান অৰ্জন কৰিবলৈ সক্ষম হোৱা আৰু তিনিচুকীয়া জিলালৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হোৱা তিনিচুকীয়া জিলা আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ দলটোক অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদৰ সঞ্চালক ড° জয়দীপ বৰুৱা, তিনিচুকীয়া জিলা সংমণ্ডলৰ বিদ্যালয় সমূহৰ পৰিদৰ্শক বিন্তি শৰ্মা, ভাৰতজন বিজ্ঞান যাত্ৰাৰ তিনিচুকীয়া জিলাৰ সভাপতি জিতেন শৰ্মাই অভিনন্দন জনাইছে।

# ৰাইজ-ভক্তৰ ব্যাপক সঁহাৰিত মাজুলীত শ্ৰীশ্ৰী মহাবিষ্ণু যজ্ঞ সাম্পন্ন

**অসম বাৰ্তা, মাজুলী, ১ ডিচেম্বৰ ঃ** ২০১৪ চনত বিশিষ্ট সমাজ সেৱক ধৰ্ম্মপ্ৰান ব্যক্তি প্ৰয়াত থগেশ্বৰ ভৰালীৰ পৃষ্ঠপোষকতাত প্ৰতিস্থিত চিলাকলা স্থিত শ্ৰীশ্ৰী বিষ্ণু মন্দিৰ মাজুলীৰ এটি অন্যতম ধৰ্ম্মীয় অনুষ্ঠান। বৈদিক নীতি পৰম্পৰা অনুসৰি আজি ১২ বছৰে মাজুলী বাসীৰ লগতে আঞ্চলিক ৰাইজৰ সক্ৰিয় সহযোগত অনুষ্ঠানটিয়ে জিলাৰ বাহিৰে ভিতৰে ভক্তপ্ৰান ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰি আহিছে। চলিত বৰ্ষৰ ২৬ নৱেম্বৰৰ পৰা ২৮নৱেম্বৰ লৈ তিনিদিনীয়া এক বিস্তৃত কাৰ্যসূচীৰে মন্দিৰ প্ৰাংগনত অনুষ্ঠিত হয় বাৰ্ষিক শ্ৰীশ্ৰী মহাবিষ্ণু যজ্ঞ। ৰাইজ -ভক্ত- আই সকলৰ ব্যাপক সঁহাৰিৰ মাজত অনুষ্ঠিত হোৱা যজ্ঞৰ প্ৰথম দিনা অৰ্থাৎ ২৬ নৱেম্বৰৰ পুৱা সামুহিক স্বচ্ছ অভিযান আৰম্ভ হোৱাৰ পিছত গণেশ বৰাৰ দ্বাৰাই পুৱাৰ বন্তি প্ৰজ্বলন 'আঞ্চলিক ব্ৰাহ্মণ সমাজৰ ভকত বৈষ্ণৱ সমাজৰ দ্বাৰাই ভাগৱত পাঠ, কীৰ্তন আৰু স্বেচ্ছাসেৱী সংগঠন 'শ্ৰদ্ধা'ৰ সঞ্চালিকা ৰুক্মিণী ভূঞা ভৰালীয়ে আনুষ্ঠানিক বন্তি প্ৰজ্বলনেৰে প্ৰথম দিনাৰ কাৰ্যসূচীৰ আৰম্ভ হয়। ২৭ নৱেম্বৰৰ দ্বিতীয় দিনা সমাজ কৰ্ম্মী হৰেন্দ্ৰ মেধীয়ে পুৱাৰ বন্তি প্ৰজ্বলন কৰাৰ লগে লগে পুৱা ৯-১৫ বজাৰ পৰা সমবেত ধৰ্ম্মপ্ৰান ৰাইজ -ভক্ত - আয়তী সকলৰ জয় ধৰ্বনি, ডবা শংখ্বৰ শব্দৰ মাজত মহাযজ্ঞৰ আৰম্ভ হয়। আনুষ্ঠানিক ভাৱে সন্ধিয়াৰ বন্তি প্ৰজ্বলন কৰে দিনা ৰাম দাসে। ২৮নৱেম্বৰৰ অন্তিম দিনাৰ পুৱাৰ বন্তি প্ৰজ্বলন কৰে সমাজ সেৱক বাদি ৰাম দাস মেধিয়ে। পুৱাৰে পৰা বিষ্ণু মন্দিৰ প্ৰাংগত শতাধিক ৰাইজ ভকত বৈষ্ণৱৰ অংশ গ্ৰহণৰে নাম-কীৰ্তন অনুষ্ঠিত হয়। বিয়লি ৩-৫০ বজাৰ পৰা কাকৰিকটা পাৱনা সাংস্কৃতিক শিল্পী নিতুল সৰকাৰ, উমেশ সৰকাৰ, জয়ন্তী সৰকাৰৰ নেতৃত্বত 'হৰে কৃষ্ণ হৰে ৰাম' ভজন পৰিবেশনে যজ্ঞৰ পৰিৱেশ ভগবৎ মুখী কৰি তোলে। অনুষ্ঠানত বিধায়ক ভুৱন গাম, জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠক, নিবেদিতা দাস, সাংবাদিক দিবাকৰ শইকীয়া, ডাঃ নন্দেশ্বৰ দলে, ডাঃ বিশেশ্বৰ পেগু, গণেশ বৰা, কিনা ৰাম মেধি, বিতোপন দলে, দীপক গোস্বামী, সুমিত্ৰা হাজৰিকা, মনোজ শৰ্ম্মা, ৰাজু পুৰোহিত, ডিম্বেশ্বৰ খনিকৰ, কৃষ্ণ পেগু, মহাবীৰ প্ৰসাদ শৰ্মা, ৰাম সাগৰ নাথ, ৰমেশ ঘোষ, অমৰ ঘোষ, আদি কৰি শতাধিক জনৰ সৰ্ব্ব মংগলৰ হেতু যজ্ঞত আহুতি প্ৰদান কৰে। মুখ্য পুৰোহিত হিচাবে প্ৰদীপ শৰ্মাই আৰু সতীৰ্থ সকলে যজ্ঞৰ সমগ্ৰ কাৰ্যসূচীৰ শৃংঙ্খলিত ভাৱে পৰিচালনা কৰে। ভাস্কৰ্য শিল্পী বিতুল দাসে বিষ্ণু মূৰ্ত্তি ভাগি আটক ধুনীয়া কৈ নিৰ্ম্মান কৰে। তিনিদিনীয়া কাৰ্যসূচী সুচাৰুৰূপে সম্পন্ন কৰাত সহায় সহযোগিতা আগবঢ়োৱা সকলোলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে বিষ্ণু মন্দিৰৰ মুখ্য পৰিচালক প্ৰশান্ত ভৰাঁলীয়ে।

### মাৰ্ঘেৰিটা শাখা সমিতিয়ে কোনো ধৰণৰ জাননী প্ৰেৰণ নকৰাকৈ সংগঠনৰ পৰা নিলম্বন তথা বহিষ্কাৰ কৰাক লৈ প্ৰতিক্ৰিয়া ব্যক্ত দুই ছাত্ৰ নেতাৰ

# আটছা টিৰাপ-জাগুন উপ-শাখা সমিতিৰ উপদেষ্টা আৰু উপ-সভাপতিৰ সংবাদমেল সম্বোধন

**অসম বাৰ্তা বিশেষ, জাগুন, ১ ডিচেম্বৰ ঃ** মাৰ্ঘেৰিটা সম জিলাৰ অন্তৰ্গত দিহিং পাটকাই সমন্বয় ক্ষেত্ৰত দেওবাৰে বিয়লি এখনি সংবাদ মেল সম্বোধন কৰে সদৌ অসম চাহ জনজাতি ছাত্ৰ সন্থা টিৰাপ-জাগুন উপ-শাখা সমিতিৰ উপদেষ্টা ও উপ-সভাপতি ক্ৰমে মুক্তিনাথ হাজাম আৰু সুজয় কপিলে। উল্লেখ্য যে ২৪ নৱেম্বৰত মাৰ্ঘেৰিটা উন্নয়ন খণ্ডৰ সভা কক্ষত অনুষ্ঠিত হোৱা সদৌ অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ মাৰ্ঘেৰিটা শাখা সমিতিৰ কাৰ্যনিৰ্বাহক সভাত টিৰাপ-জাগুন উপ শাখা সমিতিৰ উপদেষ্টা মুক্তিনাথ হাজাম আৰু সুজয় কপিলক সংগঠনৰ পৰা নিলম্বন তথা বহিষ্কাৰ ও সাংগঠনিক কাম কাজৰ পৰা বিৰত থকাৰ নিৰ্দেশনা জাৰি কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰি লিখিত ভাৱে সংগঠনটোৰ কেন্দ্ৰীয় সমিতিলৈ পত্ৰ প্ৰেৰণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। মাৰ্ঘেৰিটা শাখা সমিতিৰ এই কাৰ্য্যক মানি লবলৈ প্ৰস্তুত নহয় বুলি সংবাদ মেল যোগে প্ৰকাশ কৰিছে দুই ছাত্ৰ নেতাই। উপদেষ্টা মুক্তিনাথ হাজাম আৰু উপ-সভাপতি সুজয় কপিলে শাখা সমিতিৰ কাৰ্যনিৰ্বাহক সভাই গ্ৰহণ কৰা সিদ্ধান্তত দোষ প্ৰকাশ কৰি এই সিদ্ধান্ত এক হঠকাৰী সিদ্ধান্ত বুলি অভিহিত কৰে। কিয়নো এই সিদ্ধান্ত গ্ৰহণ কৰাৰ পূৰ্বে ছাত্ৰ নেতা দ্বয়ক শাখা সমিতিয়ে কাৰণ দৰ্শোৱাৰ জাননী প্ৰেৰণ কৰিব লাগিছিল কিন্তু তাকে নকৰি আৰু এনে ধৰণৰ সিদ্ধান্ত গ্ৰহণ কৰাটো এক চিন্তনীয় বিষয় বুলি মন্তব্য প্ৰদান কৰে। লক্ষণীয় বিষয়টো হৈছে যে ছাত্ৰ নেতা মুক্তিনাথ হাজাম আৰু সুজয় কপিলে দুদিন পূৰ্বে হেবাতৰি কাকতৰ জৰিয়তে শাখা সমিতিয়ে গ্ৰহণ কৰা এই সিদ্ধান্তৰ বিষয়ে জানিব পাৰে বুলি সাংবাদিকৰ আগত মন্তব্য প্ৰকাশ কৰে। লগতে ছাত্ৰ নেতা দ্বয়ে উদ্বেগ প্ৰকাশ কৰি কয় যে, সংগঠনটোৰ কাৰ্যনিৰ্বাহক সভাৰ মজিয়াত গ্ৰহণ কৰা যিকোনো সিদ্ধান্ত অতিকৈ গুৰুত্বপূৰ্ণ বিষয়। এই সিদ্ধান্ত সমূহত সংগঠনটোৰ ভৱিষ্যত কাৰ্যপন্থাৰ সন্দৰ্ভত বিষদ ভাৱে আলোচনা কৰি প্ৰস্তাৱ আকাৰত লিপিবদ্ধ কৰা হয় আৰু ই এক অতিকৈ গুৰুত্বপূৰ্ণ বিষয়বস্তু বুলি বিবেচনা কৰা হয়। পৰিতাপৰ বিষয় যে এনে এক গোপনীয়তা ভংগ কৰি কোনে, কিয়, কিহৰ স্বাৰ্থত কাৰ্যনিৰ্বাহক সভাখনৰ কাৰ্য্যবিৱৰণিৰ প্ৰতিলিপি সাংবাদিকলৈ প্ৰেৰণ কৰিলে সেইয়াও এক বিচাৰ্য্যৰ বিষয় বুলি অভিহিত কৰে। ছাত্ৰ নেতাদ্বয়ে লগেতে এইটোও প্ৰকাশ কৰে যে, সংগঠনৰ সাংগঠনিক কাম-কাজত হয়তো কেতিয়াবা নিজৰ ভিতৰত ম'তবিৰোধ বা মতানৈক্য থাকিব পাৰে তাকে লৈ সংগঠনৰ ভিতৰচৰাৰ গোপনীয়তাক এইদৰে উদঙাই দিয়াটো কিমানদুৰ যুক্তি সংগত। এইয়াও জানো সংগঠনটোৰ সংবিধান বিৰোধী কাৰ্য্য নহয় নেকি বুলি ক্ষোভ প্ৰকাশ কৰে ছাত্ৰ নেতা মুক্তিনাথ হাজাম আৰু সুজয় কপিলে।

### যিকোনো সময়তে চলিব পাৰে প্ৰশাসনৰ বুল্ডজাৰ

# অন্তিম সময় উকলিল যোগীঘোপাৰ পাচনীয়া গো-মাঠৰ বেদখলকাৰীৰ



**ষ্টাফ ৰিপৰ্টাৰ, বঙাইগাঁও, ১ ডিচেম্বৰ ঃ** বঙাইগাঁও জিলাৰ পাচনীয়া গো-মাঠৰ ৫৩৩ বিঘা ভূমিত বেদখল কৰি বসবাস কৰা সন্দেহযুক্ত নাগৰিকক প্ৰশাসনে স্ব-ইচ্ছাই আঁতৰি যাবলৈ দিয়া নিৰ্দেশৰ সময়সীমাৰ আজি আছিল অন্তিমটো দিন। সেয়ে আজি দুপৰীয়া বঙাইগাঁৱৰ জিলা আয়ুক্ত নবদ্বীপ পাঠক, অভয়াপুৰীৰ সমজিলা আয়ুক্ত শান্তা কাৰ্কী ছেত্ৰী, সৃজনগ্ৰামৰ ৰাজহ চক্ৰ বিষয়া জয়ন্ত চক্ৰৱৰ্তীয়ে সদলবলে গো-মাঠত উপস্থিত হয়। নিৰ্ধাৰিত দিনৰ অন্তিম দিনটোতো স্বেচ্ছাই আঁতৰি নোযোৱা পৰিয়ালৰ ঘৰে ঘৰে গৈ আজিৰ ভিতৰতে নিৰ্মাণ কাৰ্য ভাঙি অইন ঠাইলৈ স্থানান্তৰিত হ'বলৈ নিৰ্দেশ দিয়ে। সমজিলা আয়ুক্ত শান্তা কাৰ্কী ছেত্ৰীয়ে জানিবলৈ দিয়া মতে গোমাঠখনত ১৬৪টা পৰিয়ালে বেদখল কৰি বসতি কৰি আহিছিল যদি প্ৰশাসনৰ পৰা উচ্ছেদৰ জাননী দিয়াৰ পাছতে কিছু পৰিয়ালে স্বে-ইচ্ছাই নিৰ্মাণ কাৰ্য ভাঙি আঁতৰি গৈছিল। কালিও ১৭টা আৰু আজি ৭টা পৰিয়ালে গো-মাঠৰ পৰা আঁতৰি যায়। বৰ্তমানে ৫৪টা পৰিয়ালে গো-মাঠত বসতি কৰি থকা বুলি সমজিলা আয়ুক্ত জানিবলৈ দিয়াৰ লগতে বেদখল এৰি দিবলৈ মাইকিং যোগে নিৰ্দেশ দিব বুলিও জানিবলৈ দিয়ে। অন্যথা যি কোনো সময়তে উচ্ছেদ চলাব বুলি কয় বিষয়াগৰাকীয়ে। উল্লেখ্য যে যোৱা ২৫ নৱেম্বৰত জিলা আয়ুক্তই গো-মাঠ পৰিদৰ্শন কৰাৰ লগতে পিছদিনা সমজিলা আয়ুক্ত গৰাকীয়ে গো-চৰণীয়া পথাৰৰ চাৰি সীমাত ৰঙা নিচান আঁৰি বেদখলকাৰীসকলক স্বেচ্ছাই আঁতৰি যোৱাৰ বাবে অহা ৩০ নৱেম্বৰ চৰম সময়সীমা বান্ধি দিছিল। জানিব পৰা মতে জিলাখনৰ সৃজনগ্ৰাম ৰাজহ চক্ৰৰ অন্তৰ্গত পাচনীয়া-খোৰাগাঁও পঞ্চায়তৰ গোমাঠখনত দীৰ্ঘদিন ধৰি একাংশ সন্দেহযুক্ত নাগৰিকে ঘৰ-দুৱাৰ সাজি নিগাজীকৈ বসতি কৰিবলৈ লয়। উল্লেখ্য যে চলিত বৰ্ষৰ ২৯ জুলাইত জিলা আয়ুক্ত, আৰক্ষী অধীক্ষকৰ নেতৃত্বত প্ৰশাসনৰ উচ্চস্তৰীয় দলে গো-মাঠত উপস্থিত হয় আৰু বেদখলকাৰীক এসপ্তাহৰ সময় দি গো-চৰণীয়া পথাৰ এৰিবলৈ মৌখিক জাননী দিয়াত বহু বেখলকাৰী পৰিয়াল ঘৰ-দুৱাৰ ভাঙি আন ঠাইলৈ স্থানান্তৰিত হয়। কিন্তু প্ৰশাসনে গো-মাঠখন সুৰক্ষিত কৰাৰ ব্যৱস্থা নোলোৱাত ইয়াৰে সুবিধা লৈ পুনৰাই বেদখলৰ কবলত পৰে গো-মাঠখন।

# ৰাজ্যিক পৰ্যায়ৰ প্ৰতিযোগিতাত ছিপাঝাৰৰ কাত্যায়ন শৰ্মাৰ কৃতিত্ব

**ষ্টাফ ৰিপৰ্টাৰ, টংলা, ১ ডিচেম্বৰ ঃ** অসম চৰকাৰৰ বিজ্ঞান-প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদৰ অন্তৰ্গত 'আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ'ৰ উদ্যোগত ২৯ নৱেম্বৰত গুৱাহাটীত আয়োজিত ৰাজ্যিক পৰ্যায়ৰ বিজ্ঞান ভিত্তিক আকস্মিক বক্তৃতা প্ৰতিযোগিতা( Science based extempore Speech Competition)ত অংশগ্ৰহণ কৰি বাগ্মিতাৰে সাৱলীল প্ৰদৰ্শন আগবঢ়াই Top 4 স্থান লাভ কৰিছে জাতীয় বিদ্যালয় ছিপাঝাৰৰ নৱম শ্ৰেণীৰ মেধাৱী ছাত্ৰ কাত্যায়ন শৰ্মাই। ব্লক পৰ্যায়ত প্ৰথম তথা জিলা পৰ্যায়ৰ প্ৰতিযোগিতাত দ্বিতীয় স্থান লাভ কৰি ৰাজ্যিক স্তৰৰ প্ৰতিযোগিতাত ৩৫খন জিলাৰ বিদ্যাৰ্থীৰ সৈতে প্ৰতিযোগিতাত অংশ লোৱা উদীয়মান লেখক কাত্যায়ন শৰ্মা ছিপাঝাৰৰ বলদেৱপাৰা নিবাসী কৃতী শিক্ষক গৌতম শৰ্মাৰ সুযোগ্য সন্তান। উল্লেখযোগ্য যে কাত্যায়ন শৰ্মা কুইজৰ ক্ষেত্ৰখনতো অত্যন্ত দক্ষ। জিলা তথা ৰাজ্যিক পৰ্যায়ৰ বিভিন্ন কুইজ প্ৰতিযোগিতাত কাত্যায়নে সফলতা অৰ্জন কৰিছে।

# ৰাষ্ট্ৰীয় পৰ্যায়ৰ কাৰাটে প্ৰতিযোগিতাত জিলিকিল দেৰগাঁও ষ্টাৰ স্পৰ্টছ মাৰ্চিয়েল আৰ্টছ একাডেমী

**অসম বাৰ্তা, দেৰগাঁও, ১ ডিচেম্বৰ ঃ** ২৯-৩০ নৱেম্বৰত, উত্তৰ প্ৰদেশৰ Seth M.R. Jaypuria Schools Indoor Stadium, Benarasত অনুষ্ঠিত হোৱা 10th All India SSKF Karate Championship 2025 ত The Shotokan Sports Karate Do Federation (SSKF) Assam ৰ হৈ দেৰগাঁও ষ্টাৰ স্পৰ্টছ মাৰ্চিয়েল আৰ্টছ একাডেমিৰ মুখ্য প্ৰশিক্ষক ৰঞ্জিত ৰিঙ্কু বৰা নেতৃত্বত যোৱা ৪ জনীয়া প্ৰশিক্ষাৰ্থী দলটিয়ে বিভিন্ন শাখাৰ কাটা-কুমিটে বিভাগত অংশগ্ৰহণ কৰি ৫ টি সোণৰ পদক আৰু ২টি ব্ৰঞ্জপদক প্ৰাপ্তিৰে একাডেমিৰ লগতে দেৰগাঁও কাৰাটে ক্ৰীড়া




ক্ষেত্ৰলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হয়। ইয়াৰে চাৱজুনিয়ৰ ৬ বছৰ, ছোৱালী শাখাত প্ৰিয়াংক্ষী দত্তই কাটা বিভাগত-সোণৰ পদক, ২১ কিলো কুমিটে বিভাগত-সোণৰ পদক, ১১ বছৰ ল'ৰা শাখাত ভাৰ্গৱ ৰিঙ্কু বৰাই কাটা বিভাগত-সোণৰ পদক, -৩০ কিলো কুমিটে বিভাগত- সোণৰ পদক, অভিজিৎ দত্তই কাটা বিভাগত-ব্ৰঞ্জ পদক, ৫০ কিলো কুমিটে বিভাগত-সোণৰ পদক আৰু চিনিয়ৰ ছোৱালী শাখাৰ ৬০ কিলো কুমিটে বিভাগত-মেনকা দলে ব্ৰঞ্জপদক পাবলৈ সক্ষম হৈ দেৰগাঁৱলৈ গৌৰৱ কঢ়িয়াই আনিছে।

# কঠোৰ পৰিশ্ৰমী অসমৰ চাহ জনগোষ্ঠীয় সেউজী

গছনিৰ ওপৰত নানাবিধৰ চৰাই আদিৰ বসতি, পানী অৰ্থাৎ বিলৰ মাজত মৎস্য প্ৰজাতি আৰু গছ-গছনিৰে ভৰপূৰ ডাঠ অৰণ্যৰ মাজত হাতী, গঁড়, বাঘ, ভালুক, ঘোঁৰা, ম'হ, শৰ পহু, হৰিণ, শিয়াল, কুকুৰনেচীয়া আৰু নানাবিধ জীৱ-জন্তুৰ বসতিবাহৰ এই হাবি-জংঘলবোৰ। প্ৰকৃতি প্ৰদত্ত এনেহেন সেউজ ভূমি অসমখনেই হৈছে আমাৰো বাসভূমি। অসম ৰাজ্যখনৰ এয়া প্ৰাকৃতিক মনোমুগ্ধকৰ সৌন্দৰ্যৰাশিৰ বিতোপন পৰিৱেশ চিত্ৰণ কৰিয়েই সংগীতসূৰ্য, সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাদেৱে তেখেতৰ অমৰ গীতত এনেদৰে কৈছে-

অসম আমাৰ ৰূপহী গুণৰো নাই শেষ
ভাৰততৰে পূৰ্ব দিশৰ সূৰ্য উঠা দেশ
গোটেই জীৱন বিচাৰিলেও অলেখ দিৱস ৰাতি
অসম দেশৰ দৰে নেপাওঁ ইমান ৰসাল মাটি।

- হয়, সেউজী সুন্দৰী প্ৰকৃতি বিনন্দীয়া এইখনেই আমাৰ অসম। অসম ৰাজ্যখনৰ প্ৰায় অৰ্দ্ধেক সংখ্যক জিলাতেই আছে প্ৰাকৃতিক পয়োভৰেৰে সুশোভিত চাহ বাগিছা অঞ্চল। এই চাহ বাগিছাসমূহৰ ৰোপণ-কৰ্ষণ, লালন-পালন তথা পৰিচৰ্যাৰ আঁৰিয়া ধৰা শ্ৰমজীৱি লোকসকলেই হৈছে আমাৰ খাটি খোৱা চাহ জনগোষ্ঠীয় ভাই-ভ্ৰাতৃ আৰু মাতৃ-ভগ্নীসকল। পুৱাৰ পৰা সন্ধিয়ালৈকে এইসকল পৰিশ্ৰমী কৃষক-বনুৱাই চাহ বাগিছাৰ পৰিৱেশ পাৰিপাৰ্শ্বিকতাকে একমাত্ৰ ধ্যান-জ্ঞান, কৰ্ষণক্ষেত্ৰৰ মূলধন হিচাপে লৈয়ে কালাতিক্ৰম কৰিছে। এওঁলোকৰ বিশেষ কোনো সাঁচৰণ সামৰণ নাই, এওঁলোকৰ স্বৰূপাৰ্থত চাবলৈ গ'লে আকালো নাই, ভঁড়ালো নাই। দৈনন্দিন ৰুটিন মতে কাম কৰি যোৱাটোৱেই এওঁলোকৰ ধৰ্ম।

এটা কথা লক্ষ্য কৰিবলগীয়া যে চাহ বাগিছাত নিতৌ কাম কৰা অৰ্থাৎ হাজিৰা কৰি খোৱা শ্ৰমিকসকলে সততে ওপৰৱালাৰ নিৰ্দেশ মানি কাম কৰাৰ বাবে এওঁলোকৰ কাম-বনবোৰ অত্যন্ত পৰিপাটী আৰু সুশৃংখলিত হয়। চাহপুলিবোৰ ৰোপণ কৰাৰ আগতে যিবোৰ দীঘল দীঘলকৈ নলা কটা হয়, সিবোৰ কাঁড় যেন পোন হয়, বহল-পুতল আদিৰ পৰিমাণ একেবাৰে সমান সমান হয়। ইয়াৰ পাছত ট্ৰেক্টৰ লগাই সুন্দৰকৈ চহ কৰা মাটিবোৰত যেতিয়া চাহপুলি ৰোপণ কৰা হয় এয়াও অতি পোন আৰু সমদূৰত্ব ও হয় সমতাপন্ন। ইয়াৰ পাছত চাহপুলিবোৰ প্ৰায় সঘনাই সাৰ-পানী দি প্ৰতিপালন কৰা হয় আৰু ইবোৰ সোনকালে লহপহকৈ বাঢ়ি এটা সময়ত বেছ পুৰ্ঠ হৈ পৰে। কেৱল এয়াই নহয়, বাগিছাৰ মাজে মাজে চাহপুলিবোৰ প্ৰখৰ ৰ'দৰ পৰা ৰেহাই পাব পৰাকৈ যি যিবোৰ কৃষ্ণচূড়া, ৰাধাচূড়া আৰু শিৰীষ আদি গছ-গছনি ৰোপণ কৰা হয়, এই সকলোবোৰ সুপৰিপাটীকৈ এইসকল চাহ শ্ৰমিক বনুৱাই ৰোপণ কৰাৰ লগতে প্ৰতিপালন কৰে।

কোম্পানীৰ বাগিছাবোৰত পুৱাৰ পৰা সন্ধিয়ালৈকে পাত তোলা, দা-কোৰ মৰা, চিলিং কৰা আৰু কলম দিয়া আদি কামবোৰ অতি নিয়াৰিকৈ কৰে আৰু সময়জ্ঞান ৰক্ষা কৰি চলে। কোম্পানীয়ে এই চাহ শ্ৰমিকসকলক একপ্ৰকাৰ যন্ত্ৰ সদৃশ ব্যৱহাৰ কৰে। কিন্তু দোষৰ বিষয় যে এইসকল বাগিছা শ্ৰমিকে দিনৰ দিনটো পেটৰ দায়ত ৰ'দ-বৰষুণ মূৰত লৈ কাম কৰাৰ পাছতো দৈনিক মজুৰি হিচাপে পায় মাথোন ২৫০-৩০০ টকাৰ ভিতৰতহে। ইমান কম পাৰিতোষিক লৈও বাগিছা কৰ্মী, পুৰুষ-মহিলা আদিবোৰে নিজৰ ল'ৰা-ছোৱালীবোৰকো আজিৰ তথাকথিত সমাজৰ লগত শিক্ষাৰ শাৰীত থিয় দিব পৰাকৈ স্কুল-কলেজলৈও পঠাইছে। ফলস্বৰূপে আজিৰ চাহ শ্ৰমিক সমাজৰ যুৱক-যুৱতীসকলো শিক্ষা-দীক্ষাৰ ক্ষেত্ৰত অনেক আগবাঢ়ি যাবলৈও সক্ষম হৈছে। স্মৰ্তব্য যে, আগৰ তুলনাত আজিৰ চাহ শ্ৰমিকৰ ল'ৰা-ছোৱালীৰ মন-মানসিকতাও যথেষ্ট উন্নত হৈছে।

# সৃজনগ্ৰামত উদ্যোমিতা আঁচনিৰ চেক বিতৰণ মন্ত্ৰী ৰণজিত

যিবোৰ হুলস্থুল হ'ল সেইবোৰ উদ্দেশ্য প্ৰণোদিত। এই ভাষ্য পঞ্চায়ত আৰু গ্ৰামোন্নয়ন তথ জিলাখনৰ অভিভাৱক মন্ত্ৰী ৰণজিত কুমাৰ দাসৰ আজি বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম বিধান সভা সমষ্টিত মুখ্যমন্ত্ৰীৰ মহিলা উদ্যোমিতা আঁচনিৰ অধীনত আত্মসহায়ক গোটৰ মহিলা সদস্যৰ মাজত চেক বিতৰণ কৰিবলৈ আহি সাংবাদিকৰ সৈতে হোৱা মত বিনিময়ত মন্ত্ৰী দাসে আকৌ কয় যে ছয় জনগোষ্ঠীৰ জনজাতি কৰণ বিষয়টো আছিল এটা ডাঙৰ সমস্যা। সকলোৱে বিছাৰিছিল ছয়োটা জনগোষ্ঠীক সকাহ দিব লাগে। জনজাতি কৰণ হওক। আইন সংশোধন কৰিয়েই হওক। বৰ্তমানে যিসকলে জনজাতিৰ মৰ্যাদা পাইছে তেওঁলোকক ক্ষুণ্ণ নকৰাকৈ, মনত আঘাত নিদিয়াকৈ নতুনকৈ যি প্ৰচেষ্টা হাতত লোৱা হৈছে তাৰ দ্বাৰা সকলোৱে মাজত সমন্বয় সাধিব পৰা সুন্দৰ ব্যৱস্থা বুলি মন্তব্য কৰে মন্ত্ৰী ৰণজিত কুমাৰ দাসে। মন্ত্ৰী গৰাকীয়ে কৰ্মৰত জীৱিকা সখীয়ে পঞ্চায়ত, গ্ৰামোন্নয়ন বিভাগক বিহু দেখুওৱা বুলি মন্তব্য কৰি জন্ত গঁৱালৰ ফঁটো মাৰিও যধে মধে হিতাধিকাৰীৰ সংখ্যা বঢ়াইছে। জীৱিকা সখীয়ে প্ৰধানমন্ত্ৰী গৃহ হিতাধিকাৰীৰ তালিকা বাছনি কৰা ভাল হোৱা নাই বুলি মন্ত্ৰী গৰাকী কয়। জীৱিকা সখীসকলে ৪৩ লাখ মানুহক ঘৰ দিব লাগে তালিকা জমা দিছে। যদি তেওঁলোকে দিয়া মৰ্মে ঘৰ দিব লাগে তেতিয়াহলে অসমত ৭১ লাখ ঘৰ দিব লাগিব অথচ অসমত ৰেচন কাৰ্ড আছে ৬২ লাখখন হে। তেওঁ আওপকীয়াকৈ জীৱিকা সকলৰ সেই "চেনচাছ"আসোঁৱাহযুক্ত বুলি অভিহিত কৰে। পৰৱৰ্তী সময়ত গাঁও সভাৰ যোগেদি গৃহ আবণ্টন দিব হ'ব বুলি তেওঁ ঘোষণা কৰে। গাঁও পঞ্চায়তে শুদ্ধ তালিকা দিয়ক এই আহ্বান জনায় মন্ত্ৰী গৰাকীয়ে। কিন্তু গাঁও পঞ্চায়ত সভাপতি, সচিবে ভুল কৰিলে ৰক্ষা নাই। চিধাই তেওঁলোক জেললৈ পঠিওৱাটো খাতাং বুলিও সাৱধানবাণী শুনায়। অসমৰ প্ৰকৃত কেঁচা ঘৰ থকাসকলে গৃহ পাবই বুলিও তেওঁ ৰাইজক প্ৰতিশ্ৰুতি দিয়ে। সৃজনগ্ৰাম বিধান সভা সমষ্টিৰ অন্তৰ্গত টিলাপাৰাৰ নিকটবৰ্তী পাহাৰতলী শ্ৰীশ্ৰীলুঙাই পাহাৰ শিৱপূজা মেলা পথাৰত আয়োজিত চেক বিতৰণী অনুষ্ঠানৰ পিছত আকৌ কয় যে মুখ্যমন্ত্ৰী ডঃহিমন্ত বিশ্ব শৰ্মাই সমগ্ৰ অসমৰ মহিলাসকলক আত্মনিৰ্ভৰশীল কৰাৰ বাবে অহৰহ চিন্তা-চৰ্চা কৰিছিল। সেইবাবে মুখ্যমন্ত্ৰীৰ মহিলা উদ্যোমিতা আঁচনিৰ অধীনত আত্মসহায়ক গোটৰ মহিলাক লাখপতি কৰিবলৈ লৈছে। প্ৰথমে দহ হাজাৰ পৰৱৰ্তীত ২৫ হাজাৰ আৰু প্ৰথমে দহ হাজাৰ পৰৱৰ্তীত ২৫ হাজাৰ আৰু ৫০ হাজাৰ টকা প্ৰদান কৰি মহিলাসকলক আত্মনিৰ্ভৰশীল কৰিবলৈ লৈছে। ইয়াৰ দ্বাৰা ৰাজ্যখনৰ লগতে দেশৰো জিডিপি বাঢ়িব। অৰ্থনৈতিকভাৱে টনকিয়াল হ'ব। জিলা আয়ুক্ত নৱদীপ পাঠক, অভয়াপুৰীৰ সমজিলা আয়ুক্ত শান্তা কাকী ছেত্ৰী, বিজেপিৰ জিলা সভাপতি উজ্জ্বল কান্তি ৰায় আদিয়ে উপস্থিত থকা অনুষ্ঠানত মুখ্য অতিথি তথা মন্ত্ৰী দাসে আকৌ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে একমাত্ৰ প্ৰধানমন্ত্ৰী যি নেকি আটাইতকৈ দুখীয়া পৰিয়ালৰ পৰা আহি প্ৰধানমন্ত্ৰী হৈছে। সেইবাবে দুখীয়াৰ মৰ্মবেদনা বুজি পায়। দুখীয়া যাতে আঁচনিৰ ধন থিকমতে লাভ কৰে লাভ কৰে তাৰ বাবে দুখীয়া লোকসকলৰ বাবে জিৰো বেলেঞ্চত একাউণ্ট খোলাৰ ব্যৱস্থা কৰিলে। আগতে কংগ্ৰেছৰ দিনত ভেটি নিদিলে আঁচনিৰ ধন নাপাইছিল এতিয়া পোনে পোনে হিতাধিকাৰীৰ একাউণ্টত ধন সোমায়। আজি অনুষ্ঠানৰ জৰিয়তে ১৮ হাজাৰ ৩ শ ৮৭ গৰাকী মহিলালৈ উদ্যোমিতা আঁচনিৰ চেক বিতৰণ কৰে।

# ঘূৰ্ণীবতাহ 'দিটৱাহ'ৰ ভয়াৱহতা; শ্ৰীলংকাত ৩৩৪

ক্ষতিগ্ৰস্ত হৈছে কেণ্ডি জিলা। তাতেই ৮৮ জনৰ মৃত্যু আৰু ১৫০জন নিৰুদ্দেশ হোৱাৰ খবৰ পোৱা গৈছে। ইয়াৰ পিছতে আছে বাদুল্লা (৭১জন মৃত), নুৱাৰা এলিয়া (৬৮জন মৃত) আৰু মাটালে (২৩জন মৃত) জিলা। দুৰ্যোগ ব্যৱস্থাপনা কেন্দ্ৰৰ হিচাপত সমগ্ৰ শ্ৰীলংকাত ৩, ০৯, ৬০৭টা পৰিয়ালৰ মুঠ ১১, ১৮, ৯২৯জন লোক এই দুৰ্যোগত ক্ষতিগ্ৰস্ত হৈছে। বহু অঞ্চলৰ নদীৰ পানীৰ স্তৰ বিপদসীমাৰ বহু ওপৰলৈ উঠি গৈছে। ফলত কলম্বোকে ধৰি বহুতো চহৰ পানীত ডুব গৈছে। বৃহৎ দলং কেইবাখনও বানৰ ঢলত উটি গৈছে। ঘৰ-দুৱাৰ, পথ-ঘাট, বিদ্যুৎ ব্যৱস্থা আৰু গুৰুত্বপূৰ্ণ অট্টালিকাৰ ব্যাপক ক্ষতি হৈছে। এনে সংকটময় মুহূৰ্তত চুবুৰীয়া দেশ শ্ৰীলংকাৰ সহায়ত ভাৰতে অতি কম সময়ৰ ভিতৰতে 'অপাৰেচন সাগৰ বন্ধু' আৰম্ভ কৰিছে। ভাৰতীয় বায়ুসেনাৰ বিশেষ বিমানেৰে এতিয়ালৈকে কলম্বোলৈ ২১ টন জৰুৰীকালীন সাহায্য সামগ্ৰী, ৮০ জনতকৈও অধিক এনডিআৰএফ (National Disaster Response Force) জোৱান আৰু প্ৰায় ৮ টন উদ্ধাৰ সঁজুলি প্ৰেৰণ কৰা হৈছে। পুণেৰ পৰাও এনডিআৰএফৰ আন এটা দল বিমানেৰে শ্ৰীলংকালৈ ৰাওনা হৈছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী এছ জয়শংকৰে এক বিবৃতিত কয়, "কঠিন পৰিস্থিতিৰ মাজতো ভাৰতে অতি কম সময়ৰ ভিতৰত সমন্বিত আৰু মানৱীয় সাহায্যৰে শ্ৰীলংকাৰ কাষত থিয় দিছে। এই অভিযানে 'চুবুৰীয়া প্ৰথম' নীতিৰ প্ৰতি ভাৰতৰ দৃঢ় দায়বদ্ধতাক প্ৰমাণ কৰিছে।" শ্ৰীলংকাৰ চৰকাৰ আৰু জনসাধাৰণে ভাৰতৰ এই তৎপৰ সহায়ৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰিছে। উদ্ধাৰ আৰু পুনৰ্বাসনৰ কাম এতিয়াও জোৰকৈ চলি আছে।

# ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ

সদনৰ শেষ কাৰ্যসূচী হিচাপে ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ মন্ত্ৰীগোটৰ প্ৰতিবেদন দাখিল কৰাৰ পিছতে প্ৰদেশ কংগ্ৰেছৰ কাৰ্যকৰী সভাপতি তথা সৰুক্ষেত্ৰীৰ বিধায়ক জাকিৰ হুছেইন শিকদাৰে চৰকাৰৰ ওপৰত ক্ষোভ উজাৰে। সাংবাদিকৰ আগত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি শিকদাৰে কয়, "বিজেপি চৰকাৰে ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ দাবীদাৰী কৰা সম্প্ৰদায়সমূহৰ লগত, আৰু যিসকল জনজাতি এতিয়াও ST মৰ্যাদাৰ পৰা বঞ্চিত হৈ আছে তেওঁলোকৰ লগত কেতিয়াও সুস্থ আৰু স্বাস্থ্যকৰ আলোচনা কৰা নাই। কোনো পক্ষৰে মতামত নলৈ, কোনো সংলাপ নোহোৱাকৈয়ে বিধানসভাৰ শেষ মিনিটত মাথোঁ এখন প্ৰতিবেদন বিধায়কসকলৰ হাতত গুজি দিয়া হ'ল। এয়া কোনো চৰকাৰী কাৰ্যসূচী নহয়, কেৱল আনুষ্ঠানিকতা পালন।" তেওঁ লগতে কয়, "বিধানসভাৰ কাৰ্যবিধি পৰামৰ্শদাতা কমিটীতো এই বিষয়ে একো আলোচনা হোৱা নাই। আমি বাৰে বাৰে দাবী জনাইছিলো যে এই জ্বলন্ত বিষয়ত সদনত মুক্ত আলোচনা হ'ব লাগে। কিন্তু হিমন্ত বিশ্ব শৰ্মা চৰকাৰে সেই সুযোগ নিদি, সদনৰ মজিয়াত একো আলোচনা নকৰাকৈয়ে প্ৰতিবেদন দাখিল কৰিলে। এই প্ৰতিবেদন ইতিমধ্যে বিতৰ্কৰ মাজত সোমাই পৰিছে।" বিধায়ক শিকদাৰে সকীয়াই দিয়ে, "এনে নীতিৰ বাবেই ৰাজ্যত বিটিচি সচিবালয়ৰ দৰে হিংসাত্মক পৰিস্থিতিৰ সৃষ্টি হৈছে। চৰকাৰে আন্তৰিকতাৰে কাম নকৰি কেৱল ২০২৬ৰ নিৰ্বাচনৰ কথা ভাবি এখন খেল খেলিছে। যদি এই বিষয়টোৰ ফলত অসমত শান্তি-শৃংখলাৰ পৰিৱেশ বিঘ্নিত হয়, তাৰ সম্পূৰ্ণ দায়িত্ব মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ওপৰত থাকিব।" উল্লেখ্য, জনজাতি পৰিক্ৰমা (ভৈয়াম) মন্ত্ৰী ড০ ৰণোজ পেগুৱে শনিবাৰে সদনত মন্ত্ৰীগোটৰ প্ৰতিবেদন দাখিল কৰাৰ পিছতে পাঁচদিনীয়া শীতকালীন অধিৱেশনৰ সামৰণি পৰে। এই প্ৰতিবেদনত ছয় জনগোষ্ঠীক ST (Plains), ST (Hills) আৰু ST (Valley) নামেৰে তিনিটা পৃথক শ্ৰেণীত ভাগ কৰি জনজাতি মৰ্যাদা প্ৰদানৰ পৰামৰ্শ দিয়া হৈছে, যাক লৈ ইতিমধ্যে ব্যাপক প্ৰতিক্ৰিয়া আৰু অসন্তোষৰ সৃষ্টি হৈছে।

# কটকটীয়া নিৰাপত্তাৰ

হয় আৰু মুঠ আঠখন প্ৰশ্ন উত্থাপন কৰা হয়। ইউ পি পি এলৰ উইলছন হাসদা, দাওবৈচা বড়ো, মণ্টু বড়ো, বিজেপিৰ ৰেখাৰাণী দাস বড়ো আৰু বি পি এফৰ খলিলুৰ ৰহমানকে ধৰি পাঁচগৰাকী সদস্যই এই প্ৰশ্নসমূহ দাখিল কৰিছিল। প্ৰশ্নোত্তৰ শিতানৰ পিছতেই ছয়গৰাকী নৱ নৱ-মনোনীত সদস্যক গোপনীয়তাৰ শপতবাক্য পাঠ কৰোৱা হয়। তেওঁলোক হৈছে— ৰাজবংশী সম্প্ৰদায়ৰ কৰ্মেশ্বৰ ৰায় (কোকৰাঝাৰ), ৰাভা জনগোষ্ঠীৰ ৰতন চন্দ্ৰ ৰাভা (ওদালগুৰি), গোৰ্খা সম্প্ৰদায়ৰ নন্দলাল মগৰ (চিৰাং), কোচ জনগোষ্ঠীৰ হেমপ্ৰভা দেৱী (গণ সুৰক্ষা পাৰ্টীৰ উপদেষ্টা), কলিতা জনগোষ্ঠীৰ অজয় কুমাৰ হাজৰিকা (ওদালগুৰি), শৰণীয়া-কছাৰী জনগোষ্ঠীৰ ৰিদীপ কুমাৰ ডেকা (বাক্সা)। একেদিনাই সদনত সৰ্বসন্মতিক্ৰমে তামুলপুৰৰ দৰঙাজুলি সমষ্টিৰ বিজেপি বিধায়ক তথা এম চি এল এ বিজিত গৌৰা নাৰ্জাৰীক বি টি চিৰ উপাধ্যক্ষ হিচাপে নিৰ্বাচিত কৰা হয়। বি টি চিৰ কাৰ্যবাহী সদস্য তথা বি পি এফৰ জ্যেষ্ঠ নেতা দেৰহাছং বসুমতাৰীয়ে জানিবলৈ দিয়ে যে, অসম চৰকাৰে ২০২৪-২৫ বিত্তীয় বৰ্ষৰ অৱশিষ্ট মাহকেইটাৰ বাবে ২৫০ কোটি টকাৰ পৰিপূৰক বাজেট মঞ্জুৰ কৰিছে। ইয়াৰ উপৰি বি টি চিৰ ফি'ড পে' কৰ্মচাৰীসকলৰ ৩০ মাহৰ বকেয়া দৰমহাও নিজা ৰাজহৰ উৎসৰ পৰা পৰিশোধ কৰা হ'ব বুলি তেওঁ আশ্বাস দিয়ে। সদনৰ কাৰ্যসূচীৰ অন্তত অধ্যক্ষ ত্ৰিদীপ দৈমাৰীয়ে বি টি চি বিধান পৰিষদৰ ওপৰত হোৱা আক্ৰমণৰ তীব্ৰ গৰিহণামূলক প্ৰস্তাৱ উত্থাপন কৰে আৰু সদনে সৰ্বসন্মতিক্ৰমে সেয়া গৃহীত কৰে। ইউ পি পি এলৰ কাৰ্যবাহী সদস্য দাওবৈচা বড়োৱে সাংবাদিকৰ আগত কয়, "২০২০ চনৰ বি টি আৰ চুক্তিৰ দফাসমূহ ৰূপায়ণৰ বিষয়ে আজি সদনত প্ৰশ্ন উত্থাপন কৰা হৈছিল। চৰকাৰে লিখিতভাৱে জনাইছে যে মাত্ৰ দুই-তিনিমাহ হৈছে, সেয়ে দফাসমূহ পৰীক্ষা-নিৰীক্ষা কৰি চিন্তা-চৰ্চা চলি আছে। কিন্তু বি টি আৰ এখন শান্তি চুক্তি হোৱা বাবে আমি আশাবাদী যে শীঘ্ৰে ৰূপায়ণ হ'ব।" সদন আক্ৰমণত ইউ পি পি এল জড়িত থকাৰ অভিযোগক দাওবৈচাই সম্পূৰ্ণ নস্যাৎ কৰি কয়, "ত "তদন্তৰ পিছতহে ক'ব পৰা যাব কোন জড়িত। আমি সদনৰ ওপৰত হোৱা আক্ৰমণৰ তীব্ৰ নিন্দা কৰোঁ।" কাইলৈ চৰকাৰী বন্ধ থকাৰ বাবে অধিৱেশনৰ সামৰণি পৰহি ৩ ডিচেম্বৰত হ'ব।

# ছয় জনগোষ্ঠীৰ জনজাতিকৰণ

প্ৰহসন" আৰু "ছয় জনগোষ্ঠীৰ সৈতে প্ৰতাৰণা" বুলি কঠোৰ ভাষাৰে সমালোচনা কৰে। লুৰীণজ্যোতি গগৈয়ে কয়, "বিগত দহ বছৰত অসমত বিজেপি চৰকাৰে দুবাৰকৈ মুখ্যমন্ত্ৰী সলাইছে, দুবাৰকৈ মন্ত্ৰীগোট গঠন কৰিছে, কিন্তু ২০২৬ৰ বিধানসভা নিৰ্বাচনৰ মাত্ৰ কেইমাহমান পূৰ্বে এই প্ৰতিবেদন দাখিল কৰি দায়িত্ব সামৰিব বিচাৰিছে। এয়া স্পষ্ট ৰাজনৈতিক খেল। ছয় জনগোষ্ঠীৰ ৰাইজক ভোটৰ টোপ দিয়াৰ বাহিৰে এই প্ৰতিবেদনৰ আন কোনো উদ্দেশ্য নাই।" তেওঁ প্ৰশ্ন উত্থাপন কৰি কয়, "যি চৰকাৰে এটা ৰাতিৰ ভিতৰতে অনুচ্ছেদ ৩৭০ বাতিল কৰিব পাৰে, বিমুদ্ৰাকৰণ কৰিব পাৰে, সেই চৰকাৰে ছয় জনগোষ্ঠীক জনজাতিৰ মৰ্যাদা দিবলৈ তিনিটা কাৰ্যকাল কিয় লাগিল? কেন্দ্ৰত নৰেন্দ্ৰ মোদীৰ তৃতীয়বাৰৰ চৰকাৰ, অসমত বিজেপিৰ দহ বছৰীয়া শাসন— তথাপি এই বিষয়টোত কোনো গুৰুত্ব দিয়া হোৱা নাই।" অজাপ নেতাগৰাকীয়ে প্ৰতিবেদনত প্ৰস্তাৱিত 'ST(V)' নামৰ নতুন শ্ৰেণীক লৈও গুৰুতৰ আপত্তি উত্থাপন কৰে। তেওঁ কয়, "ভাৰতীয় সংবিধানত কেৱল ST (Plains) আৰু ST (Hills) শ্ৰেণীৰ কথাহে উল্লেখ আছে। এই নতুন ST(V) শ্ৰেণী সাংবিধানিকভাৱে বৈধ হ'ব নেকি? তাত সংৰক্ষণৰ কি ব্যৱস্থা থাকিব, শিক্ষা-চাকৰিৰ ক্ষেত্ৰত কি সুবিধা পাব, এই সকলোবোৰ প্ৰতিবেদনত স্পষ্টকৈ উল্লেখ নাই। বিদ্যমান জনজাতিসকলৰ অধিকাৰতো যাতে আঘাত নাহে, সেই কথা প্ৰতিবেদনত নাই।" তেওঁ লগতে কয়, "কেৱল ৰাজ্য চৰকাৰে প্ৰতিবেদন দাখিল কৰিলেই জনজাতিকৰণ হৈ নাযায়। লোকসভা আৰু ৰাজ্যসভাত এই সংশোধনী গৃহীত হ'লেহে, আৰু ৰাষ্ট্ৰপতিৰ স্বাক্ষৰ হ'লেহে ছয় জনগোষ্ঠীয়ে প্ৰকৃত ST মৰ্যাদা পাব। সেয়েহে এতিয়া বিজয় উৎসৱ পালন কৰাৰ কোনো কাৰণ নাই। ৰাইজক বিভ্ৰান্ত কৰাৰ বাহিৰে এই প্ৰতিবেদনৰ আন কোনো মূল্য নাই।" লুৰীণজ্যোতি গগৈয়ে ছয় জনগোষ্ঠীৰ ৰাইজ আৰু দল-সংগঠনসমূহক সজাগ হৈ থাকিবলৈ আহ্বান জনাই কয়, "এই প্ৰতিবেদনৰ জৰিয়তে বিজেপিয়ে কেৱল ভোটৰ বৈতৰণী পাৰ হ'ব বিচাৰিছে। ৰাজনৈতিক স্বাৰ্থত জনজাতিকৰণৰ দাবীক ব্যৱহাৰ কৰা হৈছে। এই প্ৰতাৰণাৰ বিৰুদ্ধে সকলোৱে একত্ৰিত হৈ প্ৰকৃত জনজাতি মৰ্যাদাৰ বাবে যুঁজিব লাগিব।" উল্লেখ্য যে, যোৱা শনিবাৰে অসম বিধানসভাৰ শীতকালীন অধিৱেশনত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৰণোজ পেগুৰ নেতৃত্বত গঠিত মন্ত্ৰীগোটৰ প্ৰতিবেদন দাখিল কৰিছিল। কিন্তু এই প্ৰতিবেদনৰ পিছতে বিভিন্ন জনজাতি সংগঠনৰ পৰা মিশ্ৰিত প্ৰতিক্ৰিয়া আহিছে আৰু বহুতে এই প্ৰক্ৰিয়াক "অসম্পূৰ্ণ" আৰু "বিলম্বিত" বুলি অভিহিত কৰিছে।

# মৰিগাঁৱত ৩ ধৰ্ষণকাৰীক

সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত কৰে। অভিযুক্ত লম্পট অপৰাধী কেইটা হৈছে মৰিগাঁও জিলাৰ মিকিৰভেটা অঞ্চলৰ ক্ৰমে ৰাজিবুল হক, মান্নান আলী আৰু চমেদ আলী। প্ৰাপ্ত তথ্য মতে এই অপৰাধী কেইটাই ২০২৪ চনৰ আগষ্ট মাহত মৰিগাঁও জিলাৰ মিকিৰভেটা আৰক্ষী থানাৰ অন্তৰ্গত এগৰাকী কিশোৰীক প্ৰলোভনেৰে গুৱাহাটীলৈ নি গোপন স্থানত কেইবাদিনো ধৰি আবদ্ধ কৰি ৰাখি দলবদ্ধ ভাৱে ধৰ্ষণ কৰিছিল। ঘটনাটোৰ সম্পৰ্কত কিশোৰী গৰাকীৰ পৰিয়ালৰ অভিযোগৰ ভিত্তিত মিকিৰভেটা আৰক্ষীয়ে ১২১/২৪ নম্বৰ এটা গোচৰ ৰুজু কৰি তদন্ত চলাইছিল। পৰৱৰ্তী সময়ত আৰক্ষীয়ে তদন্তৰ প্ৰতিবেদন আৰু অভিযোগনামা মৰিগাঁও পক'চ আদালতত দাখিল কৰিছিল। আৰক্ষীৰ তদন্তৰ প্ৰতিবেদনৰ ভিত্তিত মৰিগাঁও পক'চ আদালতে বিচাৰ চলাই ধৰ্ষণকাৰী ৰাজিবুল হক, মান্নান আলী আৰু চমেদ আলীক দোষী সাবস্ত্য কৰি ২০ বছৰকৈ সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত কৰিছে।

# দেশৰ ছয় স্থানত কূটনৈতিক

পাছত তদন্তকাৰীয়ে নিশ্চিত কৰে যে তিনিখন ৰাজ্যৰ ছটা স্থানত আক্ৰমণ চলাবলৈ ৰেইকিক একাধিকবাৰ ব্যৱহাৰ কৰা হৈছিল। আক্ৰমণস্থলীৰ ৰুট মেপ, ভিডিঅ', ফটো তুলি পাকিস্তানত বহি থকা তেওঁলোকে 'আকা' ভট্টীলৈ প্ৰেৰণ কৰে। গোপন তথ্যৰ ভিত্তিত তিনিওখন ৰাজ্যক চোৰাংচোৱা বিভাগে সতৰ্ক কৰি দিয়ে। ইয়াৰ পাছত দিল্লী, পঞ্জাব আৰু উত্তৰ প্ৰদেশ আৰক্ষীয়ে বিশেষ দল গঠন কৰি তালাচী অভিযান আৰম্ভ কৰে। দিল্লীৰ পৰা গুৰদাসপুৰ, অমৃতসৰ, বিজনোৰ আৰু নয়ডালৈকে কেবাটাও স্থানত অভিযান চলোৱা হয়। ইতিমধ্যে তিনিজন সন্দেহযুক্ত লোকক গ্ৰেপ্তাৰ কৰা হৈছে। তদন্তকাৰীয়ে অনুমান কৰিছে যে গেংটোৰ আৰু দুজনৰ পৰা তিনিজন সদস্য এতিয়াও পলাতক অৱস্থাত আছে আৰু তেওঁলোকক বিচাৰি উলিয়াবলৈ অনুসন্ধান চলি আছে। প্ৰাথমিক তদন্তত প্ৰকাশ পাইছে যে পাকিস্তানত বাস কৰা ভট্টীৰ সম্পৰ্ক পাঞ্জাবী গেংষ্টাৰ আৰু পাকিস্তানৰ আই এছ আই নেটৱৰ্কৰ স'তে জড়িত। আক্ৰমণকাৰীক ধন, অস্ত্ৰ-শস্ত্ৰ আৰু নিযুক্তিপ্ৰাপ্ত যুৱক-যুৱতীক যোগান ধৰিছিল। এই মডিউলত কম পৰিমাণৰ ধনৰ বিনিময়ত যুৱক-যুৱতীসকলক সন্ত্ৰাসবাদী কাৰ্যকলাপত জড়িত কৰা হৈছিল। ভুৱা ছ'চিয়েল মিডিয়া প্ৰফাইলৰ জৰিয়তে ভাৰতীয় যুৱক-যুৱতীক টাৰ্গেট কৰিছিল শ্বাহজাদ ভাট্টি। ভুৱা ছ'চিয়েল মিডিয়া প্ৰফাইলৰ জৰিয়তে ভাৰতীয় যুৱক-যুৱতীক টাৰ্গেট কৰিছিল শ্বাহজাদ ভাট্টিয়ে। তেওঁলোকে নিজৰ আৰ্থিক প্ৰয়োজন আৰু নিবনুৱা সমস্যাৰ শোষণ কৰি তেওঁলোকক সন্ত্ৰাসবাদী কাৰ্যকলাপৰ বাবে নিযুক্তি দিছিল। তেওঁলোকে প্ৰথমে তেওঁলোকক সৰু সৰু চাকৰিৰ প্ৰস্তাৱ দিয়ে আৰু তেওঁলোকৰ নেটৱৰ্কৰ স'তে সংযোগ কৰে। ইয়াৰ পাছত বিভিন্ন স্থানত ৰেইকি, অস্ত্ৰ যোগান আৰু আক্ৰমণৰ পৰিকল্পনা কৰা হয়।

# সংসদ নাটকৰ মঞ্চ নহয়; বিৰোধীক কটাক্ষ প্ৰধানমন্ত্ৰীৰ

বিনিময়ে উত্তপ্ত পৰিৱেশৰ সৃষ্টি কৰিছে। অধিৱেশনৰ প্ৰথম দিনাই প্ৰধানমন্ত্ৰীয়ে বিৰোধী দলসমূহক কটাক্ষ কৰি কোৱা "সংসদ নাটকৰ মঞ্চ নহয়" বুলি কোৱা মন্তব্যৰ প্ৰত্যুত্তৰত প্ৰিয়ংকা গান্ধীয়ে কঠোৰ ভাষাৰে আক্ৰমণ কৰিছে। সংসদ ভৱনৰ সন্মুখত সাংবাদিকৰ আগত প্ৰধানমন্ত্ৰী মোদীয়ে কয়, "এয়া নাটক কৰাৰ ঠাই নহয়, এয়া ৰাইজৰ কাম কৰাৰ ঠাই। সংসদক ত্ৰিকোণীয় প্ৰেমৰ নাটকৰ মঞ্চ বনাব নালাগে। আমি ইয়াত দেশৰ কাৰণে কাম কৰিবলৈ আহিছো, কৰ্তব্য পালন কৰিবলৈ আহিছো।" তেওঁ বিৰোধী দলসমূহক ইংগিত দি লগতে কয়, "যিসকলে নিজৰ কৰ্তব্য কেনেকৈ পালন কৰিব নাজানে, তেওঁলোকক আমি শিকাই দিব পাৰোঁ।" প্ৰধানমন্ত্ৰীৰ এই মন্তব্যৰ লগে লগে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কংগ্ৰেছ নেত্ৰী প্ৰিয়ংকা গান্ধী বঢৰ্গেৰ কয়, "নিৰ্বাচনী পৰিস্থিতি, এছ আই আৰ আৰ (সম্প্ৰতি মণিপুৰৰ পৰিস্থিতিৰ প্ৰসংগত), দিল্লীৰ ভয়ংকৰ বায়ু প্ৰদূষণ— এইবোৰ কোনো তুচ্ছ বিষয় নহয়। এইবোৰ অতি গুৰুত্বপূৰ্ণ ৰাষ্ট্ৰীয় বিষয়। সংসদ কি— কেৱল চৰকাৰৰ প্ৰশংসা শুনিবলৈ বহা এখন মঞ্চ নেকি? জনসাধাৰণৰ জ্বলন্ত সমস্যাৰ কথা তুলি ধৰাটো আৰু তাৰ ওপৰত আলোচনা বিচৰাটো নাটক নহয়। প্ৰকৃত নাটক তেতিয়াহে হয়, যেতিয়া এই গুৰুত্বপূৰ্ণ বিষয়সমূহৰ ওপৰত গণতান্ত্ৰিক আলোচনাত বাধা দিয়া হয়।" প্ৰিয়ংকা গান্ধীয়ে লগতে কয়, "প্ৰধানমন্ত্ৰীয়ে কৈছে সংসদত নাটক নহয়, একচন প্লেন লাগে। কিন্তু তেওঁ পাহৰি গৈছে যে চৰকাৰৰ প্ৰথম কৰ্তব্যই হৈছে ৰাইজৰ সমস্যা শুনা আৰু সমাধান কৰা। বিৰোধীয়ে যি বিষয়বোৰ তুলি ধৰিছে, সেইবোৰ জনসাধাৰণৰ মৌলিক সমস্যা। কিন্তু চৰকাৰে সেইবোৰৰ ওপৰত কোনো আলোচনা বা পদক্ষেপ ল'ব বিচৰা নাই। এয়াই প্ৰকৃত নাটক।" সংসদৰ এই শীতকালীন অধিৱেশনত মণিপুৰৰ পৰিস্থিতি, নিৰ্বাচনী সহিংসতাৰ অভিযোগ, দিল্লীৰ বায়ু প্ৰদূষণ, অৰ্থনৈতিক মন্দা আদি বিষয়ত বিৰোধী দলসমূহে তীব্ৰ আলোচনাৰ দাবী জনাই আহিছে। কিন্তু প্ৰথম দিনাই প্ৰধানমন্ত্ৰীৰ মন্তব্যৰ পিছত বিৰোধীৰ প্ৰতিক্ৰিয়াই পৰিৱেশ উত্তপ্ত কৰি তুলিছে। আগন্তুক দিনবোৰত এই ধৰণৰ সংসদৰ কাৰ্য্যকলাপে কিদৰে প্ৰভাৱ পেলায়, সেয়া লক্ষণীয় হৈ পৰিছে।

# '২৬ৰ আগতে এছ টি নাপালে বয়কট কৰিব

তীব্ৰতৰ হৈ পৰিছে। এই পৰিস্থিতিৰ মাজতে শনিবাৰে আক্ৰাছু (AKRSU)ৰ সভাপতি দ্বিপেন ৰয় আৰু সাধাৰণ সম্পাদক সোণাধৰ ৰায়ে গুৱাহাটীত সংবাদমেল সম্বোধি চৰকাৰৰ ওপৰত তীব্ৰ আক্ৰমণ আৰু কঠোৰ সকীয়নি দিয়ে। তেওঁলোকে কয়, "ৰণোজ পেগুৰ নেতৃত্বত গঠিত মন্ত্ৰীগোটৰ প্ৰতিবেদনত আমাৰ দাবীৰ কেইবাটাও গুৰুত্বপূৰ্ণ দিশ উপেক্ষা কৰা হৈছে। অবিভক্ত গোৱালপাৰাৰ ভিতৰত আৰু বাহিৰত বুলি বিভাজন কৰি কোচ-ৰাজবংশী সম্প্ৰদায়ক দুফাল কৰাৰ ষড়যন্ত্ৰ মানি নলওঁ। জনজাতিকৰণ কৰিবই লাগে, তেন্তে ST (Plains) হিচাপেই কৰক, ST (Hills) বা ST (Valley) বুলি নতুন শ্ৰেণী সৃষ্টি কৰি আমাক বিভক্ত কৰাৰ চেষ্টা চলি থাকিলে আমি ৰাস্তাতে থাকিম।" আক্ৰাছু নেতৃদ্বয়ে স্পষ্টভাৱে ঘোষণা কৰে, "২০২৬ৰ বিধানসভা নিৰ্বাচনৰ আগতে আমাক ST মৰ্যাদা দিয়ক। BTCই NOC নিদিলে ST নাপাম বুলি কোৱা হৈছে— এই কথা আগতেই আলোচনা কৰি মীমাংসা কৰা উচিত আছিল। এতিয়া নিৰ্বাচনৰ আগতে কেৱল ভোটৰ ৰাজনীতিৰ বাবে জনজাতিকৰণৰ নাটক কৰা হৈছে। যদি ২০২৬ৰ আগতে ST মৰ্যাদা নিদিয়ে, তেন্তে আমি বিজেপিক সম্পূৰ্ণৰূপে বয়কট কৰিম।" তেওঁলোকে আৰু কয়, "কংগ্ৰেছে আমাক প্ৰতাৰণা কৰিছিল, বিজেপিয়েও একে পথত খোজ দিছে। ভাই-ভাইৰ মাজত সংঘাত লগোৱাৰ চেষ্টা চলিছে। আমাৰ অন্তৰত জুই জ্বলিলে চৰকাৰৰো জুই জ্বলিব। জনতা ভৱন জ্বলাবলৈও আমি পিছ নপৰোঁ। টুপী-জাপি পিন্ধাই আমাক শান্ত কৰিব নোৱাৰিব। আমাক আমাৰ ভূমিৰ অধিকাৰ, ৰাজনৈতিক অধিকাৰ আৰু শিক্ষাৰ অধিকাৰ দিয়ক।" আক্ৰাছুৱে আগন্তুক ৩ ডিচেম্বৰত গুৱাহাটীত বিশাল গণ-সমাৱেশৰো ঘোষণা কৰিছে আৰু জনাইছে, "যেতিয়ালৈকে ST মৰ্যাদা নাপাওঁ, তেতিয়ালৈকে আমাৰ ধাৰাবাহিক আন্দোলন একো পৰিস্থিতিতে বন্ধ নহ'ব।" উল্লেখ্য, শনিবাৰে অসম বিধানসভাৰ শীতকালীন অধিৱেশনৰ অন্তিম দিনা মন্ত্ৰীগোটৰ প্ৰতিবেদন সদনত দাখিল কৰা হয়। প্ৰতিবেদনত ছয় সম্প্ৰদায়ক ST (Plains), ST (Hills) আৰু ST (Valley) নামেৰে তিনিটা পৃথক শ্ৰেণীত ভাগ কৰি জনজাতি মৰ্যাদা প্ৰদানৰ পৰামৰ্শ দিয়া হৈছে। এই প্ৰস্তাৱক লৈ বিভিন্ন সংগঠনৰ মাজত তীব্ৰ অসন্তোষৰ সৃষ্টি হৈছে আৰু বহুতে ইয়াক 'বিভাজনৰ ষড়যন্ত্ৰ' বুলি অভিহিত কৰিছে। এই পৰিস্থিতিয়ে অসমৰ জাতি-উপজাতিৰ ৰাজনীতিৰ নতুন সংঘাতৰ আশংকা বঢ়াই তুলিছে।

# ৰূপহীহাটত ভয়ংকৰ পথ দুৰ্ঘটনা; নিহত ২, আহত ১

হয়। উক্ত পথ দুৰ্ঘটনাত নাঙ্গলধোৱা গাঁৱৰ শিক্ষক মাইনুদ্দিন ৰ দুই পুত্ৰ থিতাতে নিহত হয়। নিহত হোৱা দুই ভাই-ককাইৰ নাম ছাকিল আহমেদ আৰু মেহেদী আলম। নাঙ্গলধোৱা গাঁৱৰ দুই উদীয়মান যুৱকৰ মৃত্যু ৰ বাতৰিয়ে অঞ্চলজুৰি শোকৰ ছাঁ পৰিছে। জানিব পৰা মতে যোৱা নিশা প্ৰায় ১০ মান বজাত এএছ-০২-এডি-৪০৩৪ নম্বৰৰ বাইক এখনেৰে ৰূপহীৰ পৰা বালিকা অভিমুখে তিনিজন যুৱক আহি আছিল। ৰূপহী জ্ঞান বিকাশ বিদ্যাপীঠ স্কুল পোৱাৰ সময়ত এখন অচিনাক্ত বাহনে নিয়ন্ত্ৰণ হেৰুৱাই বাইক খনত খুন্দা মৰাৰ সন্দেহ। যাৰ ফলত বাইকত অহা তিনি যুৱক দূৰত গৈ ছিটিকি পৰে। ফলত থিতাতে নিহত হয় দুই ভাই ককাই ছাকিল আহমেদ আৰু মেহেদী আলমৰ লগতে গুৰুতৰভাৱে আহত হয় ৰাজদুল হক নামৰ আন এজন যুৱক। ৰাইজৰ তৎপৰতাত আহত হোৱা যুৱক জনক নগাঁও মেডিকেল কলেজ হস্পিটেলত ভৰ্তি কৰাই যদিও অৱস্থা অতি সংকট জনক হোৱাত উন্নত চিকিৎসাৰ বাবে গুৱাহাটী লৈ প্ৰেৰণ কৰে। বৰ্তমান আহত হোৱা যুৱকজন চিকিৎসালয়ত আইচিইউত মৃত্যুৰ সৈতে যুঁজি আছে। ঘটনাস্থলীত ৰূপহীহাট আৰক্ষী উপস্থিত হৈ মৃতদেহ দুটা উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও মেডিকেল কলেজ হস্পিটেললৈ প্ৰেৰণ কৰিছে। লগতে দুৰ্ঘটনা সংঘটিত কৰি ঘটনাস্থলীৰ পৰা পলায়ন কৰা গাড়ীৰ সন্ধানত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

# নাগালেণ্ডৰ ৬৩ সংখ্যক ৰাজ্যিক দিৱস উদ্‌যাপন

কৰিছে। আগন্তুক বছৰবোৰত ৰাজ্যখনে সমৃদ্ধি আৰু প্ৰগতিৰ নতুন শিখৰত উপনীত হওক।" ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে নাগালেণ্ডক "সমৃদ্ধ সংস্কৃতি আৰু সীমাহীন প্ৰাকৃতিক সৌন্দৰ্য্যৰে ধন্য" বুলি অভিহিত কৰি লিখিছে, "বহনক্ষম উন্নয়নৰ ক্ষেত্ৰত নাগালেণ্ডে যি প্ৰশংসনীয় অগ্ৰগতি লাভ কৰিছে, সেয়া অনুকৰণীয়। ইয়াৰ জনজাতীয় বৈচিত্ৰ্য্য আৰু অনন্য ঐতিহ্য আমাৰ সকলোৰে বাবে গৌৰৱৰ উৎস। নাগালেণ্ডবাসীৰ উজ্জ্বল, সমৃদ্ধিশালী আৰু শান্তিপূৰ্ণ ভৱিষ্যতৰ কামনা কৰিছোঁ।" কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে লিখিছে, "নাগালেণ্ডৰ সুন্দৰ পাহাৰ, চহকী জৈৱ-বৈচিত্ৰ্য্য আৰু সজীৱ সংস্কৃতিয়ে ভাৰতৰ বৈচিত্ৰ্য্যক আৰু সমৃদ্ধ কৰিছে। বহনক্ষম উন্নয়নৰ জৰিয়তে নাগালেণ্ডে আৰু অধিক সফলতা লাভ কৰক। আমি সকলোৱে মিলি ইয়াৰ অনন্যতা ৰক্ষা কৰোঁ আহক।" কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই নাগালেণ্ডক "উৎসৱৰ ভূমি" বুলি সম্বোধন কৰি কয়, "বিভিন্ন জনজাতি আৰু সম্প্ৰদায়ে একেলগে শান্তি, সম্প্ৰীতি আৰু বন্ধুত্বৰে সমৃদ্ধিৰ পথত আগবাঢ়ি যাওক।" লোকসভাৰ অধ্যক্ষ ওম বিৰলা, উত্তৰাখণ্ডৰ মুখ্যমন্ত্ৰী পুষ্কৰ সিং ধামীকে ধৰি বহুকেইগৰাকী নেতাই নাগালেণ্ডবাসীক শুভেচ্ছা জনাইছে। নাগালেণ্ডৰ মুখ্যমন্ত্ৰী নেফিউ ৰিঅ'ই এই দিনটোত ৰাজ্যৰ অধিকাৰ আৰু পৰিচয় ৰক্ষাৰ সংগ্ৰামত অৱদান দিয়া পূৰ্বৰ নেতাসকলক স্মৰণ কৰি কৃতজ্ঞতা জ্ঞাপন কৰিছে। ১৯৫৭ চনত নগা নেতাসকলে গঠন কৰা 'নগা পিপলছ কনভেনচন' (NPC)ৰ প্ৰতিনিধি দলে ১৯৬০ চনত প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৰ সৈতে সাক্ষাৎ কৰি নাগা হিলছক সুকীয়া ৰাজ্য কৰাৰ দাবী উত্থাপন কৰিছিল। ১৬ দফীয়া চুক্তিৰ পিছত ১৯৬৩ চনৰ ১ ডিচেম্বৰত নাগালেণ্ডক ভাৰতৰ পূৰ্ণাঙ্গ ৰাজ্যৰ মৰ্যাদা প্ৰদান কৰা হয় আৰু ক'হিমাক ৰাজধানী হিচাপে ঘোষণা কৰা হয়। তেতিয়াৰ পৰাই প্ৰতি বছৰে ১ ডিচেম্বৰত নাগালেণ্ডে ৰাজ্যিক দিৱস উদযাপন কৰি আহিছে। আজিৰ এই উৎসৱমুখৰ দিনটোত সমগ্ৰ নাগালেণ্ডতে ৰঙালী বৰ্ণিল কাৰ্যসূচীৰে দিনটো পালন কৰা হৈছে।

# ইউপিপিএলৰ পৰা কোঁচ ৰাজবংশী জনগোষ্ঠীৰ নেতাৰ

নেতা সকলৰ সমূহীয়া পদত্যাগ। ইউপিপিএল দলৰ কেন্দ্ৰীয় সম্পাদক অৰুণ কুমাৰ ৰায়, শ্ৰীবাস বৰ্মনৰ নেতৃত্বত কেন্দ্ৰীয় সমিতিৰ সদস্য কুসুম্বৰ চৌধুৰী, সমীৰণ সিংহ, দিগন্ত ৰায় সহ জিলা, ব্লক, প্ৰাথমিক পৰ্য্যায়ৰ ২২ গৰাকী নেতাই সমূহীয়াভাৱে ইউপিপিএল দলৰ পৰা পদত্যাগ কৰে। পদত্যাগ কৰি তেখেতসকলে কয় যে কেইদিনমানৰ ভিতৰতে সকলো কোচ-ৰাজবংশীয়ে ইউপিপিএল দলৰ পৰা পদত্যাগ কৰিব। কোচ ৰাজবংশী জাতি হিচাপে নৈতিক দায়িত্ব আৰু কেএলঅ (কেএন), আক্ৰাছু আৰু কোচ ৰাজবংশী জনগোষ্ঠীয় সংগঠনসমূহৰ আহ্বানত এই পদত্যাগ বুলি জানিবলৈ দিয়ে।

# প্ৰতিবাদকাৰীৰ বিৰুদ্ধে এজাহাৰ

পিছতে জড়িত লোকসকলৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। ঘটনাৰ তীব্ৰতা আৰু ক্ষয়ক্ষতিৰ পৰিপ্ৰেক্ষিতত বিটিচিৰ সাধাৰণ প্ৰশাসন বিভাগে (GAD) তৎকালীনভাৱে এজাহাৰ দাখিল কৰিছে আৰু প্ৰতিবাদৰ সময়ত সংঘটিত ধ্বংসাত্মক কাৰ্যৰ ভিডিঅ' প্ৰমাণ হিচাপে সংলগ্ন কৰিছে। জানিব পৰা মতে, বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে নিজৰ বিভিন্ন দাবীৰ সমৰ্থনত শনিবাৰে এখন বিশাল প্ৰতিবাদী মিছিল উলিয়াই বিশ্ববিদ্যালয়ৰ পৰা বিটিচি সচিবালয়লৈ অহাৰ পথত পৰিস্থিতি উত্তপ্ত হৈ পৰে। মিছিলখনে সচিবালয় প্ৰৱেশ কৰাৰ পিছতে প্ৰতিবাদকাৰীৰ একাংশই নিয়ন্ত্ৰণ হেৰুৱাই হিংসাত্মক ৰূপ ধাৰণ কৰে। তেওঁলোকে সচিবালয়ৰ ভিতৰত থকা চকী-টেবুল, কম্পিউটাৰকে ধৰি বহু মূল্যৱান সা-সামগ্ৰী ভাঙি-চিগি ধ্বংস কৰে আৰু গুৰুত্বপূৰ্ণ নথি-পত্ৰ ছিঙি পেলোৱাৰ লগতে জুই লগাই দিয়ে বুলি অভিযোগ উঠিছে। ঘটনাৰ পিছতে বিটিচিৰ প্ৰধান সচিব তথা সচিবালয়ৰ অধ্যক্ষই নিজে কোকৰাঝাৰ আৰক্ষী থানাত এজাহাৰ দাখিল কৰে। এজাহাৰত স্পষ্টভাৱে উল্লেখ কৰা হৈছে যে, প্ৰতিবাদৰ নামত ৰাজহুৱা সম্পত্তিৰ ব্যাপক ক্ষতিসাধন কৰা হৈছে আৰু এই কাণ্ডত জড়িত লোকসকলৰ বিৰুদ্ধে কঠোৰ আইনী ব্যৱস্থা গ্ৰহণৰ বাবে আহ্বান জনোৱা হৈছে। বিটিচিৰ উচ্চপদস্থ বিষয়াসকলে জনোৱা অনুসৰি, ধ্বংস কৰা সম্পত্তিৰ পৰিমাণ লাখ লাখ টকাৰো অধিক হ'ব পাৰে আৰু গুৰুত্বপূৰ্ণ ফাইল-নথিও নষ্ট হোৱাত প্ৰশাসনিক কামত ব্যাঘাত জন্মিছে। ঘটনাৰ তদন্ত আৰম্ভ হৈছে আৰু ভিডিঅ' ফুটেজৰ সহায়ত জড়িতসকলক চিনাক্তকৰণৰ কাম চলি আছে বুলি আৰক্ষীয়ে জানিবলৈ দিছে। এই ঘটনাই বড়োলেণ্ড অঞ্চলত পুনৰবাৰ ছাত্ৰ আন্দোলনৰ হিংসাত্মক ৰূপৰ প্ৰশ্ন উত্থাপন কৰিছে আৰু প্ৰশাসনৰ লগতে সচেতন মহলে এনে কাণ্ডৰ তীব্ৰ নিন্দা কৰিছে।

# ছাত্ৰ সংগঠনৰ প্ৰতিবাদৰ পিছত বিটিচি সচিবালয়ত

কৰিছে। সচিবালয় চৌহদত জনসাধাৰণৰ প্ৰৱেশ সম্পূৰ্ণৰূপে নিষিদ্ধ কৰিছে প্ৰশাসনে। আজিৰে পৰা আৰম্ভ হ'বলগীয়া বিটিচিৰ বাজেট অধিৱেশনৰ পূৰ্বে এই ঘটনা সংঘটিত হয়। এটা ছাত্ৰ সংগঠনৰ প্ৰতিবাদকাৰীসকলে সচিবালয়ত প্ৰৱেশ কৰি সচিবালয়টোৰ ক্ষতিসাধন কৰে। এই ঘটনাত জড়িতসকলৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি বিটিচিৰ বিষয়ববীয়াসকলে ইংগিত দিছে। সমগ্ৰ ঘটনাৰ তদন্ত অব্যাহত থকাৰ লগতে নিৰাপত্তাৰক্ষীয়ে সচিবালয়টোত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰিছে। ২৯ নৱেম্বৰত ছাত্ৰ সংগঠনৰ প্ৰতিবাদত কোকৰাঝাৰত উত্তপ্ত পৰিৱেশৰ সৃষ্টি হৈছিল। দেৱৰগাঁৱৰ ৰাঙালীকাটাস্থিত বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ হাজাৰ হাজাৰ প্ৰতিবাদী বড়ো ছাত্ৰই অসম চৰকাৰে ছয় জনগোষ্ঠীক অনুসূচীত জনজাতিৰ মৰ্যাদা প্ৰদানৰ সিদ্ধান্তৰ বিৰোধিতা কৰি বড়োফা নগৰৰ বিটিচি সচিবালয়ৰ দিশে সমদল উলিয়াইছিল। প্ৰতিবাদকাৰী ছাত্ৰ সংগঠনটোৱে চৰকাৰে বৰ্তমানৰ জনজাতীয় জনগোষ্ঠীসমূহৰ অধিকাৰ আৰু ৰাজনৈতিক সুৰক্ষাক ভেঙুচালি কৰাৰ অভিযোগ উত্থাপন কৰে। দেৱৰগাঁও আৰু জে ডি ৰোডৰ মাজেৰে সমদল উলিয়াই ছাত্ৰ সংগঠনটোৱে বিটিআৰ নেতৃত্ব আৰু ৰাজ্যিক কৰ্তৃপক্ষৰ বিৰুদ্ধে তীব্ৰ শ্ল'গান দিয়ে। প্ৰতিবাদকাৰীসকলে বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো, প্ৰাক্তন চিই এম হাগ্ৰামা মোহিলাৰী, উপ-চি ইএম গোবিন্দ বসুমতাৰী, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, শিক্ষা মন্ত্ৰী ৰণোজ পেগু আৰু বিধায়ক ৰংজগত নাৰ্জাৰীৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে। 'হাগ্ৰামা মোহিলাৰী গ' বেক', 'প্ৰমোদ বড়ো গ' বেক', 'অসম চৰকাৰ হায় হায়', 'ছয় জনগোষ্ঠীৰ ST মৰ্যাদা বাতিল কৰক', 'ন্যায় আমাক লাগিবই' আদি শ্ল'গান দি চহৰখনৰ পৰিৱেশ উত্তাল কৰি তোলে। মূল প্ৰৱেশদ্বাৰ ওফৰাই প্ৰতিবাদকাৰীসকলে বিটিচি সচিবালয়ত প্ৰৱেশ কৰে। কমাণ্ডো আৰু অসম আৰক্ষীকে ধৰি নিৰাপত্তাৰক্ষীসকলে প্ৰতিবাদী জনতাক নিয়ন্ত্ৰণ কৰাত ব্যৰ্থ হয়। প্ৰতিবাদত অধিক সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে যোগদান কৰাৰ লগে লগে সচিবালয়ৰ চৌহদটো এক বৃহৎ প্ৰতিবাদৰ স্থলীলৈ ৰূপান্তৰিত হয়। প্ৰতিবাদকাৰীসকলে চৰকাৰক ST প্ৰস্তাৱ তৎকালীনভাৱে প্ৰত্যাহাৰ কৰিবলৈ দাবী জনায়।

# বঢ়মপুৰত উদ্যমিতা আঁচনিৰ

অন্তৰ্ভুক্ত মহিলা হিতাধিকাৰীৰ মাজত দহ হাজাৰকৈ চেক বিতৰণ কৰি সকলোৱে মনত আনন্দৰ যোৱাৰ তুলিলে। ১২ বজাৰ আগতেই মুখ্যমন্ত্ৰী গৰাকী হেলিকপ্টাৰ যোগে অৱতৰণ কৰি প্ৰায় পঞ্চাশ হাজাৰ মহিলা সমবেত হোৱা সভাত যোগদান কৰে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে জিলা মুখ্য কাৰ্যবাহী বিষয়া কুন্তলমণি বৰদলৈয়ে। বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীয়ে উপস্থিত ৰাইজক সম্বোধন কৰি যে মই চাৰি বছৰৰ আগত সমষ্টিটোৰ যি ৰূপ দেখিছিলো এতিয়া সেই অৱস্থা নাই আমাৰ কৰ্মপটু আৰু সুদক্ষ মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ সহায় সহযোগত সমষ্টিৰ ৰাস্তা, বিদ্যালয়, অংগনবাড়ী কেন্দ্ৰ, খেল পথাৰ, দলং, বানপানীৰ সমস্যা আদি বহু সমস্যাৰ সমাধান কৰিবলৈ সক্ষম হৈছোঁ একমাত্ৰ মাননীয় প্ৰধানমন্ত্ৰী আৰু আমাৰ অতি আদৰৰ মুখ্যমন্ত্ৰী গৰাকীৰ কৃপাত সেয়ে মুখ্যমন্ত্ৰীক মই সমষ্টিবাসী হৈ অশেষ ধন্যবাদ জ্ঞাপন কৰিছোঁ। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয় যে- আগতে কংগ্ৰেছ চৰকাৰে সূঁতা, কম্বল, লুঙী, টুপী আদিৰে উন্নয়ন সাধিবলৈ বৃথা প্ৰয়াস কৰিছিল আৰু আমাৰ চৰকাৰে মহিলা সকলৰ দ্বাৰা উন্নয়ন সাধিব বিচাৰিছোঁ অৰুনোদই আঁচনি, পাঁচ কিলো কৈ বিনামূলীয়া চাউল, ৰেচন কাৰ্ডৰ হিতাধিকাৰীসকলক যোৱা মাহৰপৰা ১১৭ টকাত ১ কিলো মচুৰ দাইল, এক কিলো চেনি আৰু এক কিলো নিমখ দিয়া হৈছে যদিও জানুৱাৰী মাহৰ পৰা ১০০ টকাৰ বিনিময়ত তিনি বিধ সামগ্ৰী পাব। আৰু আমি মহিলাসকলক স্বাৱলম্বী কৰাৰ উদ্দেশ্যে উদ্যমিতা আঁচনিৰ জৰিয়তে দহ হেজাৰ টকাকৈ প্ৰদান কৰিছোঁ যাতে তেওঁলোকৰ এই ধনৰে ক্ষুদ্ৰ ব্যৱসায় আৰম্ভ কৰি পৰৱৰ্তী ব্যৱসায়িক দিশত আগুৱাই যাব পাৰে। যিসকলে উন্নতি কৰি দেখুওৱাব পাৰে সেইসকলক ২৫ হেজাৰ আৰু ৫০ হেজাৰ কৈ প্ৰদান কৰা প্ৰতিশ্ৰুতি প্ৰদান কৰে। মুখ্যমন্ত্ৰীয়ে জিতু গোস্বামীৰ লগতে বঢ়মপুৰ সমষ্টিৰ দলীয় কৰ্মকৰ্তাসকলক ধন্যবাদ দিয়ে যে আজিৰ সভাত ইমানবোৰ ৰাইজৰ উপস্থিতি দেখি সঁচাকৈ মই তবধ মানিছোঁ কিয়নো বঢ়মপুৰ সমষ্টিত পূৰ্বতে ইমান লোকৰ সমাগম দেখি নাছিলোঁ। এয়া জিতু গোস্বামীৰ জনপ্ৰিয়তৰ বাবে সম্ভৱ হৈছে। মুখ্যমন্ত্ৰীয়ে আৰু ঘোষণা কৰে ৪৪টা সমষ্টিত আৰু দহ লাখ মহিলাই পৰৱৰ্তী কালত আৰু দহলাখ মহিলাক উদ্যমিতা আঁচনিৰ অন্তৰ্ভুক্ত কৰা হ'ব। তেওঁ কয় যে উদ্যমিতা আঁচনিৰ জৰিয়তে মহিলা সকলৰ সন্মান বঢ়াইছে কাৰণ তেওঁলোকে এতিয়া পুৰুষ জনৰ ওপৰত নিৰ্ভৰ নকৰি ঘৰ চলোৱাৰ দায়িত্ব পালন কৰিব পৰা হৈছে। আঁচনিৰ কেনেকৈ ব্যৱহাৰ কৰিলে মহিলাসকল লাভবান হ'ব সেই সম্পৰ্কে মুখ্যমন্ত্ৰী গৰাকীয়ে যথেষ্ট উদাহৰণ দি বুজায় দিয়ে। জলসম্পদ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাকো বিধায়ক জিতু গোস্বামীয়ে শলাগ লয় কিয়নো বঢ়মপুৰ সমষ্টিৰ বান নিয়ন্ত্ৰণৰ বাবে মন্ত্ৰী গৰাকীয়ে ৮০ কোটি ধন অনুদান দিয়াৰ বাবে এই বাৰ কৃষকে অধিক শস্য পাবলৈ সক্ষম হৈছে। পৰৱৰ্তী পৰ্যায়ত ৰাজ্যৰ সহযোগত উন্নয়নৰ অশ্ৰমেধ ঘোঁৰা আগুৱাই গৈ থাকিব বুলি দৃঢ়তাৰে কয় জিতু গোস্বামীয়ে। প্ৰায় ৩০ হেজাৰ লোকৰ চিঞৰে কঁপাই তোলে বিৰাট আকাৰৰ সভাগৃহ ভাৰত মাতা কি জয়, মুখ্যমন্ত্ৰী জিন্দাবাদ, জিতু গোস্বামী জিন্দাবাদ, বি জে পি চৰকাৰ জিন্দবাদ। সভাৰ পাছতে ৩২৬১৫ গৰাকী মহিলা হিতাধিকাৰীৰ মাজত ১০ হেজাৰ টকীয়া চেক বিতৰণ কৰে। সভাৰ অন্তত উদ্যমিতা মহিলা গোট সমূহৰ বাবে "মামা বজাৰ" নামৰ ১৯ বিপনী থকা বজাৰখন শুভ উদ্বোধন কৰে মুখ্যমন্ত্ৰী গৰাকীয়ে। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে মন্ত্ৰী কেশৱ মহন্ত, মন্ত্ৰী পিযুষ হাজৰিকা, সদৰ বিধায়ক ৰূপক শৰ্মা, চামগুৰি বিধায়ক দীপ্লুৰঞ্জন শৰ্মা, কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা, ৰহা সমষ্টিৰ বিধায়ক শশীকান্ত দাস, নগাঁও জিলা ভাৰপ্ৰাপ্ত আয়ুক্ত দেৱাশীস শৰ্মা, জিলা আৰক্ষী অধীক্ষক স্বপ্নীল ডেকা, তিৱা স্বায়ত্ত্ব পৰিষদৰ অধ্যক্ষ মদন বৰদলৈ, নেতা সুৰেশ বৰা, নিৰঞ্জন বৰা, নৰেন শৰ্মা আৰু বহু গণ্য মান্য ব্যক্তি উপস্থিত আছিল।

# ডিব্ৰুগড়ত বাঘ হাজৰিকা ঐক্য মঞ্চ, অসমৰ জিলা আহ্বায়ক সমিতি গঠন

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১ ডিচেম্বৰ ঃ** ডিব্ৰুগড়ৰ ঐতিহ্যমণ্ডিত বগা বাবা মাজাৰ প্ৰেক্ষাগৃহত বাঘ হাজৰিকা ঐক্য মঞ্চ, অসমৰ অধীনত আৰু বাঘ হাজৰিকা স্মৃতি সংৰক্ষণ সন্থাৰ সহযোগত জ্যেষ্ঠ সাংবাদিক ইকবাল আহমেদৰ সভাপতিত্বত বাঘ হাজৰিকা ঐক্য মঞ্চ, অসমৰ ডিব্ৰুগড় জিলা সমিতিখন গঠন কৰা হয়। সভাৰ আৰম্ভণিতে অসমৰ হাৰ্টথ্ৰব জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তিপ্ৰজ্বলন কৰে বাঘ হাজৰিকা স্মৃতি সংৰক্ষণ সন্থাৰ সভাপতি তথা বাঘ হাজৰিকাৰ দশম পৰিনাতি এ.এন. চালেহ উদ্দিন আহমেদ হাজৰিকাই (ডিউক)। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে ছহিদুল আলিয়ে। অনুষ্ঠানত কেন্দ্ৰীয় সমিতিৰ সভাপতি ছাহিদ চানু হকে মঞ্চৰ জন্মলগ্নৰ বিষয়ে বহুলভাবে বক্তব্য দাঙি ধৰে। সমন্বয়ৰ অসম ভূমিত ২০২০ চনতে জন্ম লাভ কৰা এই সংগঠনৰ মুঠ ১৩খন জিলা সমিতি থকাৰ লগতে উক্ত সংগঠনৰ মূল লক্ষ্য ঐক্য, শান্তি আৰু সেৱা বুলি সভাত ব্যক্ত কৰে। সংগঠনৰ সদস্যসকলে সেৱাৰ মনোভাৱেৰে জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে বিভিন্ন প্ৰান্তত ৰক্তদান, দুৰাৰোগ্য কেঞ্চাৰ আদি ৰোগীসকলক চিকিৎসাৰ বাবে আৰ্থিক সাহায্য প্ৰদান কৰাৰ কথা সভাত ব্যক্ত কৰে। এচাম লোকে বাঘ হাজৰিকা এক কাল্পনিক চৰিত্ৰ বুলি অভিহিত কৰাত তেওঁ আশ্চৰ্য প্ৰকাশ কৰে। ভাষণ প্ৰসংগত তেওঁ নৱম শ্ৰেণীৰ পাঠ্যক্ৰমত বাঘ হাজৰিকাৰ এটি পাঠ সন্নিবিষ্ট কৰাৰ কথা ব্যক্ত কৰাৰ লগতে ২০১৭ চনত হাজোত বাঘ হাজৰিকাৰ নামত প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এটি মঞ্চ প্ৰদান কৰাত গৰ্ব অনুভৱ কৰে। শিৱসাগৰ জিলা সমিতিৰ সভাপতি তথা উজনি অসমৰ তদাৰক জিনোল আহমেদে স্বদেশ, স্বজাতিৰ অৰ্থে জীৱনপণ কৰাৰ বিষয়ে সভাত ব্যক্ত কৰে। অসমৰ হাৰ্টথ্ৰব জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায় বিচৰাৰ বাবে অকুণ্ঠে সহযোগ আগবঢ়োৱাৰ বিষয়ে সভাত ব্যক্ত কৰে। অসমীয়া মুছলমানসকলৰ মাজত হকে-বিহকে ঠিকাদাৰী কৰি জাতিটোক বিক্ৰী কৰাৰ প্ৰৱণতাৰ প্ৰতি ক্ষোভ প্ৰকাশ কৰাৰ লগতে তেনে ব্যক্তিক সকীয়নি প্ৰদান কৰে। বীৰ বাঘ হাজৰিকাৰ দশম পৰিনাতি এ.এন. চালেহ উদ্দিন আহমেদ হাজৰিকাই কয় যে বুৰঞ্জীৰ সত্যাসত্য নিৰূপণ কৰিবলৈ হ'লে বহুকেইখন বুৰঞ্জী অধ্যয়ন কৰিব লাগিব। অসমৰ বৰ্তমান পৰিস্থিতিত অসম বুৰঞ্জীৰ লগতে বীৰ বাঘ হাজৰিকাক জীয়াই ৰখাৰ দায়িত্ব নৱ-প্ৰজন্মৰ হাতত অৰ্পন কৰে। শৰাইঘাটৰ যুদ্ধত মহাবীৰ লাচিত বৰফুকনৰ কাষত ছাঁটোৰ দৰে থাকি যুদ্ধ কৰা জাতীয় বীৰজনাক শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। বীৰ বাঘ হাজৰিকা স্মৃতি সংৰক্ষণ সন্থা, ডিব্ৰুগড়ৰ উপ সভাপতি কৃপাল কুমাৰ ফুকনে বাঘ হাজৰিকাৰ প্ৰাসঙ্গিকতাৰ ওপৰত বক্তব্য দাঙি ধৰি উপস্থিত সকলোকে মানৱ জাতিৰ কল্যাণৰ অৰ্থে কাম কৰি যাবলৈ আহবান জনায়। সভাত এখনি আহবায়ক সমিতি গঠন কৰাৰ লগতে উক্ত সমিতিৰ কাৰ্যকাল কেৱল এমাহৰ বাবে ধাৰ্য কৰা হয়। এমাহৰ অন্তত সেই সমিতিয়ে এখনি পূৰ্ণাঙ্গ সমিতি গঠন কৰিবলৈ আহ্বায়ক সমিতিক সভাই কৰ্তৃত্ব প্ৰদান কৰে।

# নগাঁও জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অনুষ্ঠিত কেৰিয়াৰ কাউন্সেলিং অনুষ্ঠান সম্পন্ন




**অসম বাৰ্তা, নগাঁও, ১ ডিচেম্বৰ ঃ** নগাঁও ৰ'টাৰী ক্লাব আৰু মাৰৱাৰী যুৱ মঞ্চ নগাঁও শাখাৰ যৌথ উদ্যোগত ২০২৫ চনৰ ২৯ নৱেম্বৰ তাৰিখে নগাঁও জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত আজি এক বৃহৎ কেৰিয়াৰ কাউন্সেলিং কাৰ্যসূচী সফলতাৰে সম্পন্ন হয়। নগাঁও জিলাৰ বিভিন্ন বিদ্যালয়ৰ প্ৰায় ৬০০জন ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিৰে অনুষ্ঠানটো এক সফল আৰু দিক্-দৰ্শনমূলক শিক্ষা উদ্যোগ হিচাপে পৰিগণিত হয়। আধুনিক সময়ত কেৰিয়াৰ ক্ষেত্ৰ আৰু পেচা-বৃত্তিৰ পথ সলনি হ'ব লাগিলেহে, শিক্ষাৰ্থীসকলক সঠিক দিশ প্ৰদান কৰাই এই কাৰ্যসূচীৰ মুখ্য উদ্দেশ্য আছিল। সুপ্ৰসিদ্ধ কেৰিয়াৰ কাউন্সেলৰ মেঘনা কৌশিকে নতুন যুগৰ কেৰিয়াৰ সুযোগ, দক্ষতা উন্নয়ন, শিক্ষাগত পৰিকল্পনা আৰু ব্যক্তিত্ব বিকাশৰ ওপৰত এক সুন্দৰ বক্তব্য ৰাখে। তেওঁৰ বক্তব্যত শিক্ষাৰ্থী সকলৰ মাজত ভৱিষ্যৎ ৰ লক্ষ্য আৰু সুযোগ-বিচাৰৰ স্পষ্টতা মনলৈ অহাৰ প্ৰয়াস ঘটিব। তাৰ লগতে এলালন ছাৰ, SPM & Lalan Academyৰ সহ-প্ৰতিষ্ঠাপক, প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰস্তুতি, শৃংখলা আৰু দীঘলীয়া লক্ষ্য নিৰ্ধাৰণৰ ওপৰত অমূল্য মতামত আগবঢ়াইছিল। দুয়োগৰাকীৰ অভিজ্ঞতা শিক্ষাৰ্থীসকলৰ বাবে অত্যন্ত লাভজনক হয়। অনুষ্ঠানত অতিৰিক্ত উপায়ুক্ত মনোৰমা মৰাং গৰাকীয়ে মুখ্য অতিথি হিচাপে আসন শুৱনি কৰে। আৰু তেওঁৰ ভাষণ প্ৰসংগত শিক্ষাৰ্থীসকলক বৃহৎ উদ্দেশ্য লৈ আগুৱাই যোৱাৰ অনুপ্ৰেৰণা যোগায়। নগাঁও জিলাৰ বিদ্যালয় সমূহৰ পৰিদৰ্শক মৃদুল নাথ গৰাকীয়ে বিশেষ অতিথি হিচাপে উপস্থিত থাকি কেৰিয়াৰ কাউন্সেলিংৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰে। অনুষ্ঠানত উপস্থিত থাকে ৰ'টাৰী ক্লাব নগাঁৱৰ সভাপতি ৰতন অৰ্মান দাস্তানী, মাৰৱাৰী যুৱ মঞ্চৰ সভাপতি বিনায়ক আগৰৱাল, ৰ'টাৰী ক্লাবৰ সম্পাদক মমতা আগৰৱাল, মাৰৱাৰী যুৱ মঞ্চৰ সম্পাদক দিব্যা বৰ্মা, সহ-গভৰ্ণৰ ভিৱেন জৈন, আৰু কাৰ্যসূচীৰ প্ৰজেক্ট চেয়াৰমেন অমিত মৰে। লগতে বিভিন্ন বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী সকল অনুষ্ঠানত উপস্থিত থাকে। অনুষ্ঠানৰ শেষত বিদ্যালয়ৰ সমূহৰ শিক্ষকে উদ্যোগটোক উপযুক্ত সময়ত অনুষ্ঠিত এক গভীৰ অৰ্থপূৰ্ণ শিক্ষা কাৰ্যসূচী বুলি কৃতজ্ঞতা জ্ঞাপন কৰে। অনুষ্ঠানটোক নগাঁও জিলাৰ শিক্ষাৰ্থীসকলৰ বাবে দিশ-নিৰ্দেশনাৰ এক সফল মঞ্চ হিচাপে মূল্যায়ন কৰা হৈছে বুলি জানিবলৈ দিয়ে।

### বঙাইগাঁও আৰু অসমৰ কলা-জগতত শোকৰ ছাঁ

# বিশিষ্ট কৌতুক অভিনেতা টিৰাপ ৰায় চৌধুৰীৰ দেহাৱসান



**অসম বাৰ্তা, বঙাইগাঁও সদৰ, ১ ডিচেম্বৰ ঃ** অসমৰ লগতে বঙাইগাঁও জিলাৰ জনপ্ৰিয় কৌতুক অভিনেতা, পৰিচালক তথা নাট্যকাৰ টিৰাপ ৰায় চৌধুৰীয়ে আজি ৰাতিপুৱা ৭ঃ৩৫ বজাত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হস্পিতাল (GMCH) শেষ নিশ্বাস ত্যাগ কৰে। ৰক্তহীনতা জনিত ৰোগত আক্ৰান্ত হৈ কেইবাদিনো ধৰি তেওঁ GMCHত চিকিৎসাধীন হৈ আছিল। তেওঁৰ মৃত্যুত অসমৰ সাংস্কৃতিক জগতত গভীৰ শোকৰ ছাঁ পৰিছে। প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ জন্মৰ দিনাই জন্ম লাভ কৰা টিৰাপ ৰায় চৌধুৰী অকল বঙাইগাঁৱতে নহয়, গোটেই অসমৰ লগতে পশ্চিম বংগতো নিজৰ অভিনয় প্ৰতিভাৰে জনপ্ৰিয়তা অৰ্জন কৰিছিল। তেওঁ মূলতঃ "হাইচ লাইচ কৌতুক গোষ্ঠী" নামৰ জনপ্ৰিয় কৌতুক অনুষ্ঠানটোৰ জৰিয়তে ৰাইজৰ মাজত হাঁহিৰ খোৰাক যোগাইছিল। টিৰাপ ৰায় চৌধুৰীয়ে অভিনয়, পৰিচালনা আৰু নাটক ৰচনাৰে কলা-জগতলৈ অৱদান আগবঢ়াইছিল। তেওঁ কোচ ৰাজবংশী জনগোষ্ঠীৰ থলুৱা গাঁৱলীয়া দৃশ্য আৰু কাহিনীসমূহ ইউটিউবৰ জৰিয়তে অভিনয় শৈলীৰে প্ৰকাশ কৰিছিল। তেওঁৰ উল্লেখযোগ্য কামসমূহৰ ভিতৰত শঙ্কৰজ্যোতি মিনি থিয়েটাৰৰ কেইবাখনো নাটক- যেনে বদনামি প্ৰেম, প্ৰেমৰ পৃথিৱীত, ছোৱালী আকৌ আহিব, বলীয়া মানুহৰ সপোন-লগতে ধাৰাবাহিক চিনেমা খাপলাং খাই আৰু ভাড়াঘৰৰ বিভিন্ন খণ্ডত অভিনয় উল্লেখনীয়। ইয়াৰ উপৰিও তেওঁ অবুজ, একাংশীয়া নাট আৰু সমৰ্পন, জয়পৰাজয় আদি নাট আৰু গবৃৰ আহি আছে ৰ দৰে ইউটিউব চিনেমাও নিৰ্মাণ কৰিছিল। আজি দুপৰীয়া ১২ঃ০০ বজাত শিল্পীগৰাকীৰ নশ্বৰ দেহ বঙাইগাঁও বৰপাৰাস্থিত বাসগৃহত অনা হয়। তেওঁক শেষ শ্ৰদ্ধাঞ্জলি জনোৱাৰ বাবে শিল্পী সমাজ, বঙাইগাঁওবাসী ৰাইজ, আত্মীয়-স্বজন আৰু বিশেষকৈ হাইচ লাইচ কৌতুক গোষ্ঠীৰ বন্ধুবৰ্গসকলক দেখা পোৱা যায়। টিৰাপ ৰায় চৌধুৰীৰ অকাল বিয়োগ অসমৰ কলা জগতৰ বাবে এক অপূৰণীয় ক্ষতি।

# জাঁজী চন্দ্ৰধৰ গগৈ শংকৰদেৱ শিশু বিদ্যা নিকেটনত "সপ্তশক্তি সংগম" অনুষ্ঠান সম্পন্ন

**অসম বাৰ্তা, জাঁজী, ১ ডিচেম্বৰ ঃ** শিৱসাগৰ জিলাৰ শিক্ষা সমিতি, অসমৰ অন্তৰ্গত ৰূপালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰা জাঁজী অঞ্চলৰ অগ্ৰণী শিক্ষানুষ্ঠান চন্দ্ৰধৰ গগৈ শংকৰদেৱ শিশু নিকেতনত আজি শিশু সকলৰ অবিভাৱিকা সকলক লৈ "সপ্তশক্তি সংগম" অনুষ্ঠান দিনজোৰা কাৰ্য্যসূচীৰে সম্পন্ন হয়। আজি নিকেটনত আয়োজিত 'সপ্তশক্তি সংগম' অনুষ্ঠানত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে অসম চৰকাৰৰ ৰাজ্যিক মহিলা আয়োগৰ সদস্যা তথা ভাৰতীয় জনতা পাৰ্টিৰ ৰাজ্যিক সমিতিৰ জেষ্ঠ নেত্ৰী বিনিতা শইকিয়া। পৰিয়াল প্ৰবোধন আৰু পৰিবেশ সমন্ধত ভাৰতীয় দৃষ্টি ভংগী, আৰু ভাৰত বৰ্ষৰ বিকাশত মহিলাৰ অবদান, নিৰ্দিষ্ট বিষয়ত শিশু সকলৰ শিক্ষাৰ ক্ষেত্ৰত মাতৃৰ কৰনিয় আৰু পৰিয়াল সুৰক্ষিত কৰাৰ মাৰ্গ দৰ্শনৰ বিষয়ে বিনীতা শইকীয়ায়ে আলোকপাত কৰে। ইয়াৰোপৰি সভাৰ মঞ্চত বিশেষ ভাবে উপস্থিত থাকে অৱসৰ প্ৰাপ্ত শিক্ষয়িত্ৰী বিনা বৰুৱা, সন্ধ্যা শিখা কোঁৱৰ, আৰু অবিভাৱিকা সকল। আনহাতে অনুষ্ঠান ত অবিভাৱিকা সকলক লৈ আল্পনা আৰু কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয়। আজিৰ অনুষ্ঠানত বিদ্যালয়ৰ সমূহ আশ্চৰ্য্য আৰু ছাত্ৰ ছাত্ৰী সকল উপস্থিত থাকে।

# বৰপেটাত শিক্ষণ শিকন সঁজুলিৰ প্ৰদৰ্শনী

**অসম বাৰ্তা, বৰপেটা সদৰ, ১ ডিচেম্বৰ ঃ** বৰপেটা শিক্ষা খণ্ডৰ অন্তৰ্গত ৮ নং দহাটী মণ্ডল সমল কেন্দ্ৰ ভিত্তিত শিক্ষণ-শিকন সঁজুলিৰ প্ৰদৰ্শনী আৰু প্ৰতিযোগিতা অনুষ্ঠিত হৈ যায়। উক্ত শিক্ষণ-শিকন সঁজুলি প্ৰদৰ্শনী আৰু প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে ৮ নং দহাটী মণ্ডল সমল কেন্দ্ৰৰ অন্তৰ্গত পিএম শ্ৰী আদৰ্শ বিদ্যালয়, ১৩২৫নং ইচ্ছাপুৰহাটী প্ৰাথমিক বিদ্যালয়, ৫১৫ নং ভকতপাৰা প্ৰাথমিক বিদ্যালয় আৰু ৰামচৰণ মেধি উচ্চ মাধ্যমিক বিদ্যালয়ে। উক্ত প্ৰদৰ্শনী আৰু প্ৰতিযোগিতাতখন এগছি বন্তি প্ৰজ্বলন কৰি শুভাৰম্ভ কৰে বিদ্যালয় সমূহৰ উপ পৰিদৰ্শিকা নিয়তি পাঠক। শুভাৰম্ভ কৰি উপ পৰিদৰ্শিকা নিয়তি পাঠকে কয় যে এই শিক্ষণ-শিকন সঁজুলি বিদ্যালয় পৰ্যায়ত সদ্ব্যৱহাৰ হ'লেহে ইয়াৰ মহৎ লক্ষ্য ফলপ্ৰসূ হ'ব। ৮ নং দহাটী মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক প্ৰবীন চন্দ্ৰ দাসে আঁত ধৰা এই প্ৰদৰ্শনী আৰু প্ৰতিযোগিতাখনত বিচাৰক হিচাপে উপস্থিত থাকে বৰপেটা শিক্ষা খণ্ডৰ অন্তৰ্গত বাৰাদি মণ্ডল মণ্ডল কেন্দ্ৰৰ সমন্বয়ক কনজিৎ কুমাৰ দাস আৰু বাৰাদি মণ্ডল সমল কেন্দ্ৰৰ অন্তৰ্গত ৬৫৪নং ভেৰালদি প্ৰাথমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী প্ৰণীতা দাসে। প্ৰতিযোগিতাত স্বাক্ষৰতা শাখাত প্ৰথম স্থান দখল কৰে পি এম শ্ৰী আদৰ্শ বিদ্যালয়ৰ সুদীপ্তা সাহাই, দ্বিতীয় স্থান ১৩২৫ নং ইচ্ছাপুৰহাটী প্ৰাথমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক মহম্মদ হাবিল উদ্দিনে আৰু তৃতীয় দখল কৰে ৰামচৰণ মেধি উচ্চ মাধ্যমিক বিদ্যালয়ৰ অবিনাশ ক্ষেত্ৰীয়ে। সাংখ্যিকতা শাখাত প্ৰথম স্থান দখল কৰে পিএম শ্ৰী আদৰ্শ বিদ্যালয়ৰ স্নাতক শিক্ষক ৰেজিনা য়াছমিনে, দ্বিতীয় স্থান দখল কৰে ৫১৫ নং ভকতপাৰা প্ৰাথমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক টংকেশ্বৰ দাসে আৰু তৃতীয় স্থান দখল কৰে ১৩২৫নং ইচ্ছাপুৰহাটী প্ৰাথমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক মহম্মদ হাবিল উদ্দিনে। বিচাৰকদ্বয়ৰ লগতে উপস্থিত থকা আৰু অংশগ্ৰহণ কৰা প্ৰতি গৰাকী শিক্ষক-শিক্ষয়িত্ৰীক ৮ নং দহাটী মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক প্ৰবীন চন্দ্ৰ দাসে অভিনন্দন আৰু কৃতজ্ঞতা জনায়।

### ধাবা চীল কৰিলে ৰাজহুৱা যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগে

# কৃষ্ণাই টুকুৰাত ৮টা ঘৰুৱা চিলিণ্ডাৰ জব্দ

**ষ্টাফ ৰিপৰ্টাৰ, দুধনৈ, ১ ডিচেম্বৰ ঃ** গোৱালপাৰা জিলা খাদ্য, ৰাজহুৱা যোগান তথা গ্ৰাহক পৰিক্ৰমা বিভাগ আৰু পশ্চিম সমজিলা আয়ুক্তৰ কাৰ্যালয়ে আজি কৃষ্ণাই টুকুৰাত আকস্মিক ভাৱে অভিযান



চলাই এখন ধাবা চীল কৰি দিয়াৰ লগতে আন তিনিখন ধাবাত তালাচী চলায়। গোৱালপাৰা পশ্চিম সমজিলা আয়ুক্তৰ কাৰ্যালয়ৰ সহকাৰী আয়ুক্ত ৰিষিৰাজ দাস, খাদ্য, যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ পৰিদৰ্শক প্ৰীতম গোস্বামী আৰু ভৱেশ ৰায়ে আজি এই অভিযান চলায়। মূলত এই ধাবাসমূহত ঘৰুৱা ৰন্ধন গেছৰ চিলিণ্ডাৰ ব্যৱহাৰ কৰি থকা আৰু প্ৰয়োজনীয় অনুজ্ঞা পত্ৰ থকা নথকা বিষয়ত এই অভিযান চলোৱা হৈছে। অভিযান কালত "প্ৰিন্স ধাবা" নামৰ টুকুৰাৰ ধাবাখনৰ লগতে আন তিনিখন ধাবাৰ পৰা মুঠ ৮টা ঘৰুৱা ৰন্ধন গেছৰ চিলিণ্ডাৰ জব্দ কৰা হয়। প্ৰিন্স নামৰ ধাবা খনৰ প্ৰয়োজনীয় ট্ৰেড লাইচেন্স নথকা, ঘৰুৱা ৰন্ধন গেছৰ চিলিণ্ডাৰ ব্যৱহাৰ, অস্বাস্থ্যকৰ পৰিৱেশ, অপৰিষ্কাৰ ৰন্ধন শালা আদিৰ বাবে উক্ত ধাবাখন আজি চীল কৰি দিয়া হৈছে। আনহাতে স্থানীয় ৰাইজে খাদ্য যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগে অভিযান চলাই ধাবা সমূহত ব্যৱহাৰ কৰা অবৈধ ঘৰুৱা চিলিণ্ডাৰ সমূহ জব্দ কৰাত সন্তোষ প্ৰকাশ কৰে। আনহাতে সচেতন ৰাইজে জিলাখনৰ দুধনৈ, ৰংজুলি, ধুপধৰা, কৃষ্ণাই, লক্ষ্মীপুৰ আগিয়া আদি ঠাইত থকা হোটেল ধাবা সমূহত ঘৰুৱা চিলিণ্ডাৰ, অস্বাস্থ্যকৰ পৰিবেশ, ভাল খাদ্য বিতৰণ আৰু প্ৰয়োজনীয় অনুজ্ঞাপত্ৰ পৰীক্ষা কৰি উপযোগী পৰিবেশ গ্ৰহণ কৰাৰ বাবে বিভাগীয় কৰ্তৃপক্ষক অনুৰোধ জনায়।

### খচৰা প্ৰকাশ, ২০ ডিচেম্বৰলৈ গ্ৰহণ কৰা হ'ব ৰাইজৰ দাবী আৰু আপত্তি

# মৰাণ স্বায়ত্ত্ব শাসিত পৰিষদৰ নতুনকৈ সীমা নিৰ্ধাৰণৰ প্ৰক্ৰিয়া আৰম্ভ

**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ১ ডিচেম্বৰ ঃ** মৰাণ স্বায়ত্ত্ব শাসিত পৰিষদৰ সীমা নিৰ্ধাৰণৰ বাবে তিনিচুকীয়া জিলাৰ আয়ুক্ত স্বপ্নীল পালে আজি পুনৰ খচৰা প্ৰস্তাৱৰ জাননী জাৰি কৰিছে। পৰিষদৰ ৩০টা সমষ্টিৰ বাবে জিলাখনৰ ৪১০খন ৰাজহ গাঁও অন্তৰ্ভুক্ত কৰি এই জাননী জাৰি কৰা হৈছে। সেই অনুসৰি কাইলৈ ৩০ নৱেম্বৰৰ পৰা ২০ ডিচেম্বৰলৈ এই সম্পৰ্কত কাৰোবাৰ দাবী বা আপত্তি থাকিলে লিখিতভাৱে নিজ নিজ জিলাৰ ন'ডেল বিষয়াৰ ওচৰত দাখিল কৰিব পাৰিব। এই দাবী আৰু আপত্তি সম্পৰ্কত শুনানী ২১ ডিচেম্বৰৰ পৰা ২৮ ডিচেম্বৰলৈ অনুষ্ঠিত হ'ব আৰু ৩১ ডিচেম্বৰত চূড়ান্ত তালিকা প্ৰকাশ কৰা হ'ব। জিলা তথ্য আৰু জনসংযোগ বিষয়া বিকাশ শৰ্মাই এই কথা প্ৰকাশ কৰি জনাইছে যে, পৰিষদত অন্তৰ্ভুক্ত হ'বলগীয়া প্ৰস্তাৱিত গাওঁ সমূহৰ তালিকা http://tinsukia.assam.gov.in ৱেবছাইটত গৈ চাব পাৰিব। তিনিচুকীয়া জিলাৰ বাবে অতিৰিক্ত আয়ুক্ত তথা মৰাণ স্বায়ত্ত্ব শাসিত পৰিষদৰ ভাৰপ্ৰাপ্ত প্ৰধান সচিব পঙ্কজ চমুৱাক ন'ডেল বিষয়া হিচাপে দায়িত্ব অৰ্পন কৰা হৈছে। একেদৰে ধেমাজিৰ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া বিতোপন নেওগক, যোৰহাটৰ জিলা উন্নয়ন আয়ুক্ত ৰাজীৱ ৰয়ক, লখিমপুৰৰ অতিৰিক্ত আয়ুক্ত সৰ্বানা সোণোৱালক, ডিব্ৰুগড়ৰ সহকাৰী আয়ুক্ত নৱস দাসক আৰু চৰাইদেউৰ বাবে মাহমৰাৰ চক্ৰ বিষয়া বৰষা দুৱৰাক নিজ নিজ জিলাৰ ন'ডেল বিষয়া হিচাপে অধিসূচিত কৰা হৈছে।

# লেখিকা-সমাজকৰ্মী প্ৰেমলতা শইকীয়াৰ স্মৃতিত প্ৰেম-সৌৰভ উন্মোচন

**অসম বাৰ্তা, যোৰহাট, ১ ডিচেম্বৰ ঃ** উত্তৰ যোৰহাটৰ বৰুৱাবাৰী গাঁৱৰ সমাজকৰ্মী তথা লেখিকা প্ৰেমলতা শইকীয়াৰ স্মৃতিত আজি প্ৰেম-সৌৰভ নামৰ গ্ৰন্থখন উন্মোচন কৰে। বাসভৱনত আদ্যশ্ৰাদ্ধ উপলক্ষে আয়োজিত অনুষ্ঠানত গ্ৰন্থখন উন্মোচন কৰে যোৰহাট জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° চেনিৰাম দত্তই। ছখনৰো অধিক গ্ৰন্থ প্ৰণয়ন কৰা লেখিকাগৰাকীৰ স্মৰণিকা উন্মোচনী অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে নামধৰ্ম সমাজ অসমৰ সভাপতি মাণিক গগৈয়ে আৰু আদৰণি জনাই সম্পাদনা সমিতিৰ সভাপতি বুবুল চন্দ্ৰ দত্তই। অসম সাহিত্য সভাৰ আজীৱন সভ্য, উত্তৰ যোৰহাটৰ লেখিকা সমাৰোহৰ সভানেত্ৰী, যোৰহাট জিলা নাম ধৰ্ম সমাজৰ কাৰ্যকৰী সভানেত্ৰী, বৰুৱাবাৰী গাঁৱৰ প্ৰগতি মহিলা সমিতিৰ সভানেত্ৰী, ৩১নং মধ্য চাৰিগাও গাঁও পঞ্চায়তৰ প্ৰাক্তন সদস্যাৰ উপৰি বিভিন্ন দায়িত্ব পালন কৰা সমাজকৰ্মী মহিলাগৰাকীৰ স্মৰণিকা উন্মোচনী অনুষ্ঠানৰ আঁত ধৰে সম্পাদনা সমিতিৰ সম্পাদক নৱজ্যোতি কলিতাই আৰু শলাগ জনাই কনিষ্ঠ ভগ্নী তথা বিশিষ্ট লেখিকা নলিনীবালা হাজৰিকাই। অনুষ্ঠানত নামধৰ্ম সমাজৰ বিষয় ববীয়া সকলৰ লগতে স্থানীয় লোকসকল উপস্থিত থাকে।

### বিশিষ্ট সাহিত্যিক শৰৎ চন্দ্ৰ চিৰিংফুকনৰ ২৮ সংখ্যক গ্ৰন্থ 'সৃষ্টি চিন্তাৰ সঁফুৰা' উন্মোচন

# ৰূপাই উচ্চ মাধ্যমিক বিদ্যালয়ৰ নৱনিৰ্মিত ভৱন উদ্বোধন কেবিনেট মন্ত্ৰী ৰূপেশ গোৱালাৰ

**ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ১ ডিচেম্বৰ ঃ** তিনিচুকীয়া জিলাৰ ৮২ নং ডুমডুমা বিধানসভা সমষ্টিৰ বিধায়ক তথা অসম চৰকাৰৰ শ্ৰমিক কল্যাণ, চাহ জনজাতি আৰু আদিবাসী কল্যাণ আৰু গৃহ (কাৰাগাৰ, গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা) বিভাগৰ মন্ত্ৰী ৰূপেশ গোৱালাই ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযানৰ অধীনত মুঠ ১, ৭৬, ১৬, ০০০ টকাৰে নিৰ্মাণ সম্পূৰ্ণ হোৱা ৰূপাই উচ্চ মাধ্যমিক বিদ্যালয়ৰ আটকধুনীয়া ভৱনটি আজি আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। এই উপলক্ষে বিয়লি ২-০০ বজাত বিদ্যালয়ৰ প্ৰাংগণত অনুষ্ঠিত হোৱা এক আড়ম্বপূৰ্ণ অনুষ্ঠানৰ আৰম্ভণিতে স্থানীয় ৰূপাই ৰিফ্লেকচন ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ ছাত্ৰী গাৰ্গী হাজৰিকাই এটি বৰগীত পৰিৱেশন কৰে। বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক অনুপ কুমাৰ বৰদলৈয়ে আঁত ধৰা সভাত আদৰণি ভাষণ প্ৰদান কৰে বিদ্যালয়খনৰ প্ৰাণ প্ৰতিষ্ঠাতা তথা অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক প্ৰকাশ দত্তই। তেখেতে বিদ্যালয়খনৰ প্ৰতিষ্ঠাকালৰ কিছু কথা উল্লেখ কৰাৰ লগতে বিভিন্ন ঘাত-প্ৰতিঘাতৰ মাজেৰে আহি বিদ্যালয়খনে আজি কিদৰে পূৰ্ণাংগ ৰূপ পালে সেই সম্পৰ্কেও কিছু কথা উল্লেখ কৰে। সভাত ডুমডুমা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমলেশ্বৰ কলিতাই নিজৰ ভাষণত বিদ্যালয়খনৰ উক্ত




ভৱনটিৰ আন্তঃ গাঁথনিৰ শলাগ লোৱাৰ লগতে বিদ্যালয়খন বৃহত্তৰ এলেকাটোৰ এক সম্পদলৈ পৰিগণিত হৈছে বুলি উল্লেখ কৰে। সভাত বিদ্যালয়খনৰ এসময়ৰ পৰিচালনা সমিতিৰ সম্পাদক তথা ডুমডুমা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ বেণু বড়াই নিজৰ ভাষণত তেওঁ কিদৰে বিদ্যালয় প্ৰতিষ্ঠাৰ সৈতে জড়িত আছিল সেই সম্পৰ্কে কিছু কথা উল্লেখ কৰে। উক্ত অনুষ্ঠানতে ই তিনিচুকীয়া জিলা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক, বিশিষ্ট প্ৰবন্ধকাৰ, সাহিত্যিক তথা 'অসম বাৰ্তা' ৰ মুখ্য সম্পাদক শৰৎ চন্দ্ৰ চিৰিংফুকনৰ ২৮ সংখ্যক গ্ৰন্থ "সৃষ্টি চিন্তাৰ সুঁফৰা" উন্মোচন কৰে কেবিনেট মন্ত্ৰী ৰূপেশ গোৱালাই। বিশিষ্ট সাহিত্যিক শৰৎ চন্দ্ৰ চিৰিংফুকনে ২০০৫ চনৰ পৰাই গ্ৰন্থ ৰচনাত মনোনিৱেশ কৰি অহাৰ লগতে এনে এক অনুষ্ঠানত গ্ৰন্থখনি উন্মোচন কৰিবলৈ পাই অত্যন্ত সুখী অনুভৱ কৰা বুলি উল্লেখ কৰে। নিজৰ ভাষণত মন্ত্ৰী ৰূপেশ গোৱালাই অসমত শিক্ষাৰ ক্ষেত্ৰত এক আধুনিক পৰিৱৰ্তন অহাৰ প্ৰসংগ দোহৰাৰ লগতে অসমত এতিয়া স্কুলৰ সংখ্যাও যথেষ্ট বৃদ্ধি হোৱা বুলি কৈ ৰাজ্যৰ চাহ বাগিছাৰ প্ৰাথমিক বিদ্যালয়সমূহৰ আন্তঃগাঁথনিৰ যথেষ্টখিনি উন্নত হৈছে বুলি কয়। মন্ত্ৰী গোৱালাই লগতে এনে উন্নত আন্তঃ গাঁথনিয়ে সম্প্ৰতি ছাত্ৰ-ছাত্ৰীৰ মাজত যথেষ্ট যোগাত্মক প্ৰভাৱ পেলাইছে বুলিও উল্লেখ কৰে। সভাত মন্ত্ৰী গোৱালাই ডুমডুমা সমষ্টিৰ সামগ্ৰিক উন্নয়নৰ হকে ৰূপায়ণ কৰা বিভিন্ন উন্নয়নমূলক কামৰ এক নমুনা দাঙি ধৰে। সভাত তিনিচুকীয়া জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক বিন্তি শৰ্মাইয়ো দুৱাষাৰ কয়। অনুষ্ঠানত তিনিচুকীয়া জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি অৰ্জুন বৰুৱা, ডুমডুমা পৌৰ সভাৰ পৌৰপতি কান্তা ভট্টাচাৰ্য, ডুমডুমা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমলেশ্বৰ কলিতা, ডুমডুমা বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অমৰজিৎ শইকীয়া, কাকপথাৰ পদ্মনাথ গোহাঞিবৰুৱা চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° থানুৰাম মজিন্দাৰ, ডুমডুমা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° আব্দুল কাদিৰ, ভৱন নিৰ্মাতা অভিযন্তা সঞ্জীৱ দত্তৰ ভায়েক প্ৰিন্স দত্তৰ উপৰিও ডুমডুমা-ৰূপাই চাইদিং অঞ্চলৰ কেইবাগৰাকীও গণ্য-মান্য ব্যক্তি, শিক্ষাবিদ, সমাজ সেৱকৰ লগতে স্থানীয় এলেকাৰ কেইবাখনো বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ভালেসংখ্যক স্থানীয় ৰাইজ উপস্থিত থাকে। অনুষ্ঠানত শলাগ জ্ঞাপন কৰে বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি মনোজ দত্তই।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •
• সম্পাদক ঃ তনয় বৰা • মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন